# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baāõhaī | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, [illegible] | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: [illegible] IV, V, VI, VII, VIII [illegible] | Condition of the original: Britle. |
| Remarks: [illegible]. 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

সপ্তম বছৰ অষ্টম সংখ্যা

# সূচী


| বিষয় | পিঠি |
| --- | --- |
| বৰ আৰু সৰু | ৩৯৩ |
| সম্পাদকৰ চ'ৰা | ৩৯৪ |
| পূজনীয় ৺দত্তদেৱ গোস্বামী | ৩৯৯ |
| দিল্লীত দিনদিয়েক | ৪০৪ |
| খ্ৰীষ্টিয়ান আৰু মুচলমান | ৪১১ |
| আগ- চ'ৰা | ৪১৩ |
| গাৱঁলীয়া মাৰ্ট | ৪১৯ |
| নিৰ্ম্মালি | ৪২৩ |
| মইনা | ৪২৪ |
| বিদ্ৰোহত হিন্দুধৰ্ম্মৰ উন্নতি | ৪২৯ |
| ৰজাঘৰীয়া পুৰণি চিঠি | ৪৩০ |
| গদ্য কবিতা | ৪৪২ |
| সুৰ্বৰ্ণী | ৪৪৫ |
| এখন চিঠিৰ প্ৰত্যোত্তৰ | ৪৪৬ |


Nakul Chandra Bhuyan

Jorhat 9/6/


Department of Historical & Antiquarian Studies in Assam
Guwahati-781001
Book No. ________
Date ________




## বৰ আৰু সৰু।

হুবৰি বনৰ পাতিৰ আগত
নিয়ৰে মুকুতা আৰে।
ওখৰ মলয়াই মৰমৰ হাতেৰে
চোতালৰ ধূলিটি সাৰে॥
বোকাৰ পদুমত হাঁহিটি জিলিকে
আকাশৰ হাঁহিটি পৰি।
কেতেকীৰ সোণালি ৰেণুটি উৰিল
চেনেহৰ চুমাটি ভৰি॥
পৰ্ব্বতৰ টিঙৰে অকণি নিজৰা
নামি ভূঁইৰ বুকুলৈ গল।
চেনেহৰ হাতেৰে ভূঁয়ে সাবটিলে,
ৰওতে বন্দী হৈ বল॥
হুবৰিবনতকৈ সৰু তই লক্ষ্মীনাথ!
ধূলিৰো তলৰে ধূলি।
তোকো নাপাহাৰে প্ৰিয়তকৈ প্ৰিয়ই তোৰ,
আদৰি লবহি তুলি॥

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

# সম্পাদকৰ চৰা।

## বিদ্ৰোহত হিন্দুধৰ্ম্মৰ উন্নতি।

### ( ১ )

কাৰ্লাইলে (Carlyle) কৈছে—"The essence of all paganism is a recognition of the forces of Nature as Godlike, stupenduous, personal agencies. ইয়াৰ মানে, পৌত্তলিকতাৰ সাৰ—প্ৰাকৃতিক শক্তিবোৰত ঐশ্বৰিক, বৃহৎ আৰু ব্যক্তিগত কৰ্তৃত্বৰ অস্তিত্বৰ পৰিজ্ঞান। আৰ্য্যসকলৰ প্ৰাচীনতম পুথি ঋকবেদৰ সম্পৰ্কে এই কথা বঢ়িয়াকৈ খাটে। প্ৰাকৃতিক শক্তিবোৰক মহান্ ভাবি, সেইবোৰকে একো একোজন দেৱতা কল্পনা কৰি, আৰু সেই দেৱতাসকলকে যজ্ঞ আৰু স্তোত্ৰ আদিৰে পূজা কৰি সন্তুষ্ট কৰিছোঁ ভাবি ঋকবেদৰ ঋষিসকলে মনত শান্তি পাইছিল। ইন্দ্ৰ, অগ্নি, বায়ু, বৰুণ, উষা, সূৰ্য্য আদিয়েই সেইসকল দেৱতা; আৰু সেইসকল দেৱতাই তেওঁলোকক পোহৰ, আহাৰ, পানী ইত্যাদি দিছে ভাবি তেওঁলোকে সেইসকলৰ উদ্দেশে যজ্ঞ কৰি দ্ৰব্যবস্তু উছৰ্গা কৰি সেই দেৱতাসকলক সন্তুষ্ট কৰি অন্তৰৰ কৃতজ্ঞতা জনাইছিল, আৰু তেওঁলোকৰ শত্ৰু অনাৰ্য্য দস্যুবোৰক বিনাশ কৰিবলৈ সেই দেৱতাসকলক খাটিছিল। ঋকবেদৰ প্ৰত্যেক গৃহস্থ ঋষি পৰিবাৰসকলৰ এই ঘৰুৱা যজ্ঞই কালক্ৰমত ৰাজহুৱা ডাঙৰ যজ্ঞত পৰিণত হৈ অশ্বমেধ আৰু ৰাজসূয় আদি যজ্ঞৰ আকৃতি ধাৰণ কৰিলে। প্ৰত্যেক পৰিবাৰৰ গৃহদেৱতাই সেই পৰিবাৰৰ মানত আন দেৱতাতকৈ ডাঙৰ আৰু শক্তিশালী বিবেচিত হৈছিল; সেইদেখি কোনো কোনো মন্ত্ৰত অগ্নিক সকলোতকৈ শ্ৰেষ্ঠ, কোনো কোনো মন্ত্ৰত ইন্দ্ৰক, কোনো কোনো মন্ত্ৰত বৰুণক আন আন দেৱতাতকৈ শ্ৰেষ্ঠ বুলি উল্লিখিত হৈছে; কাৰণ ঋকবেদ এক পৰিবাৰৰ এজন ঋষিৰ ৰচনা নহয়, নানা পৰিবাৰৰ নানা ঋষিৰ পাৰিবাৰিক মন্ত্ৰ আৰু যজ্ঞৰ সমষ্টি তাত সন্নিবেশিত। কম বয়সীয়া আৰ্য্যজাতিৰ লক্ষণ—উৎসাহ, আনন্দ, কৃতজ্ঞতা আৰু প্ৰশংসা, তেওঁলোকৰ জীৱন-ইতিহাস ঋকবেদত নিবদ্ধ। বিষাদ, বেজাৰ, চিন্তাৰ ছাঁ আৰ্য্যসকলৰ এই শৈশৱ যুগত নাছিল।

পাৰিবাৰিক ঘৰুৱা যজ্ঞই কালক্ৰমত যেতিয়া ৰাজহুৱা হৈ বিশাল আকাৰ ধৰিলে, যজ্ঞৰ নানা অংশ সম্পাদন কৰিবলৈ যেতিয়া সুকীয়া—সুকীয়াকৈ লোকৰ প্ৰয়োজন হল, অৰ্থাৎ division of labour-অৰ আৱশ্যকতা উপস্থিত হল, আৰু সমাজ



সুশৃঙ্খলকৈ ৰাখিবৰ নিমিত্তে কিছুমান যজ্ঞত, কিছুমান যুদ্ধত, কিছুমান খেতিবাতিত আৰু কিছুমান এই তিনি শ্ৰেণীৰ মানুহৰ সেৱা আৰু ঘৰৰ বনবাবি কাৰ্য্যত নিযুক্ত হব লগীয়া হল, তেতিয়া জাতি বিভাগৰ সৃষ্টি হল।

কালক্ৰমত আৰ্য্যসকল বয়সিয়াল হল; তেওঁলোকে দকৈ ভাবিবলৈ শিকিলে; জনম, মৰণ, সৃষ্টি আৰু লয়ৰ সমস্যা তেওঁলোকৰ মনলৈ আহিল। চকুৰ আগৰ প্ৰকৃতিৰপৰা তেওঁলোকৰ দৃষ্টি অন্তৰ্মুখী হৈ প্ৰকৃতিৰ আঁৰত থকা দেৱতালৈ গল। তেওঁলোকে দেখিলে যে সকলো প্ৰাকৃতিক শক্তি বিকাশৰ পিছত এনে এজন মহান ভূমা অখণ্ড পুৰুষ আছে, যিজনৰ এই সকলোবোৰ আজ্ঞাবহ ভৃত্য মাথোন। বয়সিয়াল আৰ্য্য ঋষিসকলৰ দৃষ্টিৰ ফল উপনিষদ। ঋষ মানে দৰ্শন, দেখা; ঋষি মানে দ্ৰষ্টা। উপনিষদ, অতিৰিক্ত যাগ-যজ্ঞ আড়ম্বৰৰ বিপক্ষে এদল দীৰ্ঘ দৃষ্টি কৰা চিন্তাশীল আৰ্য্যৰ বিদ্ৰোহ মাত্ৰ। আৰু এই বিদ্ৰোহেই ভাৰতৰ আৰ্য্যৰ চূড়ান্ত উন্নত চিন্তা ব্ৰহ্মজ্ঞান, আত্মতত্ত্ব আৰু আত্মানুভূতিৰ অপূৰ্ব্ব উপলব্ধি। কিন্তু ভাৰতীয় বিদ্ৰোহত য়ুৰোপীয় বিদ্ৰোহৰ উদ্দাম লক্ষণ নাই; ভাৰতীয় বিদ্ৰোহে পুৰণি ভেটিৰ ওপৰত জীৰ্ণসংস্কাৰ কৰি নতুন অট্টালিকা গঠন কৰে, পুৰণি ভেটি একেবাৰেই খানি দলিয়াই পলাই বা সেই ভেটি একেবাৰেই এৰি আন ঠাইত ঘৰ নাসাজে। এই বিদ্ৰোহ অকল ভাঙোতা নহয়, পুৰণিৰে সৈতে নতুনৰ মিলন ঘটোৱাওঁতাহে, আৰু তালৈ যিমান ফেৰা ভাঙিবৰ সকাম সেই ফেৰা ভাঙোতাহে। এই বাবেই পুৰণি যাগ-যজ্ঞৰ ভেটি বেদ ভাৰতীয় আৰ্য্যই দলিয়াই নেপেলাই তাৰ ওপৰত মনোহৰ উন্নত অট্টালিকা সাজি তাকো বেদৰ ভিতৰুৱা কৰি ৰাখিলে আৰু এই বাবেই উপনিষদো বেদৰ অংগত আৰু বেদৰ সাৰভাগ বুলি স্বীকৃত হল।

যি প্ৰাৰ্থনা আৰু যজ্ঞ গুৰিতে সৰল হৃদয়ৰ প্ৰকাশৰ চিহ্ন (symbol) বা উপায় আছিল, পিছত লাহে লাহে সেই চিহ্ন আৰু উপায়েই আচল এই দুই বস্তুৰ ঠাই অধিকাৰ কৰি বহিল। প্ৰত্যেক প্ৰাৰ্থনা মন্ত্ৰ বা স্তোত্ৰ, লৰচৰ নোহোৱাকৈ উচ্চাৰণ কৰাকে আৰু প্ৰত্যেক যজ্ঞ হোম আৰু তাৰ নানা অংশবোৰ বেদে কোৱামতে বিশেষ ভাবে কৰাকে পিছৰ কালত ধৰ্ম্মৰ প্ৰধান সাৰ কাৰ্য্য বুলি বিবেচিত হল। প্ৰাৰ্থনা আৰু যজ্ঞৰ প্ৰাণ, মন অন্তঃকৰণ আৰু অনুভূতিৰ মুখ্য ঠাইৰপৰা বিচ্যুত হৈ, মন্ত্ৰৰ শব্দগত হল আৰু যজ্ঞৰ অনুষ্ঠান ক্ৰিয়াগত হৈ পৰিল। এই দৰেই প্ৰাচীন আৰ্য্যসকলৰ সৰল অন্তঃকৰণৰ কবিত্বময় হৃদয়ৰ বাণী আৰু কৃতজ্ঞতাজ্ঞাপক দান,

Nakul Chandra Bhuyan
Jorhat

Department of Historical and Antiquarian Studies in Assam
Guwahati



## ...ৰ আৰু সৰু।

হৃবৰি বনৰ পাতিৰ আগত
    নিয়ৰে মুকুতা আৰে।
ওধৰ মলয়াই মৰমৰ হাতেৰে
    চোতালৰ ধুলিটি সাৰে॥
বোকাৰ পদুমত হাঁহিটি জিলিকে
    আকাশৰ হাঁহিটি পৰি।
কেতেকীৰ সোণালি বেণুটি উৰিল
    চেনেহৰ চুমাটি ভৰি॥
পৰ্ব্বতৰ টিঙৰে অকণি নিজৰা
    নামি ভূঁইৰ বুকুলৈ গল।
চেনেহৰ হাতেৰে ভূঁয়ে সাবটিলে,
    বওতে বন্দী হৈ বল॥
দুবৰিবনতকৈ সৰু তই লক্ষীনাথ!
    ধূলিবো তলৰে ধূলি।
তোকো নাপাহাৰে প্ৰিয়তকৈ প্ৰিয়ই তোৰ,
    আদৰি লবহি তুলি॥

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

পুৰোহিত ব্ৰাহ্মণসকলৰ শুকান অনুষ্ঠানবহুল কৰ্ম্মকাণ্ডত পৰিণত হল। এই কৰ্ম্ম কাণ্ড সম্পাদনৰ নিমিত্তে নানা শাখা, নানা শ্ৰেণীৰ ব্ৰাহ্মণৰ সৃষ্টি হল। ভাৰতত জাতিভেদৰ গুটি প্ৰথমতে এই দৰেই পচোৱা হল ; আৰু আন তিনি জাতৰ ওপৰত, বিশেষকৈ ক্ষত্ৰিয়ৰ ওপৰত ব্ৰাহ্মণৰ প্ৰাধান্য, ধৰ্ম্ম সম্বন্ধে আৰু সমাজ সম্বন্ধে, এই দৰেই প্ৰতিষ্ঠাপিত হল।

কিন্তু ব্ৰাহ্মণসকল এই দৰে প্ৰাধান্যলৈ অহা বাটটো যে তেওঁলোকৰ পক্ষে শেহলৈকে সুগম হৈয়েই আছিল এনে নহয় ; আন তিনি জাতৰ প্ৰধান লোক-সকলে তেওঁলোকক সহজে বাট এৰি দিয়া নাছিল, ঘাইকৈ ক্ষত্ৰিয়সকলে। ক্ষত্ৰিয় বিশ্বামিত্ৰ আৰু ব্ৰাহ্মণ বশিষ্ঠৰ তয়ামায়া সংগ্ৰামেই, আৰু ব্ৰাহ্মণ পৰশুৰামে ২১বাৰ ক্ষত্ৰিয়ক "নিক্ষত্ৰিয়" কৰাই, আৰু শেহত ক্ষত্ৰিয় শ্ৰীৰামচন্দ্ৰৰ হাতত পৰশুৰামৰ পৰাভৱেই সেই কথাৰ আভাস দিয়ে। বশিষ্ঠ বিশ্বামিত্ৰৰ সংগ্ৰাম আধ্যাত্মিক ক্ষেত্ৰত, আৰু পৰশুৰাম শ্ৰীৰামৰ সংগ্ৰাম সাংসাৰিক ক্ষেত্ৰত। কৰ্ম্মকাণ্ড-প্ৰধান ব্ৰাহ্মণ্য ধৰ্ম্মৰ প্ৰতিবাদ আৰু তাৰ প্ৰতি বিদ্ৰোহৰে এইবোৰ বুৰঞ্জী মাথোন।

পুৰোহিত ব্ৰাহ্মণৰ কৰ্ম্মকাণ্ডৰ বিদ্ৰোহ উপনিষদৰ জ্ঞানকাণ্ডেৰে সম্পাদিত হল, আৰু এই নতুন চিন্তাৰ শিক্ষাই ব্ৰাহ্মণৰ অকলশৰীয়া অধিকাৰৰ ওপৰত আঘাত কৰি, তিনি দ্বিজাতিক (ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্যক) ঈশ্বৰচিন্তা, ধৰ্ম্মব্যাখ্যা আৰু শিক্ষাৰ সমান অধিকাৰ দিলে। ইয়াৰ ফলত ক্ষত্ৰিয় জাতৰ মানুহে ধৰ্ম্মব্যাখ্যা কৰোতাৰ আসন লভিলে আৰু ব্ৰাহ্মণৰো ধৰ্ম্মতত্ত্বোপদেশক হৈ পৰিল। ক্ষত্ৰিয় জনক ৰজাৰ কাৰত বেদজ্ঞ শ্ৰেষ্ঠ ব্ৰাহ্মণে জ্ঞানধৰ্ম্মৰ উপদেশ শিকিছিল। বৃহদাৰণ্যক উপনিষদৰ পঞ্চম অধ্যায়ত আছে, যে আশ্বতৰাশ্বি বুড়িল নামে এজন ব্ৰাহ্মণ ঋষিক জনক ৰজাই গায়ত্ৰীৰ গুঢ়তম ৰহস্যৰ উপদেশ দিছিল। ছান্দোগ্য উপনিষদত আছে যে প্ৰবাহণ জৈবলি নামে এজন ক্ষত্ৰিয় ৰজাই শিলক আৰু দাল্‌ভ্য নামে দুজন ব্ৰাহ্মণক উদ্গীথ অৰ্থাৎ সামবেদৰ নিগূঢ় মন্ত্ৰৰ তত্ত্ব-বিষয়ে উপদেশ দিছিল। এই জাবলিয়েই শ্বেতকেতুৰ পিতাক অৰুণ গৌতমক পঞ্চাগ্নি বিদ্যাৰ তত্ত্বৰ উপদেশ দিছিল। পঞ্চাগ্নি বিদ্যাৰ অৰ্থ—জীৱৰ উৎক্ৰান্তি, দেবযান, পিতৃযান পথ আৰু পুনৰ্জন্মৰ বিষয়ে গূঢ় ৰহস্য। জাবলিয়ে গৌতমক এই বিদ্যাৰ উপদেশ দিবৰ সময়ত কৈছিল "হে গৌতম, আপুনি যি বিদ্যা মোৰ ওচৰত প্ৰাৰ্থনা কৰিছে, এই বিদ্যা আপোনাৰ পূৰ্ব্বে কেতিয়াও কোনো ব্ৰাহ্মণে লাভ কৰা নাই ; কিন্তু আপোনাৰ নিচিনা যোগ্য লোকক



মই নিদি থাকিব নোৱাৰোঁ, সেইদেখি আপোনাক এই বিদ্যাৰ উপদেশ দিম।" ঋগ্বেদীয় কৌষীতকী উপনিষদৰ প্ৰথম অধ্যায়ত আছে, যে গৰ্গবংশীয় ক্ষত্ৰিয় ৰজা চিত্ৰই গৌতমৰ পুত্ৰ শ্বেতকেতুক জীৱৰ পৰলোকগতি সম্বন্ধে উপদেশ দিছিল। ক্ষত্ৰিয় কাশীৰাজ অজাতশত্ৰুৱে গৰ্গবংশীয় দৃপ্ত বালাকি ঋষিক ব্ৰহ্মৰ বিষয়ে আৰু জীৱৰ জাগ্ৰৎ স্বপ্ন সুষুপ্তি এই তিনি অৱস্থাৰ তত্ত্বৰ বিষয়ে উপদেশ দিয়া কথা বৃহদাৰণ্যক উপনিষদত আছে। ছান্দোগ্য উপনিষদত আছে—অশ্বপতি কৈকেয় নামে ক্ষত্ৰিয় ৰজা এজনে পাঁচজন "মহাশাল মহা শ্ৰোত্ৰিয়" ব্ৰাহ্মণ আৰু তেওঁলোকৰ গুৰু স্থানীয় ভগৱান আৰুণিক বৈশ্বানৰ আত্মাৰ ( universal self ) বিষয়ে উপদেশ দিছিল। ইত্যাদি অনেক উদাহৰণ উপনিষদত উল্লেখ কৰা আছে। এইবোৰৰপৰা এইটো স্পষ্টকৈ বুজিব পাৰি, যে যাগ-যজ্ঞপ্ৰধান কৰ্ম্মকাণ্ডতে লাগি থকা ব্ৰাহ্মণসকলৰ চিন্তা আৰু কাৰ্য্যৰ প্ৰতিবাদ চিন্তাশীল ক্ষত্ৰিয়সকলৰ আৰু যাজ্ঞবল্ক্যৰ নিচিনা অল্প সংখ্যক ব্ৰাহ্মণৰ দ্বাৰাই হে সম্পাদিত হৈছিল। আৰু কৰ্ম্মকাণ্ডনিমগন বৃহৎ ব্ৰাহ্মণ সম্প্ৰদায়ে তেওঁলোকৰ প্ৰাধান্য আৰু প্ৰতিপত্তি, চিন্তাশীল জ্ঞানকাণ্ডবাদী ব্ৰহ্মবাদীসকলৰ বিদ্ৰোহৰ দ্বাৰাই হেলেকুলেক হবৰ আগন্তুক দেখি লাহে লাহে জ্ঞানবাদী ব্ৰহ্মবাদীসকলৰ ওচৰত সেই বিদ্যা শিক্ষা কৰি নিজৰ সামাজিক প্ৰাধান্য আকৌ কটকটীয়া কৰি ললে ; আৰু উপনিষদক বেদান্ত বুলি বেদৰ ভিতৰুৱা কৰি, অধিকাৰভেদে কৰ্ম্মকাণ্ড আৰু জ্ঞানকাণ্ডৰ সামঞ্জস্য বিধান কৰি ললে। এই দৰেই যজ্ঞপ্ৰধান কৰ্ম্মপ্ৰধান বেদেৰে সৈতে জ্ঞানপ্ৰধান, আত্মতত্ত্ব, জীৱ ব্ৰহ্মৰ একত্ব প্ৰচাৰক উপনিষদ বেদান্তবাদী বিদ্ৰোহীসকলৰ সন্ধি স্থাপিত হল ; আৰু পিছত ব্ৰাহ্মণসকলেই এই জ্ঞানবাদীসকলৰ অগ্ৰণী আৰু শিক্ষকৰ আসন ললে। ভাৰতৰ নেতা পুৰোহিত ব্ৰাহ্মণসকলৰ, প্ৰাচীন কালৰেপৰা, এনেকুৱা compromising policy-য়েই তেওঁলোকৰ ক্ষমতা সদায় অক্ষুণ্ণ ৰাখিবৰ প্ৰধান কাৰণ। চানক্যৰ বংশধৰ ব্ৰাহ্মণসকলে যুজত হেৰুৱা ঠাইফেৰা এনে নীতিৰে সদায় ততালিকে আকৌ লব ভালকৈ জানিছিল, আৰু বাস্তৱিকতে আত্মৰক্ষা আৰু নিজৰ প্ৰাধান্য ৰক্ষাৰ নিমিত্তে সন্ধি নীতিয়েই যে শ্ৰেষ্ঠ এইটো তেওঁলোকে কেতিয়াও পাহৰা নাছিল, আৰু আজিলৈকে পাহৰাও নাই।

আদি বেদৰ কালত ঈশ্বৰৰ প্ৰাকৃতিক বিকাশৰ প্ৰতি কৃতজ্ঞতা আৰু আনন্দ বিজ্ঞাপক সৰল সহজ স্তুতি আৰু নৈবেদ্য যেনেকৈ লাহে লাহে শুকান বিপুল যাগ যজ্ঞত

পৰিণত হৈছিল, সেই দৰে উপনিষদৰ ব্ৰহ্মজ্ঞান আত্মতত্ত্বচিন্তাও কালক্ৰমত কঠোৰ তপস্যাবাদত পৰিণত হলগৈ। যাগযজ্ঞ পূজা হোম আদিৰ মূল্য কমি গৈ জ্ঞান যেতিয়া মুক্তি আৰু ঈশ্বৰ লাভৰ উপায় স্থিৰ হল, তেতিয়া প্ৰশ্ন ওলাল, এই জ্ঞান লাভৰ বাট্ কি? উত্তৰ ওলাল—তপস্যা। তেওঁলোকে ভাবিলে—চিত্তক একাগ্ৰ কৰি লৈ গভীৰ চিন্তা নকৰিলে জ্ঞান ৰাজ্যত প্ৰবেশ কৰিব নোৱাৰি। চিত্তক একাগ্ৰ কৰিবলৈ হলে শাৰিৰিক সুখচিন্তা, বিষয় জঞ্জালৰ চিন্তা ইত্যাদিক দূৰীভূত কৰি লৈ লাগিব লাগিব। শৰীৰৰ সুখ দুখৰ ভাবনাক দমন কৰি ৰাখিব নোৱাৰিলে জ্ঞান-ৰাজ্যত প্ৰবেশ কৰিবৰ নিমিত্তে চিত্তৰ একাগ্ৰতা নাথাকিব; সেইদেখি থিৰ হল যে কৰ্ম্মেন্দ্ৰিয়াদি দমন কৰি, পাৰিলে একবাৰেই ধ্বংস কৰি, গভীৰ অৰণ্য, বা নিৰ্জ্জন ঠাইত বহি তপস্যা কৰিব লাগে। এই চিন্তাৰ বঢ়াবঢ়িৰ ফল স্বৰূপে, শৰীৰক অতিৰিক্ত ক্লেশ দিয়া কঠোৰ তপস্যাৰ ব্যৱস্থা হল। এই তপস্যাবাদ ইমান দূৰ পাইছিল গৈ যে আৰ্য্যসকলৰ দেৱতাসকলকো কঠোৰ তপস্যা নিৰত বুলি তেওঁলোকৰ দ্বাৰাই অনুমিত হল। উদাহৰণ স্বৰূপে সদাশিৱৰ কঠোৰ তপস্যা, নৰ আৰু নাৰায়ণ ঋষিৰ কঠোৰ তপস্যাৰ কথা কলেই হব। প্ৰাচীন বৈদিক কালৰ আৰ্য্য-সকলৰ দেৱতাৰ প্ৰতি আনন্দ আৰু কৃতজ্ঞতাবিজ্ঞাপক স্তুতি আৰু বলি নৈবেদ্যই যেনেকৈ পিছত তাৰ আচল মৰ্ম্মবিৰহিত হৈ বিশাল যাগ যজ্ঞ আৰু বলিত পৰি (symbol) চিহ্নই প্ৰকৃত বস্তুৰ ঠাই অধিকাৰ কৰি বহিছিল, সেই দৰেই জ্ঞান লাভৰ উপায় তপস্যাই symbol-এ মুখ্য উদ্দেশ্যৰ ঠাই অধিকাৰ কৰি বহিল। means-এ end-অৰ পাটত বজা হৈ বহিল। শৰীৰক ক্লেশ দিয়া আৰু ইন্দ্ৰিয়ক কঠোৰ নিগ্ৰহ কৰা ইত্যাদিয়েই জ্ঞানৰ মুখ্য ঠাই অধিকাৰ কৰিলে। এই মত দৃঢ় হলত জীৱন দুঃখময়, জগৎ মিছা মায়া, ইত্যাদি ধাৰণাই ভাৰতৰ মানুহৰ মনত ৰবকৈ শিপাই pessimism দুঃখবাদ প্ৰচাৰ কৰিলে। এই মায়াবাদ আৰু দুঃখবাদৰ সদ্ব্যৱহাৰ যদিও নিশ্চয় আছে, তথাপি সি সৰ্ব্বসাধাৰণৰ হাতত পৰি বিপৰীত ফল প্ৰসৱ কৰিলে, আৰু ভাৰতক বিষণ্ণ ভাবাপন্ন কৰি সাংসাৰিক উন্নতিৰ চেষ্টাত বিমুখ কৰি পয়া-লগা কৰিলে।

---



# পূজনীয় ৺দত্তদেৱ গোস্বামী।

পূজনীয় গোস্বামীদেৱ আসামৰ বিখ্যাত ৺আউনীআটী সত্ৰৰ অধিকাৰ আছিল। তেখেত অকল সত্ৰাধিকাৰেই নাছিল, দেশৰো এজন ধৰ্ম্মৰ থাই ধৰণী আছিল। তেখেতৰ স্বভাৱ চৰিত্ৰ আৰু ধৰ্ম্মোপদেশ এনে সৰল আৰু জ্ঞানপূৰ্ণ আছিল যে, আসামৰ মানুহৰ কথাকে নকওঁ, বিদেশীয়েও তেখেতৰ ওচৰত নম্ৰ ভাৱে আঠু লবলৈ বাধ্য হৈছিল। গোস্বামীদেৱৰ সংস্কৃত বিদ্যাতো বিশেষ পাৰদৰ্শিতা আছিল। তেখেতৰ ওচৰত ভালেমান দেশী বিদেশী সংস্কৃতৰ পণ্ডিতে সৎ শিক্ষা লৈছিল। মহাত্মা ৺দত্তদেৱ এজন বাক্যসিদ্ধ পুৰুষ আছিল।—তেখেতৰ ওচৰত কোনো বিমুখ হোৱা নাছিল। দুখীয়া, চহকী, উচ্চ আৰু নীচ সকলোৱে সমানে তেখেতৰ ওচৰত আদৰ পাইছিল। মুঠতে, তেখেত এজন সৎ আৰু সাধু পুৰুষ আছিল। তেখেতে এইটো বেছ বুজিছিল যে শিক্ষাই মানুহৰ মনৰ এন্ধাৰ ঢাকনি আঁতৰাই জ্ঞানৰ পোহৰ দিয়ে। আৰু সেই উদ্দেশ্যে তেখেতে সকলোকে শিক্ষিত হবলৈ উৎসাহ দিছিল; আৰু সেই বাবে আসামৰ শিক্ষা বিভাগত কিছু টকা দান কৰে, সেই টকাৰ সুতেৰে সৈতে বছৰি দুটা সোণৰ আৰু ৰূপৰ মেডেল দিয়া বন্দবস্ত কৰি দিয়ে। প্ৰৱেশিকা পৰীক্ষাত আসামৰ যিজন ছাত্ৰই সংস্কৃতত সকলোতকৈ বেছি নম্বৰ ৰাখিব পাৰে তেঁৱেই সোণৰটি মেডেল পায়; আৰু ৰূপৰটি মেডেলৰ কাৰণে,ব্ৰহ্মপুত্ৰ উপত্যকাৰ হাইস্কুলৰ প্ৰথম শ্ৰেণীতে ল'ৰাবিলাকক, বাছনী পৰীক্ষাৰ আগতে এখনি অসমীয়া ৰচনা লিখিবলৈ দিয়া হয়, যিজন ছাত্ৰই সকলোতকৈ ভাল ৰচনা লিখে তেওঁকে সেই ৰূপৰ মেডেলটো দিয়া হয়। ছাত্ৰমণ্ডলৰ ভিতৰত ইয়াৰপৰা এটি মহৎ ফল উপাৰ্জ্জন হোৱা দেখা যায়। তেতিয়াৰপৰা প্ৰায় সকলোবিলাক ছাত্ৰই সেই মেডেল পাবৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰি পঢ়া শুনা কৰে।

জিতেন্দ্ৰিয় গোস্বামীদেৱ সদায় সহাস্যবদন। তেখেতৰ মুখত খং বা বিষাদৰ ছাঁ দেখা অতি বিৰল। তেখেত এজন অতিথি-পৰায়ণ আৰু ধৰ্ম্মনিষ্ঠ লোক আছিল। যি এবাৰ তেখেতৰ লগত সৎ আলাপ কৰিবলৈ পাইছিল, তেওঁ দুনাই তেখেতৰ ওচৰলৈ নোযোৱাকৈ কেতিয়াও থাকিব নোৱাৰিছিল। তেখেতৰ গুণত আসামৰ চিফ্-কমিশ্যনাৰকে আদি কৰি সামান্য মিৰি এটালৈকে সকলো মুগ্ধ আছিল। মুঠতে, তেখেতৰ গুণ আৰু চৰিত্ৰ সকলোৱে আহি আছিল।

পৰিণত হৈছিল, সেই দৰে উপনিষদৰ ব্ৰহ্মজ্ঞান আত্মতত্ত্বচিন্তাও কালক্ৰমত কঠোৰ তপস্যাবাদত পৰিণত হলগৈ। যাগযজ্ঞ পূজা হোম আদিৰ মূল্য কমি গৈ জ্ঞান যেতিয়া মুক্তি আৰু ঈশ্বৰ লাভৰ উপায় স্থিৰ হল, তেতিয়া প্ৰশ্ন ওলাল, এই জ্ঞান লাভৰ বাট কি? উত্তৰ ওলাল—তপস্যা। তেওঁলোকে ভাবিলে—চিত্তক একাগ্ৰ কৰি লৈ গভীৰ চিন্তা নকৰিলে জ্ঞান ৰাজ্যত প্ৰবেশ কৰিব নোৱাৰি। চিত্তক একাগ্ৰ কৰিবলৈ হলে শাৰিৰিক সুখচিন্তা, বিষয় জঞ্জালৰ চিন্তা ইত্যাদিক দূৰীভূত কৰি লৈ লাগিব লাগিব। শৰীৰৰ সুখ দুখৰ ভাবনাক দমন কৰি ৰাখিব নোৱাৰিলে জ্ঞান-ৰাজ্যত প্ৰবেশ কৰিবৰ নিমিত্তে চিত্তৰ একাগ্ৰতা নাথাকিব; সেইদেখি থিৰ হল যে কৰ্ম্মেন্দ্ৰিয়াদি দমন কৰি, পাৰিলে একেবাৰেই ধ্বংস কৰি, গভীৰ অৰণ্য, বা নিৰ্জ্জন ঠাইত বহি তপস্যা কৰিব লাগে। এই চিন্তাৰ বঢ়াবঢ়িৰ ফল স্বৰূপে, শৰীৰক অতিৰিক্ত ক্লেশ দিয়া কঠোৰ তপস্যাৰ ব্যৱস্থা হল। এই তপস্যাবাদ ইমান দূৰ পাইছিল গৈ যে আৰ্য্যসকলৰ দেৱতাসকলকো কঠোৰ তপস্যা নিৰত বুলি তেওঁলোকৰ দ্বাৰাই অনুমিত হল। উদাহৰণ স্বৰূপে সদাশিৱৰ কঠোৰ তপস্যা, নৰ আৰু নাৰায়ণ ঋষিৰ কঠোৰ তপস্যাৰ কথা কলেই হব। প্ৰাচীন বৈদিক কালৰ আৰ্য্য-সকলৰ দেৱতাৰ প্ৰতি আনন্দ আৰু কৃতজ্ঞতাবিজ্ঞাপক স্তুতি আৰু বলি নৈবেদ্যই যেনেকৈ পিছত তাৰ আচল মৰ্ম্মবিৰহিত হৈ বিশাল যাগ যজ্ঞ আৰু বলিত পৰি (symbol) চিহ্নই প্ৰকৃত বস্তুৰ ঠাই অধিকাৰ কৰি বহিছিল, সেই দৰেই জ্ঞান লাভৰ উপায় তপস্যাই symbol-এ মুখ্য উদ্দেশ্যৰ ঠাই অধিকাৰ কৰি বহিল। means-এ end-অৰ পাটত বহা হৈ বহিল। শৰীৰক ক্লেশ দিয়া আৰু ইন্দ্ৰিয়ক কঠোৰ নিগ্ৰহ কৰা ইত্যাদিয়েই জ্ঞানৰ মুখ্য ঠাই অধিকাৰ কৰিলে। এই মত দৃঢ় হলত জীৱন দুঃখময়, জগৎ মিছা মায়া, ইত্যাদি ধাৰণাই ভাৰতৰ মানুহৰ মনত বৰকৈ শিপাই pessimism দুঃখবাদ প্ৰচাৰ কৰিলে। এই মায়াবাদ আৰু দুঃখবাদৰ সদ্ব্যৱহাৰ যদিও নিশ্চয় আছে, তথাপি সি সৰ্ব্বসাধাৰণৰ হাতত পৰি বিপৰীত ফল প্ৰসৱ কৰিলে, আৰু ভাৰতক বিষন্ন ভাবাপন্ন কৰি সাংসাৰিক উন্নতিৰ চেষ্টাত বিমুখ কৰি পয়া-লগা কৰিলে।

---



# পূজনীয় ৺দত্তদেৱ গোস্বামী।

পূজনীয় গোস্বামীদেৱ আসামৰ বিখ্যাত ৺আউনীআটী সত্ৰৰ অধিকাৰ আছিল। তেখেত অকল সত্ৰাধিকাৰেই নাছিল, দেশৰো এজন ধৰ্ম্মৰ থাই ধৰণী আছিল। তেখেতৰ স্বভাৱ চৰিত্ৰ আৰু ধৰ্ম্মোপদেশ এনে সৰল আৰু জ্ঞানপূৰ্ণ আছিল যে, আসামৰ মানুহৰ কথাকে নকওঁ, বিদেশীয়েও তেখেতৰ ওচৰত সৰল ভাৱে আঁঠু লবলৈ বাধ্য হৈছিল। গোস্বামীদেৱৰ সংস্কৃত বিদ্যাতো বিশেষ পাৰদৰ্শিতা আছিল। তেখেতৰ ওচৰত ভালেমান দেশী বিদেশী সংস্কৃতৰ পণ্ডিতে সজ শিক্ষা লৈছিল। মহাত্মা ৺দত্তদেৱ এজন বাক্যসিদ্ধ পুৰুষ আছিল।—তেখেতৰ ওচৰত কোনো বিমুখ হোৱা নাছিল। দুখীয়া, চহকী, উচ্চ আৰু নীচ সকলোৱে সমানে তেখেতৰ ওচৰত আদৰ পাইছিল। মুঠতে, তেখেত এজন সৎ আৰু সাধু পুৰুষ আছিল। তেখেতে এইটো বেছ বুজিছিল যে শিক্ষাই মানুহৰ মনৰ এন্ধাৰ ঢাকনি আঁতৰাই জ্ঞানৰ পোহৰ দিয়ে। আৰু সেই উদ্দেশ্যে তেখেতে সকলোকে শিক্ষিত হবলৈ উৎসাহ দিছিল; আৰু সেই বাবে আসামৰ শিক্ষা বিভাগত কিছু টকা দান কৰে, সেই টকাৰ সুতেৰে সৈতে বছৰি দুটা সোণৰ আৰু ৰূপৰ মেডেল দিয়া বন্দবস্ত কৰি দিয়ে। প্ৰবেশিকা পৰীক্ষাত আসামৰ যিজন ছাত্ৰই সংস্কৃতত সকলোতকৈ বেছি নম্বৰ ৰাখিব পাৰে তেৱেঁই সোণৰটি মেডেল পায়; আৰু ৰূপৰটি মেডেলৰ কাৰণে,ব্ৰহ্মপুত্ৰ উপত্যকাৰ হাইস্কুলৰ প্ৰথম শ্ৰেণীত ল'ৰাবিলাকক, বাছনী পৰীক্ষাৰ আগতে এখনি অসমীয়া ৰচনা লিখিবলৈ দিয়া হয়, যিজন ছাত্ৰই সকলোতকৈ ভাল ৰচনা লিখে তেওঁকে সেই ৰূপৰ মেডেলটো দিয়া হয়। ছাত্ৰমণ্ডলৰ ভিতৰত ইয়াৰপৰা এটি মহৎ ফল উপাৰ্জ্জন হোৱা দেখা যায়। তেতিয়াৰপৰা প্ৰায় সকলোবিলাক ছাত্ৰই সেই মেডেল পাবৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰি পঢ়া শুনা কৰে।

জিতেন্দ্ৰিয় গোস্বামীদেৱ সদায় সহাস্যবদন। তেখেতৰ মুখত খং বা বিষাদৰ ছাঁ দেখা অতি বিৰল। তেখেত এজন অতিথি-পৰায়ণ আৰু ধৰ্ম্মনিষ্ঠ লোক আছিল। যি এবাৰ তেখেতৰ লগত সঙ্গ আলাপ কৰিবলৈ পাইছিল, তেওঁ দুনাই তেখেতৰ ওচৰলৈ নোযোৱাকৈ কেতিয়াও থাকিব নোৱাৰিছিল। তেখেতৰ গুণত আসামৰ চিফ-কমিশ্যনাৰকে আদি কৰি সামান্য মিৰি এটালৈকে সকলো মুগ্ধ আছিল। মুঠতে, তেখেতৰ গুণ আৰু চৰিত্ৰ সকলোৰে আৰ্হি আছিল।

৺আউনীআটী সত্ৰ আসামৰ চাৰিসত্ৰৰ এখনি। এই সত্ৰ ৺কুকুৰাবাহী সত্ৰৰ ৺নিৰঞ্জন পাঠকে স্থাপন কৰা। এই সত্ৰক আহোম ৰজাই বহুত মাটি-পাম আৰু ধন সম্পত্তি দি, আসামৰ সকলো সত্ৰতকৈ চহকী কৰে। এই সত্ৰৰ শিষ্যৰ সংখ্যাও সকলোতকৈ সৰহ। আহোম ৰজায়ে ৺আউনীআটী, ৺দক্ষিণপাট, ৺গড়মূৰ, আৰু ৺কুকুৰাবাহী, এই কেইখনক চাৰি সত্ৰ নাম দি, আসামৰ সকলো সত্ৰতকৈ মান মৰ্য্যাদাৰে ৰাজচ'ৰাত উচ্চস্থান দিয়ে। সেই দৰেই অস্ত পৰিমিত চলি আহিছে। ওপৰৰ তিনিখনি সত্ৰ উদাসীন, শেহৰখনি আশ্ৰমী। ৺মাহৰা সত্ৰৰ গোঁসাই আনি ৺আউনীআটী সত্ৰত অধিকাৰ, ডেকা পাতে। ৺কুকুৰাবাহীৰ গোঁসাই আনি ৺গড়মূৰত অধিকাৰ, ডেকাঅধিকাৰ পাতে। ৺দক্ষিণপাটৰ এখনি আশ্ৰমী সত্ৰও আছে। তাৰে গোঁসাই আনি উদাসীন সত্ৰত অধিকাৰ পাতে। বৰ্ত্তমান ৺আউনীআটী সত্ৰৰ অধিকাৰ জনা ৺দক্ষিণপাটৰ আশ্ৰমী সত্ৰৰপৰা অহা। ডেকা অধিকাৰজনাহে ৺মাহৰা সত্ৰৰ। ৺আউনীআটী সত্ৰৰ ধৰ্ম্ম শিক্ষা মহাপুৰুষ ৺শঙ্কৰদেৱৰ ভাগৱতী ধৰ্ম্মৰ। ৺আউনীআটী, ৺গড়মূৰ, আৰু ৺কুকুৰাবাহী সত্ৰ স্থাপন কৰোতা মহাপুৰুষ ৺দেউগোপাল, ( মহাপুৰুষ ৺মাধৱদেৱৰ আজ্ঞা মতে। ) ৺দক্ষিণপাট সত্ৰ স্থাপন কৰোতা মহাপুৰুষ ৺দেৱদামোদৰ, ( মহাপুৰুষ ৺শঙ্কৰ দেৱৰ আজ্ঞা মতে। ) ৺দক্ষিণপাট সত্ৰৰ বাহিৰে, বাকী তিনিখনি সত্ৰৰ নিয়ম-কানোণ একেই। আৰু প্ৰত্যেকখনি সত্ৰতে চাৰি হাটী ভকত আছে। ৺দক্ষিণ-পাট সত্ৰতহে তিনি হাটী ভকত। আৰু নিয়ম কানুন অলপ সৰ, আছে বুলি শুনা যায়। ৺গড়মূৰ সত্ৰত ৺আউনীআটীৰ অধিকাৰ আহি, অধিকাৰ, ডেকা অধিকাৰৰ নিৰ্ম্মালী দিয়েহি। আৰু ৺আউনীআটী সত্ৰত, ৺গড়মূৰ সত্ৰৰ অধিকাৰ আহি, অধিকাৰ, ডেকা অধিকাৰৰ নিৰ্ম্মালী দিয়ে। কিন্তু ৺আউনীআটীৰ বৰ্ত্তমান অধিকাৰ আৰু ডেকা অধিকাৰক, ৺দক্ষিণপাট সত্ৰৰ অধিকাৰে নিৰ্ম্মালী দিয়ে। শুনা যায়, কিবা বিশেষ লেঠাত, ৺গড়মূৰ সত্ৰৰ অধিকাৰ পূজনীয় ৺যোগেশ্বৰ দেৱ গোস্বামী ৺আউনীআটীলৈ নিৰ্ম্মালী দিবলৈ যাব নোৱৰাত, ৺দক্ষিণপাটৰ অধিকাৰে নিৰ্ম্মালী দিয়ে।

৺আউনীআটী সত্ৰত, পূৰ্ব্বাপৰ চলিত ৰীতি মতে ৺কুশদেৱ গোস্বামী অধিকাৰ স্বৰ্গী হোৱাত, ১৭৬০ শকত ৺দত্তদেৱ গোস্বামী অধিকাৰ হয়। এখেতৰ লগতে ৺ধৰ্ম্মেশ্বৰদেৱ গোস্বামীয়ে ডেকা অধিকাৰৰ নিৰ্ম্মালী পায়। এখেতে ৬৬ বছৰ ৺আউনীআটী সত্ৰৰ ধৰ্ম্ম-গদিত বহি, শিষ্য সকলক ভাগৱতী ধৰ্ম্ম শিক্ষা দি, পুত্ৰৰূপে পালন কৰি, আৰু অথিতি, ফকিৰ, বিপ্ৰ, দৰিদ্ৰ, আতুৰক পিতৃৰূপে স্নেহ কৰি, ১৮২৬ শকৰ জেঠ মাহত, ইহলোকে পৰিত্যাগ কৰি, অমৰলোকলৈ প্ৰস্থান কৰিলে।



১৭৪০ শকৰ মাঘ মাহৰ শ্ৰীপঞ্চমী তিথিত, ৺মাহৰা সত্ৰৰ অধিকাৰ গোস্বামী ৺বাসুদেৱৰ ঔৰসত, ৺শ্ৰী কালিন্দ্ৰী দেৱীৰ গৰ্ভত, ৺দত্তদেৱ গোস্বামী প্ৰভুৰ জন্ম হয়। সেই সময়ত আসাম স্বাধীন হিন্দুৰজাৰ ৰাজ্য আছিল। স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহ আসামৰ সিংহাসনত আছিল। ১৭৪৪ শকৰ ফাগুন মাহত, কোনো ডেকা অধিকাৰ নোহোৱাৰ বাবে, সেই সময়ৰ ৺আউনীআটী সত্ৰৰ অধিকাৰে ৺দত্তদেৱক ৺মাহৰাসত্ৰৰপৰা আনি, ১৭৪৫ শকৰ মাঘ মাহত, পুত্ৰেষ্টি যজ্ঞ কৰি, স্বগোত্ৰলৈ তুলি, তেখেতক ডেকা অধিকাৰৰ নিৰ্ম্মালী দিয়ে। আৰু ১৭৪৬ শকৰ ফাগুন মাহত তেখেতৰ সহোদৰ ভ্ৰাতৃ ৺ধৰ্ম্মেশ্বৰদেৱক ৺আউনীআটী সত্ৰলৈ আনি, পুত্ৰেষ্টি যজ্ঞ কৰি, স্বগোত্ৰলৈ তুলি, গোবিন্দপুৰীয়া ডেকা পদৰ নিৰ্ম্মালী দিয়ে।

১৭৬০ শকৰ বহাগ মাহৰ পূৰ্ণিমা তিথিত, গুৱাহাটীৰ বাহৰত, ৺কুশদেৱ গোস্বামীয়ে ৺দত্তদেৱক অধিকাৰ, আৰু ৺ধৰ্ম্মেশ্বৰদেৱক ডেকা অধিকাৰৰ নিৰ্ম্মালী দি, ইহলীলা সংবৰণ কৰে। তেখেতৰ—দাহস্থানত থানঘৰ এতিয়াও অশ্বক্লান্তৰ ওচৰত জিলিকি আছে।

৺দত্তদেৱ গোস্বামী প্ৰভুৱে, ৺আউনীআটী সত্ৰৰ ধৰ্ম্ম-গদিত বহি, শিষ্যসকলক দিনে ৰাতিয়ে মুক্ত পৰামৰ্শ দি, সত্ৰৰ সকলো সুব্যৱস্থা কৰি, দেশী বিদেশী সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হৈ, সাধু জীৱন অতিবাহিত কৰিবলৈ ধৰিলে। তেখেতৰ প্ৰিয়পাত্ৰ পুত্ৰ স্বৰূপ শিষ্যসকলে, ১৮১০ শকৰ বহাগ মাহৰ পূৰ্ণিমা তিথিত, নগৰ আৰু প্ৰত্যেক গাঁৱৰ নামঘৰত, দেশী বিদেশী সকলোকে নিমন্ত্ৰণ কৰি, দৰিদ্ৰ ভিক্ষাৰীক এটি চাউল সিধা আৰু চৰতীয়া এটিয়ে, বস্ত্ৰ এখনীয়ে দান দি, পূজা, হোম, নাম, কীৰ্ত্তন আদি সমাৰোহেৰে শেষ কৰি, একোখনি বন্দনা-পত্ৰ সকলো ঠাইৰেপৰা ৺দত্তদেৱ অধিকাৰ প্ৰভুলৈ পঠিয়াইছিল। তাৰ বিনিময়ে, ৺দত্তদেৱ অধিকাৰ প্ৰভুৱে, ভকতৰ হাতত, আশীৰ-পত্ৰ আৰু নিৰ্ম্মালী দি সকলো ঠাইৰে শিষ্যবৰ্গলৈ পঠিয়াইছিল। পুনৰ ১৮২০ শকৰ বহাগ মাহত, ৺দত্তদেৱৰ অধিকাৰ হোৱা ৬০ বছৰ পূৰ হ'লত, ১৮১০ শকৰ দৰে, সকলো ঠাইতে সমাৰোহেৰে নাম কীৰ্ত্তন কৰা হৈছিল। সকলো ঠাইতকৈ জোৰহাট নগৰৰ উৎসৱেই ডাঙৰ হৈছিল। জোৰহাটত

ৰাতি, ৺কমলাবাৰী সত্ৰ, আৰু ৺লেটুগ্ৰাম সত্ৰৰ ভকতে আহি ভাৱনা কৰিছিল। সেই ভাবনাত, দেশী বিদেশী আদি বহুত ভদ্ৰলোক, আৰু জিলাৰ ডেপুটি আৰু এচিচ্টেণ্ট কমিশ্যনাৰ উপস্থিত হৈ সভা শুৱনী কৰিছিল।

৺দত্তদেৱ গোস্বামীয়ে, ৺মাহৰাসত্ৰৰ ভতিজাক ৺উৰুক্ৰমদেৱক, ৺আউনী আটীলৈ আনি, পুত্ৰেষ্টি যজ্ঞ কৰি স্বগোত্ৰলৈ তুমি গোবিন্দপুৰীয়া ডেকাৰ নিৰ্ম্মালী দিয়ে। ১৮০৭ শকৰ ফাগুন মাহত, যেতিয়া তীৰ্থলৈ যাওঁ বুলি, সত্ৰৰপৰা ওলায় আহি, ব্ৰহ্মপুত্ৰৰ বালিত, ৺ধৰ্ম্মেশ্বৰদেৱে নৰতনু এৰে, তেতিয়া, তেখেতৰ ডেকা অধিকাৰৰ নিৰ্ম্মালী ৺উৰুক্ৰম দেৱক দিয়ে। এখেতেই শ্ৰীশ্ৰীযুক্ত লীলাকান্তদেৱক ৺মাহৰা সত্ৰৰপৰা আনি, স্বগোত্ৰলৈ তুলি পুত্ৰৰূপে ৰাখিছিল। এখেত, ৺দত্ত দেৱৰ সম্বন্ধত নাতিয়েক হয়। ১৮২০ শকৰ ভাদ মাহত ৺উৰুক্ৰমদেৱে ইহলীলা সম্বৰণ কৰে। তেখেতৰ অন্ত্যেষ্টি কৰ্ম্ম শ্ৰীশ্ৰীযুক্ত লীলাকান্তদেৱে কৰিলে। এখেত এতিয়া বৰ্ত্তমান ৺আউনীআটী সত্ৰৰ ডেকা অধিকাৰ।

১৮০২ শকত যেতিয়া ৺দত্তদেৱ গোস্বামী ৺দক্ষিণপাট সত্ৰলৈ যায়, ৺দক্ষিণ পাট আশ্ৰমী সত্ৰৰ ৺কেশৱদেৱে তেখেতৰ পুত্ৰ শ্ৰীশ্ৰীযুক্ত কমলদেৱক আনি দিছিল হি। তেতিয়া ৺দত্তদেৱে, তেখেতৰ বয়স নিচেই কোমল বুলি এৰি থৈ আহে। ইয়াৰ কিছুদিনৰ পাছত, শ্ৰীশ্ৰীযুক্ত কমলদেৱে নিজে আহি আউনীআটী সত্ৰত উপস্থিত হ'ল হি। দয়ালু ৺দত্তদেৱে তেখেতক গোবিন্দপুৰীয়া নিৰ্ম্মালী দি সত্ৰতে ৰাখে। ইয়াৰ কিছুদিনৰ পাছত, ৺উৰুক্ৰম দেৱৰ মৃত্যু হোৱাত, শ্ৰীশ্ৰীযুক্ত কমল-দেৱক ডেকা অধিকাৰৰ নিৰ্ম্মালী দিয়া হয়। ইয়াৰ অলপদিনৰ আগেয়ে শ্ৰীশ্ৰীযুক্ত লীলাকান্তদেৱক গোবিন্দপুৰীয়া ডেকাৰ নিৰ্ম্মালী দিয়া হয়।

৺দত্তদেৱ গোস্বামীয়ে, তেখেতৰ সুদীৰ্ঘ অধিকাৰী পদত, দেশৰ আৰু সত্ৰৰ ভালেমান আহি ল'ৰ লগীয়া কাম কৰে। এখেতে আসামৰ প্ৰাচীন কবিসকলৰ অমূল্য গ্ৰন্থবিলাক, পইতাচোৰা আৰু উইঁপৰুৱাৰ মুখৰপৰা সকৰাই ৰাখিবৰ অভিপ্ৰায়ে, ৺আউনীআটীত এখনি "ধৰ্ম্ম প্ৰকাশ প্ৰেছ" খুলি, বহুত সাঁচিপতীয়া পুথি ছপা কৰাই সৰ্ব্বসাধাৰণে পঢ়িবলৈ সুচল কৰি দিয়ে। আৰু সেই প্ৰেছৰ পৰাই "আসাম বিলাসিনী" নামে এখনি সাদিনীয়া বাতৰি কাকত চলায়। কিন্তু কিছুদিনৰ পাছত, কাকতখনি সদৌ অসমীয়া ৰাজ্যৰ অনুগ্ৰহত বন্ধ হয়।—আজি দুবছৰ মান হৈছে, জোৰহাটৰ এজনে "ধৰ্ম্ম প্ৰকাশ প্ৰেছ" খনি কিনি আনি



তৰাজানত বহুৱাইছেহি। আৰু তাৰপৰা আকৌ "আসাম বিলাসিনী" কাকত খনি উলিয়াইছিল। আকৌ আমাৰ অসমীয়াৰ কৃপাত কাকতখনি মৰিল হবলা।

৺দত্তদেৱ ৺আউনীআটীত অধিকাৰ হৈ থাকোতে, ৺গড়মূৰ সত্ৰত মহাত্মা ৺ভদ্ৰকৃষ্ণদেৱক, আৰু ৺যোগেশ্বৰদেৱক; ৺দক্ষিণপাট সত্ৰত ৺মুভদেৱক আৰু শ্ৰীশ্ৰীযুক্ত নৱদেৱক; ৺কুৰুৱাবাহী সত্ৰত শ্ৰীশ্ৰীযুক্ত শ্ৰীকান্তদেৱক, আৰু ৺দিফলু সত্ৰত ৺কুণ্ডনাথচন্দ্ৰদেৱক; মুঠতে ৪ খনি সত্ৰত, ৬ জনা গোস্বামীক অধিকাৰৰ নিৰ্ম্মালী দিয়ে।—এখেতে, নিজৰ বদান্যতা, সৰলতা, পাণ্ডিত্য আৰু উদাৰতা গুণত সকলোৰে অকৃত্ৰিম শ্ৰদ্ধা পাইছিল। অইন কি ইংৰাজসকলেও এখেতক মান আৰু শ্ৰদ্ধা কৰিছিল। এখেতৰ মৃত্যুত আসামৰ চিফ্ কমিশ্যনাৰ স্তাৰ বেমফিল্ড ফুলাৰে, ( পাছত লেফ্‌টেনেণ্ট গবৰ্ণৰ ) ১৯০৪ খ্ৰী: ৪ জুনৰ আসাম গেজেটৰ প্ৰথম পাততে শোক প্ৰকাশ কৰি, সেই উপলক্ষে, শিৱসাগৰ জিলাৰ কাছাৰি বন্ধ দিছিল। এখেতৰ নিচিনা জিতেন্দ্ৰিয়, দয়ালু, আদৰ্শ গুৰু আসামত এতিয়া কেই জনা আছে ?

৺দত্তদেৱ গোস্বামী বাস্তবিকতে এজন যোগী পুৰুষ আছিল। এখেতে মৃত্যুৰ দুদিনৰ আগেয়ে, পূৰ্ণিমা তিথি কেতিয়া কাহানি মিলিছে সুধি, তেতিয়াই আমাৰ সময় বুলি, তেখেতৰ কাজ-কৰ্ম্মৰ সকলো দিহাপোহা দি, শ্ৰীশ্ৰীযুক্ত কমলদেৱক আৰু শ্ৰীশ্ৰীযুক্ত লীলাকান্তদেৱক অধিকাৰ আৰু ডেকা অধিকাৰৰ নিৰ্ম্মালী দি, তিনি কুৰি ছয় বছৰ অধিকাৰ পদত থাকি, ১৮২৬ শকৰ ( ইং ১৯০৪ খ্ৰী: ) ১৬ জেঠত ৰবিবাৰে ১১ বাজি যোৱাত,—সামান্য জ্বৰত, নৰতনু এৰি বৈকুণ্ঠ প্ৰয়াণ কৰিলে। এখেতৰ কাজ কৰ্ম্মত দেশী, বিদেশী সকলো জাতিৰ মানুহেৰে, ব্ৰহ্মপুত্ৰৰপৰা সত্ৰলৈকে ঠাহ খাই পৰিছিল। ৺দত্তদেৱৰ কাজ কৰ্ম্মৰ লগতে, তেখেতৰ অতুল কীৰ্ত্তিৰ বাহিৰে, সকলোবিলাক কালৰ গৰ্ভত লয় পালে। (১)

শ্ৰীনকুলচন্দ্ৰ ভূঞা।

(১) ৺দত্তদেৱৰ মৃত্যু সময় আৰু কাম কৰ্ম্মৰ বিষয়ে, জোৰহাটৰ শ্ৰীযুক্ত বাদবাম পাউন্দে, বাহুল্যৰূপে বৰ্ণাই "৺দত্তদেৱ চৰিত" নামে এখনি কিতাপ লিখিছে। ন, চ, ভূ,

# দিল্লীত দিনদিয়েক।

দিল্লী ভাৰতৰ ৰাজধানী, পঞ্জাব প্ৰদেশৰ অন্তৰ্গত, যমুনা নৈৰ পাৰত। দিল্লী আনাৰ ৰাজপ্ৰতিনিধি গৱৰ্ণৰ জেনেৰেলৰ বাসস্থান। ভাৰতৰ ব্যৱস্থাপক সভা তাৰ আৰু ছহ অনুসৰি দিল্লী আৰু চিমলাত বহে। সেই সভাৰ প্ৰথম অসমীয়া মেম্বৰ অনৰেবল শ্ৰীযুত ঘনশ্যাম বৰুৱা ৰায় বাহাদুৰ। শ্ৰদ্ধেয় ৰায় বাহাদুৰ ডাঙৰীয়াৰ অনুগ্ৰহত ভাৰতৰ পুৰণি আৰু ন ৰাজধানী দেখা হল।

ঘৰৰপৰা ৰাতি ওলাই শেহ ৰাতি গোলাঘাট পোৱাকৈ যাওনে-নাযাও এয়ে মনৰ প্ৰথম ভাব। বিশেষ নাভাবি, থাইৰে আনগুৰি ষ্টেছনলৈ ওলালোঁ। ষ্টেছন নো পাওঁতেই ৰেল পালেহি। ভাচিবিস্তি চালোঁ,—ষ্টেছনত মুখ দেখুৱাই সেমেনা-সেমেনি কৰি মিছাতে যাত্ৰাভঙ্গ নকৰোঁ। ঘৰলৈ বুৰি যোৱা ভাব আগৰেপৰা নাই। ওচৰতে আলহী হৈ পাছ দিনাৰ ৰেললৈ থাপ দিলোঁ। গতিকে পিছদিনা ৰেল অহাৰ আগতে ষ্টেছনত উপস্থিত হলোঁ। টিকত কিনি টকচালি কৰি এজনৰ লগত তামোল খাই ৰাৰভচহ কথা পাতি থাকোঁতেই ৰেলৰ উকি শুনা গল। আমি সাজু হলোঁ। ৰেল ৰলহি, ঠাই খালিও হল, পূৰো হল, কেনি কম-বেচ হল তাকহে কব নোৱাৰোঁ। ৰেল গল, আমাকো নিলে। যিটো কোঠাত গৈছিলোঁ তাৰ আটাই-খিনি যাত্ৰী মৰিয়নিত নামিল, তাত আকৌ তিনি জন মাথোন নতুন যাত্ৰী উঠিল। আটাইকেজন অসমীয়া, এজন মাথোন অলপ বয়সীয়া, বাকী দুজন চকল ডেকা। কেইবাজনো অচিনাকি জাতিভাই লগ হলোঁ। পৰস্পৰে তং কৰি চোৱা হল। অলপ পাছতহে আলাপৰ আৰম্ভন। মই এজনক কেতিয়াবা কৰবাত পৰে যেন হে দেখিছিলোঁ। তেওঁৰ কথা-বতৰাবিলাকো সুবিধা যেন নেলাগিছিল। তেওঁৰ মুখৰপৰা ওলোৱা বাস আৰু গাৰ অৱস্থাৰপৰা বেছ বুজিব পৰা হল, তেওঁৰ স্বভাৱ। তিতাবৰত আনৰ কোঠাত এটা কুলী-লৰা উঠিল, তাৰ কথা লৈয়ে ভালেমান কথা ওলাইছিল।

এজনে গোটেইদিয়েক ব্যঙ্গ অসমীয়া গান গাইছিল; ৰাঁচী চাওতাল, মিথিলা আদি ঠাইৰো ৰেলেগ সুৰৰ নমুনা শুনাইছিল।

সাঁজ লাগোতেই ফৰকাটিঙত ৰেল ওলাল গৈ। লগত নিয়া বাকচটো ওচৰৰে কেঞাদোকান এখনত থলোঁ। গা ধোৱাই গোলাঘাটলৈ ওলালোঁ।



চিনাকি মানুহ লগ পোৱা নাই, অকলেই গৈ আছোঁ। অলপ যাওঁতেই দুজনৰ মহা-ব্যাঘ্ৰী তৰ্কত পৰিলোঁ, তৰ্ক তাকৰ বা তৰাং নহয়, ধৰ্ম্মৰ বিষয় লৈ দুয়ো নিজ নিজ প্ৰাধান্য দেখুৱাইছিল। এজন হিন্দু, তেওঁ হিন্দুস্থানী; ইজনহে অসমীয়া খৃষ্টান। যুক্তি, প্ৰমাণ আৰু নিয়মৰ কথা দুয়ো ভালেখিনি দেখুৱাইছিল আৰু কৈছিল। অনেক সময়ত তেওঁলোকে মোক মত সমৰ্থন কৰিবলৈ কৈছিল। সুখৰ কথা তৰ্কত তক্ৰাৰ নহৈ বাটহে টুটিল। কথাত কাণ দি যাওঁতেই চাৰি মাইল বাট চুকাল। নগৰ পাওঁতেই মই তেওঁলোকৰ লগ এৰিলোঁ। ফালেঙ্গিকাটি শ্ৰদ্ধেয় অনাৰেবল বৰুৱাৰ ঘৰলৈ গলোঁ, বাটতে এটা মানুহে কলে "উকীল ঘৰত নাই, কালিয়েই গল। একেবাৰে দিল্লী পাবগৈ, লাট চাহাবৰ সভালৈ গৈছে।"

মই বিচুৰ্ত্তি হলোঁ, ভাবিলোঁ কথাটো কি? তেখেত গল বুলি মনে ধৰা নাই; অথচ মানুহটোৰ কথাও দলিয়াই পেলাব পৰা নাই। ফেঁচাটো যেন হৈ বিষণ্ণ মনেৰে ইয়াৰপৰাই উলটিব লাগিবনে কি বুলি মনত একোবাৰ প্ৰশ্নও উঠিছিল। পুৱা পামগৈ বুলি লিখি ৰাতিয়েই পাইছোঁহি এইটোৱেই মোৰ ভুলনে কি? আকৌ চাইছোঁ, কালিয়েই গল যদি আজি পুৱা আৰু গধূলি অহাৰ ফল একেটাই। বিবেকে কলে "ইমানকৈ ভাবিব লাগিছেনে? নিৰাশ হব নালাগে। তেখেতৰ ঘৰ পালেই সেখোন সকলো কথা ওলাই পৰিব।" কি সমস্যা চাবৰ নিমিত্তে উৎকণ্ঠিত হলোঁ। অনাৰেবল বৰুৱাৰ ঘৰত উপস্থিত হলোঁ। ঘৰ সোমায়ে তেখেত নাই যেন মনে ধৰিলে। অলপ পলমে জানিলোঁও, বাটত মানুহটোৱে একোকে বিহক কথা কোৱা নাই। বেচেৰাই এটা কথাৰ মাথোন ভু নোপোৱাকৈ আছিল। সেইটো এই:— তেখেত আগদিনাই যোৱা সঁচা; কিন্তু তেখেত আগদিনাই ওলাই যোৱাগৈ নাই, মাল বস্তুৰে সৈতে আমাক সুবিধা মতে যাবলৈ কৈ তেখেত তেখেতৰ বাগিচাত ৰৈছিল গৈ। কথাৰ পাক তেতিয়াহে মুকলি হল।

থাইৰে নিচিন্ত মনেৰে ৰাতিটো কটোৱা হল। ৰাতি পুৱাল। তেখেতৰ ঘৰত আলমাৰিত বাহ লৈ থকা মৌমাখিবিলাক গুণগুণাই কামলৈ ওলাল। নানা ভাৱ নানান কথাত সময় গল। তিনিপৰীয়া ভাগত চাহপানী টোকাচেৰেক খাই অকলৈ ষ্টেছনলৈ খোজ ললোঁ। আমি এটাই কেউজন একেটা ষ্টেছনতে উঠাৰ সুবিধা নহল। আগদিন এৰিথৈ যোৱা বাকচটোৰ বাবে মই তেখেতসকলতকৈ এটা ষ্টেছন উজাব লগা হলোঁ।

সেই দিনা ফৰকাটিং ষ্টেছনত ভালেমান মানুহ গোটখাইছিল। অসমীয়া, বঙ্গালী, ইংৰাজ, নেপালী, মাৰোৱাৰী ; আৰু বা কি আছিল ? গোটাদিয়েক নগাও আছিল। দেশ অনুযায়ী যেনে ভাগ অৱস্থা আৰু বয়সতো সকলো প্ৰকাৰৰ আছিল, বুঢ়া বুঢ়ী ডেকা গাভৰু, লৰা ছোৱালী, নগৰীয়া, চহৰীয়া, শিক্ষিত অশিক্ষিত অনেক। অসমীয়া জাতিটোৰ আভাস পাব পৰা হৈছিল।

লাহে লাহে বেলি ডুবি আহিল। ফি-ফি-কৰে বতাহ বলিলে। হঠাৎ ষ্টেছনৰ অধিকাংশ মানুহৰ মুখত হাঁহি উপস্থিত। কাপোৰ লওঁতে হোগা বুঢ়া এজনক বতাহে বৰ দুৰ্গতি কৰিছিল। বুঢ়াই ঘূৰিপকি থপ্ থপ্ লগোৱাত বতাহ চল পাইছিল আৰু হাঁহিও স্বভাৱতে ওলাইছিল।

দুজাতিৰ দুটা সৰু লৰা ষ্টেছনৰ বাৰান্দাত থিয়হৈ আছিল। সৰুটোৱে ডাঙৰ-টোক চকু চেলাই খেদি গৈছিল। ইটোৱে মেহেঙ্গামেহেং কৰি লৰ দিলে। দেখিলোঁ সি মাকৰ কোলাত উঠি চকু ঢুলঢুলীয়া কৰিছিল। ভেদেঙ্গাটি আমাৰ জাতিভাই অসমীয়া, ইটি সাহসী ইংৰাজ বালক। সি মূলা বাঢ়িব তাৰ দুপাততে চিন বুলি কয়। সিংহৰ পোৱালিৰ সাহ আৰু পৰাক্ৰমেই সুকীয়া।

মুগাৰ বিহা মেখেলা পিন্ধা, গাত গুটি বুলুৱা খনিয়া কাপোৰ লোৱা, হাতত খাৰু, কাণত কেৰু, ডিঙিত মণি পিন্ধা, মূৰত সৰুদৈয়া জাপি আৰু কোচত কেচুৱা লৰা থকা মানুহ এগৰাকীক মেম এগৰাকীয়ে বৰকৈ নিৰীক্ষণ কৰিছিল। ডাঙৰ টোপোলা এটা দুটা মানুহে থৰথৰকৈ নিওঁতে কানিপাণৰ সজুলি হেতা চালনী সৰি সৰি বাইজক গা দেখা দিছিল।

চাওঁতে চাওঁতে ৰেল পালেহি। এটা কোঠাত ঘপ্ কৰে উঠি পৰিলোঁ। ৰেলত উঠি সুবিধা মতে ঠাই পায়ো ঠিক লাগি বহিবলৈ নহল। পাছৰ ষ্টেছনত তেখেত-সকলক লগ পাবলৈ ব্যগ্ৰ হৈ ৰলোঁ! কবলৈ গলে মোৰ দিল্লী যাত্ৰা ওৱাটিঙত হে নিগাজি হয়। দিল্লীলৈ যোৱা আমি চাৰিজন। অনবেৰল বৰুৱা, এজন অফিচৰ, এটা চাপ্ৰাচি, ইটি স্বয়ং। মধ্যম শ্ৰেণীৰে দৈতে ৰেলতো চাইটা শ্ৰেণী। আমাৰ চাৰিজনৰ তিনি শ্ৰেণীতে যোৱাৰ টিকত। অফিচৰজনৰ ওপৰ-শ্ৰেণীৰ টিকত যদিও, অনেক সময়ত তেওঁ আমি দুটাৰ লগত তৃতীয় শ্ৰেণীত ৰং ধেমালি কৰি গৈছিল।



কহিমাৰপৰা অহা ভালেমান মিলিটৰী চিপাহীৰে ডিমাপুৰ ষ্টেছন তৰপুৰ আছিল। মাইকী আৰু লৰা ছোৱালী থকা গতিকে"ৰিজাৰ্ভ" কৰি থোৱা ঠায়ে নটা হল। গতিকে আৰু কেইটামান কোঠা বুজাৰুবিলাকৰ পো-পোৱালিলৈ উলিওৱা হল। আজৰোৱা কোঠাৰপৰা নাতবাকৈ আমি কথমপি হে ৰলোঁ। আমাৰ গুৰি শকত। তদুপৰি আমি ঠাই সলনি কৰিব লাগিলে বৰ মকিলত পৰিব লাগিব বুলি কোমল কথা কলোঁ। ঠাইখন ৰখাওঁতেহে টান যেন দেখিছিলোঁ। পাছত আমিও "ৰিজাৰ্ভ ক্লাচৰ" লাটতে সুবিধাহে পালোঁ। মোটতে গুৱাহাটীলৈকে আমাৰ কোঠাত পাঁচজনতকৈ সৰহ যাত্ৰী হোৱা নাছিল।

ডাকগাড়ী নোহোৱা বাবেনে কি কব নোৱাৰোঁ, লামডিঙতো মানুহৰ সমাগম বৰ বেছি দেখা নগল। বস্তুও বেছিকৈ ওলোৱা নাছিল। গাখীৰ বিচাৰ কৰিও পোৱা নহল।

পাছদিনা পুৱা দহ বজাত ৰেলে গুৱাহাটী উলিয়ালেগৈ। ষ্টেছনতে মাল-বস্তু-বিলাক সুবিধা লগাই থোৱা হল। ইয়াৰ পাচত মাস্তৰৰ শ্ৰীযুক্ত সত্যনাথ বৰা বি-এল্ ডাঙৰীয়াৰ ঘৰত দুপৰীয়া সাজ খাইবৈ যাবৰ নিমিত্তে খোজ লোৱা হল। "কটন হিন্দু হোষ্টেলত" এজন বন্ধুক লগ পাই আহোঁ বুলি মই বাটতে লগ এৰা দিলোঁ।

সেইদিনা শ্ৰীপঞ্চমী সৰস্বতী পূজা। উমানন্দৰ দৰ্শন কৰি কেইবাজনো বন্ধুৰ লগে-সঙ্গে ব্ৰহ্মপুত্ৰত স্নান কৰা হল। পূজা উপলক্ষে এখাৰৰ খাই পেট চেচা লগাই ভাত খাবলৈ গলোঁ।

গৃহস্থ আৰু আলহী উভয় মহোদয়ৰ সদালাপ শুনি শুনি আনন্দ মনেৰে তৃপ্তি পলাই ভাত খোৱা হল। অলপ আলস-বিলম কৰিয়েই আকৌ ষ্টেছনলৈ ওলালোঁ।

ৰেল চলিল। কেইবা ঠাইতও সৰস্বতী পূজাৰ দৃশ্য দেখা হৈছিল। ৰেলে আমাক পাণ্ডুঘাটত এৰি দিলেগৈ। মাল বস্তু নিবলৈ কুলীয়ে হেতাওপৰা লগালেহি।

কিছুপৰৰ পাছত জাহাজে মাল মানুহ আটাইবিলাক উত্তৰ পাৰে চপালেগৈ। বৰ বৰগুণত সুবিধাকৈ থাকিব পৰা প্লেটফৰ্ম প্ৰথম পোণ্ডুঘাট ষ্টেছনত হে দেখোঁ। জাহাজৰপৰা আকৌ ৰেলত যাওঁতে সকলোৱে থৰথৰ আৰু হেচা-ঠেলা হৈছিল। আমীনগাঁও ষ্টেছনৰপৰাহে আমি কলিকতালৈ ঠিকঠাক হৈ ললোঁ। তেতিয়াহে ৰাতিটোৰ নিমিত্তে নিগাজি আৰু সুবিধাকৈ ঠাই ৰাখিবলৈ প্ৰস্তুত।

আমীনগাঁৱত ভালেখিনি যাত্ৰীৰ লগত চিনা-পৰিচয় আৰু আলাপ হয়। এটি গাৱঁৰ হোজা ডেকা গুৱাহাটীৰপৰা বঙ্গিয়ালৈ উভতি আহিছিল। তেওঁ পাণ্ডু ঘাটতে টিকত দি আহি বেবেৰিবাং লগাইছিল। হওক, একো লেঠা নোহোৱাকৈ তেওঁ নামিল।

এজন জগন্নাথৰ পাণ্ডাই নগাৱঁৰপৰা জনচেৰেক যাত্ৰী লৈছিল হি, তেওঁলোক লগ হোৱাত উভয় পক্ষৰে ভাল লাগিছিল। এজন মছলমান বেপাৰীও আমাৰ ওচৰতে আছিল। বপুৰি ভেবুৰা লাগিহে পুৱা আমীনগাওঁ পাইছিলহি। যাব লাগিছিল গোলোকগঞ্জলৈ। বেপাৰী বৰ মক্কিলত পৰিছিল। পেটত ভোক, হাতত নাছিল সম্বল। ষ্টেছন পালেই কেতিয় গোলোকগঞ্জ পোৱা হয় বুলি ঘনাই সুধি গৈছিল। কিবা লৈ খাবলৈ চবতীয়া এটা দিয়া হল। আৰু নামিবৰ হলে আমি নিশ্চয় কৈ দিম বুলি আশ্বাস দিলোঁ। তেতিয়াহে মানুহজনে অলপ ততেৰে যাবলৈ ধৰিলে।

আগ ৰাতি আমাৰ টোপনি লেটেপেট; ৰাতি হলচে জা-জলপান খাই শুবৰ নিমিত্তে দিহা কৰা হল। হাত ভৰি মেলি, কেতিয়াবা চকু মেলি কথা পাতি, কেতিয়াবা চিন্‌মিন্ কৰে টোপনিয়াই যাবলৈ ধৰিলোঁ।

এবাৰ টোপনি ভালকৈয়ে ধৰিছিল, তিস্তা জংচনত মানুহৰ কোঢ়ালত চক্‌মক্ খাই সাৰ পালোঁ। লালমণিৰ হাটত এটা ডাঙ্গৰ ঘণ্টা বজাইছিল। কামাখ্যা মন্দিৰত পইচা এটা দি যাত্ৰীক বজাবলৈ কোৱা জয়ঘণ্টালৈ মনত পৰিছিল। ৰাতি পুৱাই-পুৱাই আহোঁতেই এটা ডাঙ্গৰ জংচনত ৰেল ধীৰে ধীৰে সোমালগৈ। ষ্টেছনত ডাঙ্গৰ সৰু ওখ চাপৰ অসংখ্য চাকিয়ে ঝিক্‌মিকাইছিল। সেয়ে চান্তাহাৰ জংচন। কলিকতালৈ যাওঁতে ইয়াতে ৰেল পৰিবৰ্ত্তন কৰিব লাগে। চান্তাহাৰত যাত্ৰীৰ ধুম্‌ধাম্ চাই কুলীও যথেষ্ট আছে। এনেকুৱাবিলাক ঠাইত ঠিক্‌ঠাক্ হৈ দস্তৰ মতে সাৱধান নহলে অকল থাকি যোৱাটোৱেই নহৰ মাল-বস্ত হেৰোৱাতো সন্দেহ নাই। প্ৰবাসত লুঠুং ঠুং কৰে গা ওলাই পৰিলে গাও বৰ। ৰাতি পুৱাল, চাকি নুমাল। "ক্ৰচিং ব্ৰিজ" দি ধমাধম্ মানুহৰ সমাগম হল। কুলীয়ে আমাক মাটিয়েদি নি কলিকতালৈ যোৱা গাড়ীৰ কাষ চপালেগৈ।

কলিকতালৈ যোৱা ডাক গাড়ীত তৃতীয় শ্ৰেণীৰ গাড়ী নিচেই কম থাকে। দ্বিতীয় আৰু মধ্যম শ্ৰেণীয়েই সৰহ। কেইবা ঠাইতো খপিয়াই-জপিয়াই ঠাই নেপাই



মক্কিলতহে পৰিছিলোঁ। এটা কোঠাত হেচিঠেলি উঠিলোঁ। তাত থকা বঙ্গালী যাত্ৰীকেজনে জিংজিঙ্গাই উঠিছিল।

ৰেল এৰিবলৈ সময় বেছি নাছিল। তেতিয়াও আমি থকা তৃতীয় শ্ৰেণীৰ গাড়ী-খনৰ ওচৰত ৫ জন যাত্ৰীয়ে ঠাই নাপাই ভুমুকিয়াই ফুৰিছিল। আমাৰখন দুৱাৰ-মুখত মাল-বস্ত আৰু মানুহ ঠাহ খোৱা। তেওঁলোক বিপৰীতখন দুৱাৰ-মুখলৈ গল আৰু কোনোমতে থিয়হৈ যাবলৈকে ঠাই বিচাৰিলে। ভালেমান কাবৌ-কোকালি কৰাত দুজনে ঠাই পালে। বাকী তিনিজনক দুৱাৰ এৰি নিদিলে। তেওঁলোক সেই ৰেলত যোৱাৰ আশা এৰিব লগা হৈছিল। তেওঁলোকে কোৱামেলা কৰাত মই বুজিব পাৰিলোঁ। ভিতৰৰপৰা মগ্নো মাত লগালোঁ আৰু কোনোমতে সেই দুৱাৰমুখলৈ গলোঁ। মাতৃভাষাৰ আপোন ভাৱ ধন্য। ভিতৰৰ বঙ্গালী ভাইসকলে নিমাখিত অসীমায় তিনটিক এৰি যাবৰ উপক্ৰম কৰিছিল। ভাগ্যে তেওঁলোকে ভিতৰৰপৰা অসমীয়াটিৰ সহানুভূতি পালে।

সেই কোঠাত মানুহ যথেষ্ট হল। ৰেলৰ খোপনি লৰিল। লাহে লাহে বেগ চৰিল। ডাকগাড়ী ডাঙৰ ডাঙৰ ষ্টেছনবিলাকত হে ৰয়। চাওঁতে চাওঁতেই সৰু সৰু ষ্টেছনবিলাক পট্‌পট্ এৰি গৈছিল। ইচাৰ্দি জংচনৰপৰা অলপ গৈয়ে "হাৰ্ডিঞ্জ সাকো"। এইয়ে গঙ্গানৈৰ এখন প্ৰসিদ্ধ দলং। প্ৰায়বিলাক যাত্ৰীয়েই পতিত পাৱনী গঙ্গাক খিলিকীয়েদি জুমি চাবলৈ লাগিল। গঙ্গাৰ বুকুত থকা ডাঙৰ সৰু বোৱা-যোৱা অসংখ্য নাওবিলাক আৰু সেই পৱিত্ৰ দৃশ্যটি দেখা হল। গঙ্গাৰ পাৰৰ জোপোহা ঝাওগছবিলাকো ক্ৰমে আঁতৰ হল।

পূৰ্ব্ববঙ্গৰ গাঁও আৰু পথাৰবিলাকৰ নতুন নতুন দৃশ্য চকুত পৰিবলৈ ধৰিলে। পথাৰবিলাক আহল-বহল আৰু মুকুলি। কোনো কোনো ঠাইত সৰু বিল, জলাহ, এনেবিলাকো চকুত পৰিছিল। কেইটামান পুখৰীও দেখিলোঁ। পুখুৰী-বিলাক দীঘ-লেচাৰী আয়ত-ক্ষেত্ৰাকাৰ, ঘাটৰ খট্‌খটিবিলাক পকা। ঘৰবিলাক আৰিকুঁজা। বাৰীবিলাক আমাৰ দৰে নহয়। আমাৰ বাৰীত বাঁহ কাঠ তামোল পাণ কল কুঁহিয়াৰ আম কঠাল হৰেকৰকমৰ ফচল, লাগ বান্ধ নাই যতে যতে জধে-মধে। তাত আম লিচি নাৰিকল ভাগে ভাগে ঠায়ে ঠায়ে। আমগছবিলাক আমাৰ দৰে লেঙ্গী নহয়, জোপোহা। আমৰ তলত দু মাৰি ভাত খাব পাৰি, বন এডালিও নাই।

মুকলি পথাৰত ডবাডবে খাজুৰিগছ দেখা গৈছিল। মাটি সৰহ ভাগ চহাই থোৱা। তাকৰ অ শততে শস্য আছিল। দৃশ্যবিলাক দেখি "সন্তোৰীয়া সৰল চহাৰ বিনন্দীয়া প্ৰাণৰ পথাৰ" এই দুষাকি কথা মনত পৰিছিল। খেতিয়কবিলাকৰ ঘৰৰ নেজিবিলাকলৈকো চকু গৈছিল।

এইদৰে ইফালে সিফালে নতুন নতুন দৃশ্য চাওঁতে চাওঁতে অসংখ্য পকিঘৰ কাৰখানাঘৰ ৰমক-জমক হৈ জিলিকিবলৈ ধৰিবে। কাৰখানাবিলাকৰ এঞ্জিনৰ ধোঁৱা যাবলৈ পকা কৰি দিয়া কোপোলা স্তম্ভবিলাক আকাশ-লম্বা। আৰু সৰহ পৰ নহল। চিয়ালদহ ষ্টেছনত ৰেলে অৱসৰ ললেগৈ।

ৰেল ৰোৱা মাত্ৰকে "প্লেটফৰ্ম"ত মানুহ গুৰিপকৰাৰ মূৰৰ দৰে হল। মানুহৰ মুখৰ মাত, জোতাৰ "আৱাজ" ঘোৰাগাড়ীৰ ঘিট্‌ঘিটনি আৰু বস্তবিলাক পোলোৱা নমোৱা শব্দ আৰু দৃশ্য শুনি দেখি মই অৱাক।

হেৰিচন ৰডেদি হাওৱালৈ গলোঁ। মানুহৰ ছেদ-ভেদ নাই, অহা আহিছে, যোৱা গৈছে। ইও এক ধাৰ নিছিগা সোঁত। ঘোৰাগাড়ী, গৰুগাড়ী, মহৰগাড়ী, মতৰকাৰ, ট্ৰামগাড়ী ওৱাহোৱা। বাইচিকোলে খিলিংখালাংকৈ চিঁচিয়াৰ লাগিছে। মাল বস্তু, বজাৰ পোহাৰ, আহল-বহল পকা বাট, প্ৰকাণ্ড প্ৰকাণ্ড ৩।৪ মহলীয়া ঘৰ, "চাইনবৰ্ড" ইত্যাদিবিলাক কতনো দেখিলোঁ তাৰ সীমা সংখ্যা নাই।

আকৌ হুগলীনৈৰ দীঘল বহল দলঙ্গৰপৰা জলস্থলৰ হৰেকৰকমৰ অপূৰ্ব্ব দৃশ্য চকুত পৰিল। গৈ গৈ "কামৰূপ ভিলাত" উপস্থিত হ'লো। এইয়ে আসামৰ একমাত্ৰ খ্যাতনামা ব্যৱসায়ী মাননীয় শ্ৰীযুক্ত ভোলানাথ বৰুৱাৰ ঘৰ। অসমীয়া এজনৰ উচ্চ ধৰণৰ মনোৰম প্ৰকাণ্ড ঘৰবাৰী দেখি মনত বৰ বং লাগিল।

বঙ্গত সংসাৰী আৰু গৃহস্থী হৈও আসাম আৰু অসমীয়া ভাষাৰ প্ৰতি অকৃত্ৰিম স্নেহ শ্ৰদ্ধা ৰাখোঁতা বিখ্যাত সাহিত্যিক শ্ৰদ্ধেয় শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াও হাওৱাতে থকা এঘৰ অসমীয়া। ৰসিক কৃপাবৰ বৰবৰুৱাক আগেয়ে দেখা নাছিলোঁ।

শ্ৰীভ্ৰমৰচন্দ্ৰ শইকীয়া।

---



# খৃষ্টিয়ান আৰু মুচলমান।

অসমত ভিন ভিন ধৰ্ম্মাৱলীৰ ভিতৰত হিন্দু, মুচলমান আৰু খৃষ্টিয়ান এই তিনিটা ধৰ্ম্মাবলীয়েই প্ৰধান। যিমান হিন্দু তাৰ প্ৰায় আধাআধিয়েই মুচলমান; আৰু মুচলমান যিমান তাৰ প্ৰায় চাৰি ভাগৰ এভাগহে খৃষ্টিয়ান। এই চাৰি ভাগৰ এভাগ খৃষ্টিয়ানৰ একতা, জাতীয়তা আৰু ধৰ্ম্মভাব দেখিলে চতুৰ্গুণ মুচলমানৰ মূৰ লাজত আপুনিয়েই দোঁ খাই আহে। সেইবোৰ গুণত যে এই চাইটা খৃষ্টিয়ানে অকল মুচলমানকেই চেৰ পেলাইছে এনে নহয়, ভালকৈ ভাবি চাবলৈ গলে হিন্দুসকলকো বহুত পাছ পেল ই থৈ গৈছে!

প্ৰথম—সাহিত্য-ক্ষেত্ৰতে চবলৈ গলে তেওঁলোক আমাতকৈ বহুত আগ। অসমীয়া সাহিত্যই অসমীয়া খৃষ্টিয়ানৰপৰা যিমানখিনি সেৱা আৰু সুশ্ৰূষা পাইছে অসমীয়া মুচলমানে তাৰ দহ ভাগৰ এভাগো দিব পৰা নাই; অথচ চতুৰ্গুণ অৱস্থাবান মুচলমানেই অসমীয়া ভাষাভাষী। খৃষ্টিয়ানে বোধ কৰোঁ এইটো খুব ভালকৈ বুজে যে—অসমীয়াৰ মাজত "খৃষ্টিয়ানি" টোৰ বহুল প্ৰচাৰ আৰু তাক স্থায়ীকৈ ৰাখিবলৈ হলে—বিনা অসমীয়া সাহিত্যৰ সহায়েৰে আৰু আন উপায় একো নাই। সেই কাৰণেহে আজিকালি তেওঁলোকে অসমীয়া সাহিত্য চৰ্চ্চাত ইমানকৈ উঠিপৰি লাগিছে। ফলত যি হৈছে তাক আৰু কোনেও নজনাকৈ থকা নাই। এইবোৰেও মুচলমানক লাজ দিব পৰা নাই নে?

খৃষ্টিয়ানসকলে তেওঁলোকৰ ধৰ্ম্ম আৰু ইতিহাসটো অসমীয়াৰ আগত এনে সুন্দৰকৈ থিয় কৰি থৈছে যে—অনেক সময়ত আমি তাক আদৰ্শ কৰি লৈ চলিব লগাত পৰিছোঁ। সময়ে সময়ে খৃষ্টিয়ানবিলাকে মুচলমানৰ ধৰ্ম্ম আৰু ইতিহাস এনে আও-পাকেৰে মুচলমানৰ আগত থিয় কৰি দিয়েহি যে আমি চাই ভধা লাগিব লগীয়াত পৰোঁ। উত্তৰা-উত্তৰি কৰি সত্যটোক সপ্ৰমাণ কৰিবলৈ আমাৰ যুক্তিৰ অভাৱ। মূলত যে যুক্তি নাই তাক যেন কোনেও নেভাবে। কিন্তু সেইবোৰ বিচাৰি চাইছে কোনটো মুচলমানে? অনেক সময়ত পূজাৰ মেলাত, বাজহুৱা হাটত আৰু বাটেঘাটে খৃষ্টিয়ানবিলাকে যিবোৰ হিন্দুধৰ্ম্ম আৰু মুচলমানধৰ্ম্মৰ বিৰুদ্ধে তীব্ৰ অথচ মধুৰ ভাষাৰে 'হলাহল' উগাৰি ফুৰে, কেতিয়া কোন সময়ত কেই-জন ধৰ্ম্ম-প্ৰাণ হিন্দু বা মুচলমানে সেইবোৰৰ প্ৰতিৰোধৰ চেষ্টা কৰিছে? তেওঁলোকে

শুনিও শুশুনাৰ ভাও ধৰে, শুনিব লগীয়া হোৱাত অলপ আঁতৰি থাকে, অগত্যা কেতিয়াবা মুখামুখিত পৰিলে মিচিককৈ হাঁহি এটা মাৰি লাহেকৈ তাৰপৰা আঁতৰি গুচি যায়। হাঁহিটোৰ উদ্দেশ্য যেন – সেই বকনিবোৰৰ মূলত সাৰ পদাৰ্থ একেবাৰেই নাই! আমি কবৰ হলে, এই বিষয়টোক এই দৰে হাঁহি উৰাই দিলে নচলিব, দস্তুৰ মতে সেইবোৰৰ যথাযথ প্ৰতিবাদ লেখি জনসমাজত প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিব লাগে। এই বিষয়ে চাবলৈ গলে হিন্দুৰ কৃতকাৰ্য্যতা নিশ্চিত, কিন্তু মুচলমানেহে মুৰে কপালে হাত দি বহিব লাগিব! কিয়নো—মুচলমানৰ সাহিত্য চৰ্চ্চা মুঠেই নাই, প্ৰতিবাদ কৰে কিহেৰে?

এই চাইটা খৃষ্টিয়ানেই তেওঁলোকৰ ধৰ্ম্ম আৰু ইতিহাস সম্পৰ্কে অসমীয়া ভাষাত বহুতো কিতাপ লেখিছে, গোটেই অসমৰ হিন্দু-মুচলমানক তবধ লগাই এখন বাতৰি কাকতো চলাইছে। আমি এইবোৰ দেখি শুনিও 'মজাকৰি গোঁফত তাও দি' বহি আছোঁ। চাবলৈ গলে আমালোকৰ ভিতৰত যিমানবোৰ উচ্চ শিক্ষিত বা "গ্ৰেজুৱেট" আছে তেওঁলোকৰ ভিতৰত শতকৰা এটাকৈও নাই। থকা হলে কিজানি তেওঁলোকেও আমাৰ নিচিনাকৈ চিত হৈ মাৰলি লেখিব লগীয়াত পৰিলহেঁতেন! আমি ইয়াত উচ্চ শিক্ষিত বা "গ্ৰেজুৱেট"সকলক অযথা দোষাৰোপ বা অন্যায় আক্ৰমণ কৰিবলৈ যোৱা নাই। কিয় যে তেওঁলোকৰ উল্লেখ কৰিব লগীয়াত পৰিছোঁ। চমুকৈ তাকেহে কওঁ।—আমি আমাৰ ল'ৰাক "মেট্ৰিকুলেচন" পৰীক্ষা " পাছ' কৰা দেখিলেই ৰঙতে ঠাই নাইকিয়া হৈ মনতে বহু আশা ভৰসা পাঙি ভাঙি বৰ আদৰ সাদৰেৰে তেওঁলোকক কলেজলৈ পঠিয়াওঁ, নিতৰ বাতৰিটি নিতে লৈ থাকোঁ, পুৱা-গধূলি মঙ্গলাশীৰ্ব্বাদ কৰোঁ; আৰু তেওঁলোকৰপৰাও মাজে সময়ে বেছ দুই চাৰি আষাৰ মউ সনা আশাবাণী পাই থাকোঁ। আই, এ; ক্লাচতো তেওঁলোকে আমাৰে সৈতে বেছ সদালাপ কৰি থাকে। কিন্তু, বি, এ, ক্লাচ পালে গৈয়ে তেওঁলোক যেন আমাৰপৰা অলপ আঁতৰি থাকিব খোজে; আৰু আমিও তেওঁলোকক সেই কেৰা সুবিধা দিওঁ (অৱশ্যে বলে নোৱাৰিহে)। এই সময়লৈকো আমি লুকাই-চুৰকৈ তেওঁলোকৰ সুখ দুখৰ ভাগ এফেৰা লৈ থাকোঁ। কিন্তু, যেতিয়া তেওঁলোকে "পাছ" কৰি কলেজৰপৰা ওলাই যায় তেতিয়াও আমি ভক্তি-পূৰ্ণ আশাৰে তেওঁলোকৰ পাছ নেৰোঁ;—এই খিনিতে কবলৈ গলে শোকে আৰু দুখে খুন্দা মাৰি ধৰে যে তেওঁলোক আমাৰপৰা ফাট পৰে, আৰু এই বিশ্ব-সাগৰত



কোনে যে কেনি বুৰ মাৰে আমি আৰু সেইসকলৰ একো উৱাদিহ নেপাওঁ। তেওঁলোকে নিজে ইচ্ছা কৰি ধৰা নিদিলে আমাৰ সাধ্য কি যে তেওঁলোকৰ কাষ চাপোঁ! এই নিমিত্তেহে বেয়া লাগি মাজে সময়ে তেওঁলোকৰ প্ৰসঙ্গ উত্থাপন কৰোঁ।

এতিয়া কবলগীয়া কথাৰ আৰু একষাৰমান কোৱা যাওক। অসমীয়া মুচলমানৰ পক্ষে এইটো বৰ দুখ আৰু লাজৰ কথা যে আজি ইমান-দিনেও অসমীয়া মুচলমানৰ কলমৰ আগৰপৰা হজৰত মহম্মদ (দঃ)ৰ জীৱনী এখন নোলাল! অৱশ্যে মুচলমান যদি অজ্ঞান আৰু নিৰক্ষৰহলহেঁতেন তেতিয়া আমাৰ কবলগীয়া একো নাছিল; এতিয়া যে আমি শিক্ষিত, সভ্য আৰু জ্ঞানী বুলি অভিমান কৰোঁ! আমাৰ চকুৰ আগতে মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ আৰু দামোদৰদেৱ আদি মহাত্মাসকলৰ বিস্তৃত জীৱনী ওলাই গল, আমি দেখিলোঁ, চালোঁ আৰু পঢ়িলোঁ, বচ, হল। কিন্তু এই "পাহৰা মন"টোৰ ভিতৰত এবেলিও এটা ঢৌৱে নেখেলালে যে আমাৰো হজৰত মহম্মদ ৰচুল আলেইহেচ্ছালামৰ জীৱনীটো এই ভাষাত লেখিবলৈ চেষ্টা নকৰোঁ। কিয়? অন্ধ অসমীয়া মুচলমান! এবাৰ চকুহাল মেলি চোৱাচোন, অসমীয়া খৃষ্টিয়ানকিজনে তোমালোকৰ আগত কি এক বিৰাট আদৰ্শ স্থাপন কৰি পৈছে! চোৱা, চাই তোমাৰো কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰা।

এম, মোছলেহ উদ্দিন আহমদ।

---

# আগ-চৰা।

আজি আমি দুটামান কথা কম বুলি যে আহিছোঁ সি কেৱল ধৃষ্টতা। যি বিষয়ে কব খুজিছোঁ সি অনেক দিনৰ পুৰণি কথা। ভাবিছিলোঁ সেই কথা আমাতকৈ ডাঙৰ কোনোবাই লিখিব; কিন্তু ইমান দিনে কোনেও সেই বিষয়ে লিখিবলৈ মন নকৰিলে। সেয়েহে আজি আমি দুআষাৰমান কথা কবলৈ মন কৰিছোঁ। পাঠক পাঠিকাসকলে, দোষ হলে মাৰ্জ্জনা কৰিব।

পুহ মাহৰ বাঁহীত ওলোৱা "বাটচৰা" নামে প্ৰবন্ধৰ প্ৰথম পৰিচ্ছেদটি পঢ়ি আমি বৰ বেজাৰ পালোঁ। নাজানো কি কুক্ষণত কাৰ গাত লাগি fashion স্বৰূপে এই "শাড়ী পিন্ধা" বেমাৰটি আসামত সোমালহি। যিহওক ডিঃ, গুপ্তৰ fever mixtureৰ গুণত যেনেকৈ শৰীৰৰপৰা পুৰণি জ্বৰ দূৰ হয় তেনেকৈয়ে,যেন বাঁহীৰ "বাট চৰা" নামৰ পুহত ওলোৱা প্ৰবন্ধটিৰ গুণত আমাৰ দেশৰপৰা এই "শাড়ী পিন্ধা" বেমাৰটি নাইকিয়া হব। আশ কৰোঁ ইয়াৰ দ্বাৰাই বেমাৰৰ জইনও মৰিব। হায়! আমিয়েই নে (তিৰোতাসকলেই) আজি দেশ আৰু সমাজৰ এনে দুৰ্দ্দশাৰ প্ৰধান কাৰণ? নহয় কিয়? তিৰোতা সমাজত যদি দিনে দিনে বিদেশী fashion আৰু বিদেশী সাজ-পাৰ ভালপোৱা-বেমাৰৰ বীজ নোসোমালহেঁতেন তেন্তে আসামৰ ঘৰে ঘৰে আজি এনে শোচনীয় অৱস্থা নহলহেঁতেন। আসাম আইৰো এনে অধোগতিৰ অৱস্থা দেখি আন আন "বাই ভনী"হঁতে হাঁহিবলৈ নাপালহেঁতেন। ভনীহঁত! যদি জন্মভূমিৰ উন্নতিৰ আকাঙ্ক্ষা কৰা, যদি নিজৰ মান সম্ভ্ৰম (Prestige) ৰাখিবৰ একেবিমান ইচ্ছা আছে, ইমানতে দেশী বস্তুৰ মোল বুজাঁ, দেশী বস্তুৰ আদৰ কৰিবলৈ শিকাঁ। কাৰণ দেশ আৰু সমাজৰ উন্নতিৰ লগত দেশী বস্তুৰ খুব সম্পৰ্ক আছে। ভনীহঁত! "বাটচৰা"ৰ আৰু আদৰ সম্ভাষণ নোপাওতেই নিজ মান ৰাখি ইমানতে ৰমক-জমক বিদেশী পোছাক এৰিবলৈ শিকাঁ, নহলে আগচৰাই বৰ দুখ পাব।

সম্পাদক ডাঙৰীয়া! ইমানতে যে, আপুনি "বাটচৰা"ৰ পোহৰেৰে আন্ধাৰত থকা তিৰোতা সমাজত পোহৰ পেলাই তেওঁবিলাকক ভুল বাটেদি নাযাবলৈ সাৱধান কৰি দিলে ইয়াৰবাবে আপোনাৰ "বাটচৰা"ৰ ওচৰত আমি (তিৰোতাসকলে) নথৈ কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। "আগচৰা"ই দুআষাৰ মান কথা লিখিবৰ ইচ্ছা কৰে, দয়া কৰি যেন "বাটচৰা"ই "আগচৰা"ৰ সকলো দোষ মাৰ্জ্জনা কৰে।

"বাটচৰা"ই বোধ কৰোঁ শুনি সুখী হব যে, আমাৰ (তিৰোতাসকলৰ) সকলোৰে শাড়ীৰ ওপৰত মৰম সোমোৱা নাই। অৱশ্যে কাৰো কাৰো যে নোসো-মোৱাকৈ আছে সেই কথা আমি কোনোমতেই স্বীকাৰ কৰিব নোৱাৰোঁ। কিন্তু সেই ভাব তেওঁবিলাকৰ মনলৈ কেনেকৈ আহিল, ইয়াৰ কাৰণে কোন প্ৰকৃত দোষী আমি ভাবি চাব লাগে। আমাৰ বাই ভনীহঁতে যেতিয়া নিজ নিজ অভিভাৱকৰ আগত শাড়ী পিন্ধাৰ কথা কৈছিল, তেতিয়া যদি তেওঁবিলাকে তিৰোতাবিলাকক



বাধা দি আগলৈকো তেনে কথা নকবৰ কাৰণে অনুৰোধ কৰিলেহেঁতেন তেন্তে আজি ঘৰে ঘৰে বুঢ়ীৰপৰা ৰেচুৰালৈকে এজনাকো শাড়ী পিন্ধা দেখা নগলহেঁতেন।

ডাঙৰীয়াসকল! যেতিয়া আমাৰ ভনীহঁতে শাড়ী পিন্ধিবৰ মন গৈছে বুলি কৈছিল তেতিয়া আপোনাসকলে শাড়ী আমাৰ দেশী পোছাক নহয়, এতেকে ইয়াক ব্যৱহাৰ কৰিব নাপায়, এই কথা বুজাই দিছিল নে? শাড়ী তো বহুত দিনৰপৰা আমাৰ দেশত চলি আহিছে। ইয়াকে দেখি শুনি ইয়াৰপৰা যে, সময়ত বিদেশীৰ ওচৰত ঠাট্টা আৰু হাঁহিয়াতৰ পাত্ৰ হব লাগিব জানিও কিয় ইমান দিন মনে মনে বহি আছিল? এই কথা বুজাই দিবৰ ভাৰ কাৰ ওপৰত? আপোনালোকৰ ওপৰত নহয় নে? আজিকালি আসামৰ প্ৰায় সকলো ছোৱালীয়ে শাড়ী পিন্ধি স্কুললৈ যায়। ইয়াক দেখি স্কুল পৰিদৰ্শক আৰু অভিভাৱকসকলে নেদেখা ভাও ধৰি আছে কিয়? শাড়ী ব্যৱহাৰ কৰা লাজ আৰু হাঁহিয়াতৰ কথা বুলি ছোৱালীহঁতক বুজাই দিয়া হলে আজি কোনো ছোৱালীয়ে শাড়ী নিপিন্ধিলহেঁতেন।

এই খিনিতে আৰু এষাৰ কথা লিখিব লগাত পৰিলোঁ। স্কুলৰ বটা (prize) দিবৰ সময়ত বিদেশী নানা ফাচাংফুচুং বস্তু দিয়া দেখা যায়। ইয়াৰপৰা যে বিদেশী বস্তু ভাল পোৱাৰ কীটাণুৱে (Bicilli)' ছোৱালীহঁতক আক্ৰমণ কৰিছে তাক ভাবি চাইছে নে? প্ৰত্যেকেই এই কথা অলপ ভাবি চোৱা উচিত। "বাটচৰা"ই নো অকলৈ কিমান ভাবিব? বিদেশী বস্তুৰ সলনি যদি দেশী বস্তু কিংবা আদৰ্শ তিৰোতা-সকলৰ জীৱনী বটাস্বৰূপে দিলে ছাত্ৰীসকলৰ বেছি উপকাৰ হব বুলি "আগচৰাই"-কয় নিশ্চয় "আগচৰা"ৰ লগতে "বাটচৰা"ইয়ো সমৰ্থন কৰিব বুলি আমাৰ দৃঢ় ধাৰণা।

আমাৰ দেশত ইমানবিলাক শিক্ষিত মানুহ থাকোতেও যে, কিয় তেওঁ-বিলাকৰ ভনীহঁতে বিদেশীৰ অনুকৰণ কৰিছে আৰু বিদেশী বস্তুলৈ কিয় এনে হেঁপাহ, কব নোৱাৰোঁ।—ইয়াৰপৰাই আমি বুজিব পাৰিছোঁ যে, শিক্ষিত ভাইহঁতে ভনীহঁতৰ ফালে অলপো উভতি নাচায়। তেওঁবিলাকে যদি নিজৰ লগে লগে ভনীহঁতকো শিক্ষিতা কৰিলেহেঁতেন তেন্তে অতি সহজে আজি আসামৰ উন্নতি কৰিব পাৰিলে-হেঁতেন। তেওঁবিলাকে চাগৈ ভাবে যে, শিক্ষা পালে ভনীহঁতে নিজৰ দেশৰ সকলো পাহৰি অন্য দেশৰ ৰীতি নীতি ধুনপেচ শিকি মাথোন চোখীন হব, আৰু তিৰোতাই নো শিক্ষা পাই দেশৰ কি কৰিব? কিন্তু ই তেওঁবিলাকৰ একেবাৰে

ভুল ধাৰণা। ভুল ধাৰণা নো বুলিম কেনেকৈ? তেওঁবিলাকে হয়তো নিজৰ গাতে ইয়াৰ প্ৰমাণ পাইছে, নহলেনো এনে ধাৰণা কৰিব কিয়? মোটৰ ওপৰত সমাজৰ কুৰীতি-নীতি গুচাবলৈ হলে ভাই ভনী দুইয়ো শিক্ষাৰ পোহৰ পাব লাগে।

অৱশেষত "বাটচৰা"ৰ লগতে "আগচৰা"বো এইয়ে অনুৰোধ যে, "দেশৰ **উন্নতিৰ লগত যে, দেশী সাজ-পাৰৰ দৃঢ় সম্পৰ্ক আছে"** এই কথাষাৰ যেন ভাই ভনী দুইয়ো বুজে। ভনীইঁতে যেন শাড়ী পিন্ধিবলৈ এৰি ৰিহা মেখেলা ব্যৱহাৰ কৰে। মুগাৰ ৰিহা মেখেলাৰ দাম বেছি দেখিলে শাড়ীৰ বদলি যেন কপাহী মেখেলা পিন্ধে। কপাহী শাড়ী যদি পিন্ধিবৰ উপযুক্ত হয় তেন্তে মেখেলানো কিয় নহব?

বৰ্ত্তমান যে, আমাৰ দেশৰ অৱস্থা কেনে তাক সকলোৱে জানে। দেশৰ কথা ভাবিলে বাস্তবিকে আমাৰ বৰ বেজাৰ লাগে। নগৰৰ বাহিৰে সৰু সৰু গাওঁবিলাকত শিক্ষাৰ প্ৰভাৱ একেৱাৰে নাই বুলিলেও মিছা কথা কোৱা নহয়।

কেইজনমান শিক্ষিত মানুহে যদি গাৱেঁ গাৱেঁ একোটা স্কুল পাতে তেন্তে তাৰ দ্বাৰাই দুখীয়া অশিক্ষিত গাৱঁলীয়াবিলাকৰ অশেষ উপকাৰ হব। তেওঁবিলাকে যদি এনে কৰে তেন্তে গৱৰ্ণমেণ্টেও তেওঁবিলাকক সহায় কৰিবলৈ গাত লব বুলি আমাৰ বিশ্বাস।

আগেয়ে দেশত বঙ্গলা ভাষা ব্যৱহাৰ হোৱাৰ কাৰণে আজিলৈকে বঙ্গদেশৰ দাতিৰ ঠাইবোৰত প্ৰায় বঙ্গলা কথা কোৱা আৰু শাড়ী ইত্যাদি পিন্ধি বঙ্গালীৰ নিচিনাকৈ থকা দেখা যায়। তাৰ প্ৰমাণ গুৱালপাৰত খুব পোৱা যায়।

আসামত একেই মানুহ কম। তাতে যদি তাৰ তিনিভাগৰ এভাগ মানুহে বঙ্গলা কথা কয় আৰু বঙ্গালীৰ নিচিনাকৈ থাকে তেন্তে আসামৰ আৰু অসমীয়া ভাষাৰ কেনেকৈ উন্নতি হব?

থাচিয়াবিলাকে তো একেবাৰে বঙ্গালীৰ নিচিনা হৈ উঠিছে। সকলোৱে বঙ্গলা শিকিছে। হায়! অসমীয়া তোমাৰ দেশৰ ভিতৰতে বহি বিদেশীয়ে নিজ দেশৰ উন্নতি সাধিছে, কেৱল তুমি হে মনে মনে বহি আছা! নগা, মিৰি,[১] আবৰ ইত্যাদি জাতিবিলাকক যদি অসমীয়া ভাষা শিকোৱা হয় তেন্তে আমাৰ খুব লাভ হব।—কিন্তু সেই কাম কোন অসমীয়াই কৰিব? গুৱালপাৰ আদি ঠাইক

১। [illegible] — সং, বাঁ।



একেবাৰে বঙ্গলাদেশৰ নিচিনা কৰিবৰ কাৰণে ভিতৰি ভিতৰি খুব চেষ্টা হৈছে। কি কি কৰিলে তেনে হব পাৰে তাকো ঠিক কৰিছে। তাৰে সম্পৰ্কে দুআষাৰ মান কথা নিলিখি থাকিব নোৱাৰিলোঁ। "সকলেই অবগত আছেন যে, ঐ সকল জেলায় শিক্ষাৰ প্ৰভাব অপেক্ষাকৃত অল্প। ঐ কাৰণে বিদ্যালয়েৰ সংখ্যাও তথায় অল্প। কিন্তু লোকেৰ শিক্ষাৰ স্পৃহা কম নহে। আমৰা যদি ঐ সকল স্থানে স্থানে আবশ্যকীয় শিক্ষা দানেৰ নিমিত্ত বিদ্যালয় স্থাপন কৰি এবং ঐ সকল স্থানে বিদ্যালয়ে বঙ্গভাষাৰ ভালৰূপে শিক্ষা দেওয়াৰ বন্দোবস্ত কৰি তাহলে ঐ সকল স্থানেৰ অধিবাসীগণেৰ মধ্যে শিক্ষা প্ৰচাৰেৰ ও বন্দোবস্ত হয় এবং বঙ্গভাষাৰ সহিত ও তাহাদেৰ সম্বন্ধ বজায় থাকে। বঙ্গসাহিত্যেৰ সহিত পৰিচিত হ'লে ঐ সকল লোক যে, বঙ্গভাষাৰ সহিত কখনও সম্বন্ধ বিচ্ছিন্ন কৰিবে না, ইহা সাহস কৰিয়া বলা যাইতে পাৰে।

"বঙ্গভাষায় যে সকল সংবাদপত্ৰ ও সাময়িক পত্ৰ প্ৰকাশিত হয় তাহাৰ মধ্যে যে গুলিৰ ভাষা সৰল ও সহজ বোধ্য তাহা এ সকল স্থানে নিয়মিত ভাবে বিতৰণ কৰিলে তদ্দ্বাৰা ঐ সকল লোকেৰ মধ্যে বঙ্গভাষাৰ অসাধাৰণ প্ৰতিপত্তি হওয়াৰ সম্ভাবনা। আজকাল সকলই নানা প্ৰকাৰ সংবাদ জানিতে ব্যগ্ৰ। ঐ সকল স্থানেৰ লোকেৰ মধ্যেও এই ব্যগ্ৰতা দৃষ্ট হয়। তাহাৰা সহজে বাঙ্গলা সংবাদ পত্ৰেৰ সাহায্যে এই সুযোগ প্ৰাপ্ত হইলে বাঙ্গলাভাষাৰ সহিত তাহাদেৰ সম্বন্ধ বিচ্ছিন্ন হবাৰ আশঙ্কা নাই।

"বাঙ্গলাভাষায় এইৰূপ সৰল সহজ বোধ্য সংবাদপত্ৰ কিংবা সাময়িক পত্ৰেৰ অভাব আছে, তাহা আমৰা মনে কৰি না। তবে প্ৰয়োজন হইলে এইজন্য বিশেষ ভাবে একখানা সংবাদপত্ৰ প্ৰকাশ কৰা ও কঠিন ব্যাপাৰ নহে।—

"ঐ সকল অধিবাসী বৰ্গেৰ শিক্ষা, ৰুচি ও অভাবেৰ প্ৰতি দৃষ্টি ৰাখিয়া বঙ্গভাষায় ক্ষুদ্ৰ ক্ষুদ্ৰ পুস্তিকা প্ৰচাৰ কৰিয়া উহা তাহাদেৰ মধ্যে বিতৰণ কৰিলেও ফল লাভেৰ সম্ভাবনা।" (প্ৰবাসী ফাল্গুন)। ওপৰত তুলি দিয়া কথাখিনিৰ সহায় লৈ যদি আমাৰ অসমীয়া মানুহে চেষ্টা কৰে তেন্তে বৰ ভাল হয়। নতুবা সোনকালে সেই ঠাই বিলাকৰপৰা অসমীয়া নাম লোপ পাব তাৰ কোনো সন্দেহ নাই। গুৱালপাৰ যদি একেবাৰে বঙ্গলাভাষা আৰু বঙ্গালী পোছাক ইত্যাদিৰ দ্বাৰাই আক্ৰান্ত হয় তেন্তে আসামৰ খুব ক্ষতি হব। আমাৰ মতে "অৰুণ" খন গুৱালপাৰৰ মানুহৰ

ঘৰে ঘৰে একোখনকৈ দিব লাগে আৰু তেওঁবিলাকক নিজ নিজ ভাই ভনীৰ নিচি-নাকৈ আসামৰ উন্নতিৰ কাৰণে উৎসাহিত কৰা উচিত।

ডাঙৰীয়া সকল! এইবাৰ উঠক। নতুবা গোটেই আসামত বঙ্গালভাষা চলি-বগৈ।—চল্লিশ বছৰৰ আগেয়ে যেনে আছিল আকৌ তেনে হবগৈ। সেই বিপদৰ পৰা আসামে কেনেকৈ উদ্ধাৰ পালে সকলোৱে জানে। হায়! আজি যদি স্বদেশ হিতৈষী ৺আনন্দৰাম ফুকন, ৺আনন্দৰাম বৰুৱা, ৺হেমচন্দ্ৰ বৰুৱাসকল থাকিল-হেঁতেন তেন্তে আজি আসাম আইৰ কেতিয়াও এনে দুৰ্দ্দশা নহলহেঁতেন। আজি তেওঁবিলাক পৰলোকত। ভাই-ভনীহঁত, তোমালোকৰ গাত নিশ্চয় সেই মহৎ লোক কিজনৰ তেজ আছে। তোমালোকে মনে মনে বহি নাথাকি এইবাৰ উঠা। গুৱালপাৰ ইত্যাদি দাঁতি-কাষৰৰ ঠাইবিলাকত অসমীয়া ভাষাৰ প্ৰভাব বিস্তাৰ কৰাঁ।—নতুবা আমি বৰ বেয়াৰ পাম। ভাইহঁত দেশৰ কাৰ ন তোমালোকৰ বেজাৰ নালাগেনে? নিশ্চয় লাগে।—তেন্তে আজি আহাঁ সকলোৱে মিলি জন্মভূমিৰ উন্নতি কামনা কৰোঁ। হে করুণাময় পৰমেশ্বৰ! তুমি আমাৰ সহায় হোৱাঁ। আমি যেন আসামৰ উন্নতি কৰিব পাৰোঁ এইয়ে তোমাৰ ওচৰত আমাৰ প্ৰাৰ্থনা।*

শ্ৰীগোৰীপ্ৰভা দুৰৰা।

---

* এই প্ৰবন্ধ আৰু ইয়াৰ পিছৰ প্ৰবন্ধ লেখিকা দুয়ো বায়েক ভনীয়েক; অসমীয়া সম্ভ্ৰান্ত মানুহৰ ঘৰৰ ছোৱালী; আসামত ছোৱালীৰ নিমিত্তে ভাল স্কুল নথকা বাবে বঙ্গদেশৰ গিৰিডি নামে স্বাস্থ্যকৰ ঠাই এখনত থকা স্কুল এটাত পঢ়িছে। এই প্ৰবন্ধলেখিকাৰ সৰল আৰু শুধ মনৰ কথাবোৰ কি সুন্দৰ! তেওঁক কওঁ, গুৱালপৰীয়া ছাত্ৰৰ নিমিত্তে আমি ৫কেইখনো বাঁহী বেচ নোলোৱাকৈ দিওঁ। আজি আকৌ কওঁ যে আজিৰপৰা এমাহৰ ভিতৰলৈকে ২০ জন নিঃস্ব গুৱালপৰীয়া ছাত্ৰক আমি বাঁহীৰ গ্ৰাহক কৰিলম। তেওঁলোকে স্কুলৰ হেড্ মাষ্টৰৰ চাৰ্টফিকেট বা চিঠিৰে সৈতে, নাইবা নিজৰ অভিভাৱকৰ চিঠিৰে সৈতে আমালৈ লেখিলেই ৭ম বছৰৰ বাঁহী ১২ সংখ্যা এনেই পাব।

সম্পাদক।

---



# গাৱঁলীয়া পট।

যি সকল ঠাইখনি কম সংখ্যা জনপ্ৰাণীৰ আবাসভূমি, য'ত অধিবাসীবিলাকক নগৰীয়াবিলাকে 'চহা' "ভোদা" ইত্যাদি বুলি হাঁহে, য'ত গাড়ী ঘোঁৰাৰ হড় হড়, গুড় গুড় শব্দ শুনা নাযায় আৰু য'ত মানুহে হাহাকৰ লগাই লোকাৰণ্য কৰি দিনৰ দিনটো কোঢ়াল কৰা দেখা নাযায়, গাওঁ বুলিলে সাধাৰণতঃ তেনে ঠাইকে বুজায়।

গাওঁ অতি মনোৰম স্থান, ই সুখৰ আগাৰ আৰু শান্তিৰে ভৰপূৰ। চহৰৰ কৃত্ৰিমতা শঠতা আৰু চতুৰতা ইত্যাদিৰ আভাস ইয়াত লেশ মাত্ৰ সোমাব নোৱাৰে। ইয়াত শান্তিদেৱী সদায় বিৰাজ কৰিব লগিছে। এই সুখ আৰু শান্তিৰ ভঁৰালৰপৰা গাৱঁলীয়াই এক অতুলনীয় সন্তোষৰ অমৃত পান কৰি পৰম তৃপ্তিলাভ কৰে। নতুন ধৰণৰ নতুন আমদানীৰ নতুন বস্তুৱে চহাৰ অন্তঃকৰণত অভাৱৰ সৃষ্টি জন্মাই নানা বিধৰ যাতনা দিবলৈ সমৰ্থ হব নোৱাৰে। কিন্তু নগৰবাসীৰ অৱস্থা সম্পূৰ্ণ বিপৰীত। নগৰীয়াৰ নিতৌ নতুন অভাৱ। অভাৱ-ৰাক্ষস তেওঁবিলাকৰ প্ৰধান সহচৰ। নগৰীয়াই যেতিয়া শুনিলে যে, Whiteway Laidlaw & Co.ত নতুন fashionৰ "বুট" "পৃথিবীৰ অষ্টম আশ্চৰ্য্য", পেট-ফলা কোট আৰু কেমিকেল সোণৰ মনমোহা "চেইন" ইত্যাদি আমদানী হৈছে, তেতিয়া হঠাৎ এটা অভাৱে আহি তেওঁবিলাকৰ মনৰ শক্তি হৰণ কৰি ললে। সেই মুহূৰ্ত্তৰপৰাই তেওঁবিলাকৰ মন চঞ্চল হয়, খাওঁতে শোওঁতে কেৱল সেই এক ভাব—কেনেকৈনো সেইবিলাক পিন্ধি বাবু সাজি চহৰ ফুৰিবলৈ যাব। "মখমল" পাৰীৰ ফিৰফিৰীয়া মনমোহা ধুতি, আল্পকাৰ দামী কোট, stiff fronted আৰু double cuffথকা কামিজ, সোণৰ ফ্ৰেম লগা চচ্মা ইত্যাদি নহলে তেওঁবিলাকৰ নগৰৰ বাজলৈ ওলোৱা টান হয়। এই গল্প তেওঁবিলাকৰ পোচাক সম্বন্ধীয় আড়ম্বৰৰ কথা। (এই কথাবিলাক কেৱল ১২।১৩ বছৰ বয়সতে লিখা পঢ়া ইতি কৰি বাবু সাজি ফুৰা আমাৰ দেশী ভাইহঁত-কহে কোৱা হৈছে।) ভাইহঁত, তোমালোকে যদি লিখা পঢ়া কৰি ডাঙৰ হৈ এনে কৰিলাহেঁতেন তেনেহলে আমাৰ একো কবলৈ নাথকিলহেঁতেন। এতিয়া চহা "গাৱলীয়া"ৰ পোচাকলৈ চালে আমি কি দেখিবলৈ পাওঁ। সামান্য ধুতি, কোট ইত্যাদিকে চহা গাৱঁলীয়াইতে যথেষ্ট বুলি ভাবে। বিদেশী বস্ত্ৰ ব্যৱহাৰ কৰিলে তেওঁবিলাকে অপবিত্ৰ হোৱা যেন ভাবে। নগৰীয়া ভাইহঁত, তোমালোকেও যদি

এনেকৈ দেশীবস্তুক আদৰ কৰিলাহেঁতেন তেনেহলে আজি আমাৰ আসাম জননীৰ অনেক উন্নতি হলহেঁতেন। মোটৰ ওপৰত কবলৈ গ'লে গাৱঁলীয়া মানুহ কৃত্রিম অভাবৰ দাস নহয়। তেনে বিধ কঠোৰ যাতনাই ইহঁতক পীড়িব নোৱাৰে।

এতিয়া নগৰ, আৰু গাৱঁলীয়াৰ দয়া, একতা আৰু সৰলতা প্রভৃতিৰ বিষয়ে আলোচনা কৰি চোৱা যক। গাৱঁৰ জীর্ণ কুটীৰবাসী কৃষক হৃদয় যেনে সহানুভূতিৰে পূর্ণ, নগৰৰ অট্টালিকাবাসী ধনীৰ অন্তঃকৰণ প্রায় তেনে দেখা নাযায়। গাৱঁলীয়াই যেই শুনিলে যে তেওঁৰ ওচৰচুবুৰীয়াৰ কোনো দুখ হৈছে, তেতিয়াই তেওঁৰ পৰদুখকাতৰ হিয়াখনি হঠাৎ গলি যায় আৰু চাওতে চাওতে সেই দুখ দূৰ কৰাৰ এক প্রবল আকাঙ্ক্ষাই আহি কোমল হিয়া খনি অধিকাৰ কৰেহি। আহা! গাওঁৰ পট কেনে মনোহৰ, কেনে পবিত্র! কিন্তু নগৰত ঘটনাস্রোত আন পিনে বোৱা দেখা যায়। ওচৰচুবুৰীয়াৰ এঘৰত হয়তো এজনে অসহনীয় যাতনা ভোগ কৰি অতি কষ্টে দিন কটাইছে, আৰু ওচৰচুবুৰীয়াৰ তাৰ প্রতি ভ্রূক্ষেপও নাই; অইন কি সান্ত্বনা-বাণী এষাৰও তেওঁ দিবৰ সময় কেৰা বিচাৰি নাপায়। উঃ কি মর্ম্মান্তিক ব্যাপাৰ! পাঠক পাঠিকা, এইটো নগৰ গাৱঁৰ প্রভেদ। শিক্ষিত নাগৰিকজনে বংশ পৰিয়ালৰ নৰা ছোৱালীৰ ফালে অলপ চকু দিলেই ভাল হব পাৰে। কিন্তু সেইটো কত? বংশ পৰিয়ালৰ ফালে চকুদিয়া এৰি দিয়াই, কোনো কোনো শিক্ষিত পুতেকে নিজৰ মাতৃক চিনি নোপোৱাই হয়। বোৱাৰীয়ে বৃদ্ধ শহুৰ শাহুৱেকক আলঁপচান ধৰা দূৰৰ কথা ঘিণ আৰু অশ্রদ্ধা কৰে। অতিথি সৎকাৰ, দয়া প্রভৃতি গাৱঁলীয়াৰ বাই লক্ষণ, ধর্ম্ম বুলি ধৰিলেও বোধকৰোঁ অন্যায় নহব।

গাৱঁলীয়াৰ সহানুভূতি, আতিথেয়তাৰ বাহিৰেও সৰলতাও অতি প্রশংসনীয়। তেওঁলোকৰ কথাত কপটতাৰ আভাস মাত্রও নাই। কপটতা পৰশ্রীকাতৰতা প্রভৃতিৰে তেওঁলোকৰ সৰল আৰু পবিত্র অন্তঃকৰণ পাপত আৰু কম বুৰে; কিন্তু নগৰীয়াৰ চিত্র সম্পূর্ণ বিভিন্ন উপাদানেৰে পৰিপূর্ণ। মিছা, প্রবঞ্চনা আদি অপকর্ম্ম নাগৰিকজনৰ দৈনিক কাম বুলিলেই হয়। কাজে কাজেই নগৰীয়াৰ ওচৰত ক্ষুদ্র গাৱঁলীয়া দয়াৰ পাত্র হব নোৱাৰে। কোনো গাৱঁলীয়াই চহৰত ভৰি দিলে নগৰীয়াৰপৰা "চহা, ভোদা, গাৱঁলীয়া", আদি তিৰস্কাৰ শুনিবলৈ পায়। এনে তিৰস্কাৰ গাৱঁলীয়া জীয়ৰীয়ে নগৰত বোৱাৰী স্বৰূপে সোমোৱা মাত্রেই বিশেষকৈ নাগৰিক তিৰোতাসকলৰপৰা শুনিবলৈ পায়। কি অন্যায়! গাৱঁত একতাৰো



জলন্ত আদর্শ দেখিবলৈ পোৱা যায়। তেওঁলোকেৰ কেনেকৈ পৰস্পৰে মিলা প্রীতিৰে ইজন সিজনৰ সহায় কৰি পৰম সুখে, শান্তিত দিন কাল কটাইছে। এই প্রবন্ধ পঢ়ি বহুতেই হয়তো ভাবিব পাৰে যে লেখিকা গাৱঁৰ বিশেষ পক্ষপাতী। নতুবা নিশ্চয় গাৱঁলীয়া; সেই কাৰণেহে তেওঁ গাৱঁৰ অন্যায় প্রশংসা কৰিছে। কিন্তু তেওঁ ধৰিবলৈ গলে নগৰীয়াই; নগৰৰ যে "সন্দেস, লুচিপুৰি" ইত্যাদিৰ সোৱাদ পোৱা নাই এনেও নহয়। নিজ বিবেকবুদ্ধি খটাই পুঙ্খানুপুঙ্খৰূপে বিবেচনা কৰিলে সর্ব্বলোৱে দেখিবলৈ পাব যে নগৰ আৰু গাৱঁৰ মাজত আকাশ পাতাল প্রভেদ।

দৈনিক ব্যাপাৰলৈ চকু দিলে দেখা যায় যে নগৰীয়াই প্রত্যেক দিনেই গাঁৱৰ ওপৰত নির্ভৰ কৰি চলিব লাগে। কার্য্যতঃ গাওঁৱেই নগৰবাসীৰ জীৱন ৰক্ষক। কাৰণ, শাক, পাচলি প্রায় সকলো বস্তুৱেই গাৱঁত উৎপন্ন হয়। বজাৰৰপৰা চাউল আহিলেহে নগৰত বাবুৰ চৌকাত ৰান্ধনীয়ে জুই দিব পাৰে। এই চাউলো গাৱঁতহে উৎপন্ন হৈছে। বালাম, নলচিতি যি চাউল দেখা যায় সকলো গাৱঁতে উৎপন্ন। গাৱঁৰ কলাজহা, মাণিকীমধুৰীজহাৰে পোলাও পৰমান্ন নেখালে নগৰত বাবুৰ বাবুৱানী ষোল অনা নেথাকে। এনেবিধ বস্তুৰ কাৰণে নগৰবাসীয়ে গাঁৱৰ ওপৰত নির্ভৰ কৰি থাকিব লাগে, কিন্তু গাৱঁলীয়া তেনে কাৰণ অলপো নাই।

পূর্ব্বেই উল্লেখ কৰা হৈছে যে গাওঁ অতি মনোৰম স্থান। নগৰৰ লগত ইয়াৰ কেতিয়াও তুলনা হব নোৱাৰে। পৰমেশ্বৰে গাঁৱৰ মাজত প্রকৃতিৰ ভিতৰেদি সুখ শান্তিৰ যে কি সুবন্দোবস্ত কৰি থৈছে সেইটো ভাবিলে আচৰিত নহৈ-নোৱাৰি। সচৰাচৰ দেখিবলৈ পোৱা যায় যে, নগৰবাসীয়ে ৰাতিপুৱা ঘণ্টাৰ ঢং-ঢং শব্দতহে নিদ্রা ত্যাগ কৰি থাকে; কিন্তু গাৱঁলীয়াৰ ঘণ্টাৰ দৰকাৰ নাই; পুৱতি উষাৰ আগমনত চৰাইৰ সুমধুৰ গীত শুনি চকু আপোনাআপুনি মেল খায় যায়।

আহা! এইবিলাক চিত্র দেখি সঁচাসঁচিকৈয়ে মনত হয়, এই সংসাৰত যদি সকলোতকৈ সুখশান্তিৰ কৰবাত ঠাই আছে তেনেহলে সেইয়া একমাত্র গাওঁ।

বাস্তৱিক দকৈ বিবেচনা কৰিলে দেখা যায় যে, গাৱঁৰ নিচিনা সুখৰ ঠাই অতি বিৰল। ইয়াৰ প্রত্যেক দৃশ্যই আমাৰ অন্তঃকৰণত আনন্দৰ সোঁত বোৱাবলৈ ধৰে। গাওঁৰ প্রাকৃতিক সৌন্দর্য্য দেখিলে মনপ্রাণ আনন্দ-ৰসেৰে ভৰি পৰে। ইয়াত চকু

জুৰুৰা সেউজীয়া বৰণৰ পথাৰ, নিয়ৰকণাত তিতি জিলিকি থকা কোমল ঘাঁহনি, বিলৰ মাজত ফুলি বতাহত হালিজালি থকা ভেঁট, পদুম, কবলৈ গলে চকু মেলিলে যিহকে দেখা যায় সেইয়ে যেন সুখৰ ভাণ্ডাৰ। বসন্তৰ মলয় মাৰুত হিল্লোলত শৰীৰ শীতল হৈ যে কি এক অতুলনীয় সুখৰ উদয় হয় তাক নগৰৰ অপবিত্র বায়ু সেৱনকাৰী অধিবাসীয়ে কেনেকৈ বুজিব? ভুক্তভোগীৰ বাহিৰে আনৰ বুজিবৰ ক্ষমতা বা কত? কিন্তু নগৰত সেই সুখ কত পাব? ধীৰ গতিৰে যেতিয়া মাধৱী লতাৰ ফুলৰ থোপাবোৰে আৰু বিলৰ বুকুত মনমোহা পদুমৰ পাহীবোৰে বতাহত আমোলমোল হৈ ঠেও ধৰি ধৰি বতাহত হালিজালি সুগন্ধ বিস্তাৰ কৰে, যেতিয়া বসন্ত কোঁৱৰৰ আগমনত প্ৰকৃতি দেবীয়ে নতুন সাজ-পাৰ পিন্ধি চাৰিউপিনে সৌন্দৰ্য্য বিলাবলৈ ধৰে, যেতিয়া বিলৰ বুকুত শৰালি জুবিয়ে মিলন মাধুৰীত মোহ গৈ থাকে; যেতিয়া বনৰ অলিয়ে বনফুলৰ মাজত গুণ্ গুণ কৰি গীত কৰে, যেতিয়া ৰূপহী মাধুৰীয়ে গাওঁখনি টলমলাবলৈ লাগে, তেতিয়া ইয়াক সৰগৰ নন্দনকানন বুলি ভ্ৰম নহয়নে? গাৱঁৰ শ্যাম বৰণীয়া বৰণেৰে বোলোৱা বিস্তীৰ্ণ ধানৰ ক্ষেত্ৰৰ অতুলনীয় সৌন্দৰ্য্যৰ তুলনাত ধনীৰ কৃত্ৰিম কাৰুকাৰ্য্যৰে বাখৰ-পতোৱা ৰম্য হৰ্ম্ম্য অতি তুচ্ছ। গাৱঁলীয়াই জীৰ্ণ কুটীৰৰ ধূলি-শয্যাত শুই যি সুখ অনুভৱ কৰিবলৈ সমৰ্থ হয়, নগৰৰ ধনীজনে দুগ্ধফেনৰ নিচিনা সুকোমল শয্যাত শুইও সেই সুখৰ অধিকাৰী হব পাৰেনে নোৱাৰে সন্দেহ। নগৰবাসীৰ শঠতা, কপটতা, আৰু অকাৰণ-বিলাস-প্ৰিয়তাৰ কথা ভাবি মনত বিৰক্তিৰ ভাব উদয় হয়, আৰু গাৱঁৰ মনমোহা সামাজিক আৰু প্ৰাকৃতিক চিত্ৰ দেখিলে হৃদয় পবিত্ৰ ঐশ্বৰিক প্ৰেমত বিভোৰ হৈ পৰে।

জগদীশ্বৰ! ধন্য তোমাৰ মহিমা, ধন্য তোমাৰ অলৌকিক লীলা, ধন্য তোমাৰ সৃষ্টি কৌশল? গাৱঁলীয়া সৌন্দৰ্য্য তুমি কোন অপাৰ্থিব লেখনীৰে আঁকি মানুহক আচৰিত কৰিছা আৰু শান্তি দিছা তাক তুমিয়েই জানা।

শ্ৰীশশীপ্ৰভা দুৱৰা।

---



# নিৰ্ম্মালি।

এই পুণ্য প্ৰকৃতিৰ ধৰণীৰ নীৰলা কোণত,
সাজিলোঁ যতনে মই যৌবনৰ সমুদ্ৰতীৰত
সঙ্গীতৰ পবিত্ৰ মন্দিৰ। যি পুণ্য আসনখনি
ৰাখিলোঁ তোমাৰ হকে শুচি কৰি শুভ লগ্ন গণি,
ৰহিলাহি আজি তাত, হেৰা মোৰ হৃদয় পূজাৰি,
মোৰ চিৰজনমৰ মানসৰ নিকুঞ্জবিহাৰী।
থাপিলোঁ সুৱৰ্ণ ঘট ভৰি সপ্ত তীৰথৰ পানী,—
মানৱৰ ৰণৰঙ্গ, নিয়ন্তাৰ সুমঙ্গল বাণী,
আনিলোঁ আঁজলি ভৰি সিপাৰৰ গগননীলিমা,
বসন্তৰ সন্ধিয়াৰ পুষ্পময় মৃদু মধুৰিমা,
দেৱতাৰ পূজাৱন্তী প্ৰভাতিৰ বিহঙ্গ কাকলি,
মানৱৰ ঊৰ্দ্ধমুখী বাসনাৰ দৈনন্দিন বলি,
প্ৰণয়ৰ সুধালিপ্ত সুখদুখ সমুদ্ৰ-মন্থন,
জীৱনৰ পুষ্পেভৰা অনন্তৰ ক্ষুদ্ৰ আয়োজন,
আনিলোঁ কতনা আৰু ভুৱনৰ বিচিত্ৰ কাহিনী,—
সত্যৰ বিজয়গীতি, অসত্যৰ পৰাজয় বাণী।
প্ৰাণৰ পূজাৰি মোৰ, ছুলা ৰেবে সুমঙ্গল ঘট,
আৰম্ভিল পূজাকাৰ্য্য জীৱনৰ মাহেন্দ্ৰ ক্ষণত,
বাজিল আৰতি-শঙ্খ, দেৱবৃন্দে দিলে কৰতালি,—
অৰ্পিলা শিৰত মোৰ সুপবিত্ৰ এপাহি নিৰ্ম্মালি।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

# মইনা।

( নাৰী জীৱনৰ এছোৱা )

চন্দ্ৰকান্ত ঘৰলৈ অহাৰ এমাহ মানৰ পাছতে একে চুবুৰিতে একে পৰিয়ালৰ দৰে থকা সুনন্দ বৰবৰাৰ ভনীয়েক মইনাৰ বিয়া হৈ গল। সকলোৰে আশীৰ্ব্বাদত বিবাহ কাৰ্য্যত কোনো গোলমাল হোৱা নাছিল। দৰাৰ বয়স ছোৱালীৰ দুগুণতকৈ বেছি হলেও চকুত লগা জকমকীয়া সাজ পাৰে আৰু তেল টেঙ'ই আৰু মাহ হালধিয়ে নিঠুৰ কালৰ দাগ দৰাৰ মুখত সিমান বৰকৈ পৰিবলৈ নিদিয়াকৈ ঢাকি ৰাখিছিল। এসময়ত যে শিৱনাথৰ মাক বাপেকে মইনাৰ বৰ বায়েকৰ জুৰীয়া ছোৱালীহে তেওঁলৈ উপযুক্ত হব বুলি বিচৰা নাছিল এনে নহয়। এই কথা অৱশ্যে দুই এক নিজৰ মানুহেহে জানে। শিৱনাথ যদিও টোক্ টোক্ টাক্ টাক্ কৈ থোৱা ঘৰৰ আৰু নিজে অলপ পঢ়া শুনাও কৰিছিল তথাপি 'চোকা', 'শিক্ষিত' বুলি সমনীয়াৰ মাজত নাম পোৱা নাছিল। সেই কাৰণে তেওঁৰ খোৰোচাগাঁঠিডাল লগাত ইমান পলম হল।

* * * * *

সুনন্দ বৰবৰুৱাই যে যে তেওঁৰ ভনীয়েকক শিৱনাথলৈ দিলে তাৰো বহুত কাৰণ আছে। বোৱেকে সদায় মইনাৰ দৰাৰ কথা কৈ তেওঁক খেচ্খেচাই থাকে। বোৱেকৰ বৰ ইচ্ছা যে যোৱা বেলি বি-এ মহলাত উঠা হৰিকান্ত মজিন্দাৰ বৰুৱাৰ পুতেক চন্দ্ৰকান্তলৈ মইনাক বিয়া দিয়ে। হৰিকান্ত মজিন্দাৰ বৰুৱা বোৱেকৰ কিবা লগা-ভগা হয়। সেই কাৰণে বোৱেকে হৰিকান্ত মজিন্দাৰ বৰুৱালৈ কোৱাই পঠিয়ালে "চন্দ্ৰ বোপাটীৰ বিয়াৰ কথা শুনিছোঁ। আমাৰ মইনা আইটীকে মই প্ৰস্তাৱ কৰিব খোজোঁ। আপোনালোকে মনে মনে ভবা প্ৰস্তাৱতকৈ এই প্ৰস্তাৱ বহুতৰ ভাল হব।" হৰিকান্ত মজিন্দাৰ বৰুৱা সাধাৰণ ধৰণৰ মানুহ নহয়। 'ডাঙৰ ঘৰ, বিষয় বাসনা থকা ঘৰৰ লগত হে মিতিৰ কৰিব পাৰি', এই মত তেওঁৰ, গতিকে সুনন্দৰ বোৱেকে কৰা প্ৰস্তাৱ গ্ৰাহ্য নহল। ইয়াতে লাজ আৰু বেজাৰ পাই সুনন্দৰ বোৱেকে উজুতে পোৱা শিৱনাথলৈকে হাত মেলিলে। শিৱনাথৰ অইন গুণ থাকক নাথাকক দুবেলা বঢ়িয়াকৈ গাপা ধুই ভোৰতাল বজাই নাম ঘৰত এপৰমান বেলি থাকিহে মুখত চাইটা অন্ন দিয়ে আৰু গাত পানী পৰাৰপৰা চাউল সিজোৱা মধবালৈকে শ্লোকৰ বচন মুখত আঁথে ফুটাদি ফুটি থাকে। ইয়াতে তেওঁ বৰ চৰিত্ৰবান ধৰ্ম্মিষ্ঠ পুৰুষ বুলি নাম পাইছিল। তেও ঘৰত সময়ে সময়ে কোৰ কটাৰীখনো ধৰিছিল। কাৰবাৰ গা-পা বেয়া হলে পুথিপাঁজিখনো তেওঁ মেলিছিল। জৰা-ফুকাত অচলা ভক্তি থকাত সেই সম্বন্ধে তেওঁৰ সুখ্যাতি বহুত দূৰৈলৈকে বিয়াপিছিল। এইকিটা গুণ কোনো কোনোৰ চকুত বৰকৈ জিলিকিছিল। এই গুণৰ কথা সুনন্দৰ বোৱেকৰ কাণত পৰাত তেওঁ ভাবি গুণি ঠিক কৰিলে "শিৱনাথেহে গাভৰু ছোৱালীৰ সুখ দুখ ভালকৈ বুজিব। আমাৰ মইনা শিৱনাথেৰে ভাল জোৰ হব। শিৱনাথ যেনে পোহনীয়া স্বভাৱৰ তেনে মৰমিয়াল গিৰিয়েক হব।" এই কথা সুনন্দক জানিবলৈ দি বিবাহ কাৰ্য্য সোনকালে সমাধা কৰিলে।

* * *

বিয়াত চন্দ্ৰকান্ত উপস্থিত আছিল। চন্দ্ৰকান্ত দৰা-ধৰা হৈছিল। * * বিয়াৰ পাছ দিনা ভোজ। ভোজলৈ থাকিব নোৱাৰোঁ বুলি চন্দ্ৰকান্তই সুনন্দৰ বোৱেকক বিদায় ললেহি। "বোপাটি! আকৌ কলেজৰপৰা ঘূৰি কেতিয়া আহিবানো?" বুলি সুনন্দৰ বোৱেকে সোধা কথাৰ উত্তৰ চন্দ্ৰকান্তই দিবলৈ নৌ পাওঁতেই মইনাৰ ভনীয়েকে আহি কলে "সিকোঠালিত মেজত চাহ দিছোঁ।" চন্দ্ৰকান্তই চাহ খাই থাকোঁতে মইনা এবাৰ সেই ফালে আহিল। চন্দ্ৰকান্তই মইনাক দেখি কলে— "মইনি! আজিৰপৰা আৰু তোমাক নেদেখোঁ। আশা কৰোঁ মইনি তুমি সুখী হবা।"

মইনা—"নাপাহৰিবা" * * *

* * *

জহকালিৰ বন্ধত চন্দ্ৰকান্ত ঘৰলৈ আহিছে। তেওঁ মইনাৰ বেমাৰৰ কথা কলেজত থাকোঁতেই শুনিছিল; গতিকে মইনাৰ এবাৰ বুজ লোৱাটো কৰ্ত্তব্য বিবেচনা কৰিলে। সুনন্দ বৰবৰাৰ ঘৰলৈ আহি অকল মইনাৰ নাম টোহে শুনিবলৈ পালে, স্মৃতিয়েহে মাত্ৰ মইনাৰ ভু-ভাৰ উত্তৰ দিলে। * * মৰাৰ অলপ আগেয়ে ওচৰত যি আছিল তেওঁবিলাকক মইনাই কৈছিল "মোৰ এই জীৱনশূন্য দেহাৰ ওপৰত যাৰ অধিকাৰ আছে তেওঁবিলাকে যেন মোৰ হাতত থকা এই আঙঠি দুটা নোসোলোকোৱাকৈ দাহ কাৰ্য্য কৰে।" সুনন্দৰ বোৱেকে চন্দ্ৰকান্তক অকলৈ মাতি নি, "বোপাটি যি হব লাগে হল! ভাগ্যৰ লগত আমি লুকাভুমুকা কৰোঁ! আমাতকৈ কোনোবা মূৰ্খ আছেনে?" বুলি কৈ চন্দ্ৰকান্তৰ হাতত এটা সৰু বহি দিলে।

বহিটোৰ ওপৰত "মোৰ কথা" বুলি মইনাৰ হাতৰ ডাঙৰ আখৰেৰে লিখা আছিল। বহিটো মেলি চাই পোনেই চন্দ্ৰকান্তৰ নিজৰ নামটো চকুত পৰিল! বহিটোৰ কেবা ঠাইতো তলত দিয়া কথাখিনি চন্দ্ৰকান্তই পাইছিল :—

"চন্দ্ৰ আৰু মই দুইও বাৰীলৈ গৈছিলোঁ। দুইও বগৰি দুইলৈকো দলিওৱা-দলি কৰিছিলোঁ। 'কি লৰাৰ দৰে ধেমালি কৰে' বুলি মই চন্দ্ৰক কৈছিলোঁ। লৰা বোলাত তেওঁ মোক খং কৰিলে।"

"বোৱে চন্দ্ৰৰ নিচিনা এনে ভাল লৰা কোনো নাই বুলি কৈছিল। মই জানো, সঁচাকৈ নাই। তেওঁ এজন ডাঙৰ মানুহ হব। আধামৰা, ঘাইল হোৱা মানুহ-বোৰক শুশ্ৰূষা কৰিবলৈ তেওঁ বোলে ৰণলৈ যাবলৈ ওলাইছে। যদি যায় মইও লৰাৰ দৰে পোছাক পিন্ধি তেওঁৰ পাছে পাছে যাম। মই নিজে ঘাইল নোহোৱা মানলৈকে মই কোন তেওঁ জানিব নোৱাৰিব। ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা যেন তেওঁ কেতিয়াও ঘাইল নহয়। তেওঁ আহত হলে যে মই কি কৰিম কব নোৱাৰোঁ।"

"নলিনীৰ মাকে কয় মোৰে আৰু চন্দ্ৰৰে কিবা এটা বৰ মিল আছে; কথা-বতৰা, আও-ভাও আমাৰ দুইবো বোলে একে। তেওঁ মই মূৰ তললৈ কৰি থকাত বেয়া পায়—মানুহৰ চকুলৈ নোচোৱা বাবে মোক লাজ দিয়ে। মই জানো মই কেচু কুমটি নিবিচাৰোঁ।"

" * * মই ইয়াৰপৰা যাব লগা হোৱাত চন্দ্ৰই বেয়া নাপালে। তেওঁ অকল লৰা আৰু মানুহহঁতহৰ লগহে ভাল পায়। কোনোবাই যেন মোৰ কাণে কাণে কৈছে 'তই আৰু কোঁঞৰপুৰলৈ ঘূৰি আহিবলৈ নাপাব।' চন্দ্ৰই বঙালী পাতৰ চোলা পিন্ধি আছিল। 'মোৰ মইনা' বুলি মোৰ হাতত ধৰি মোক বিদায় দিলে। চন্দ্ৰই নাজানে যে তেওঁ ককাইদেউৰ কোঠালিত শুই থাকোঁতে মই তেওঁৰ গালত এটোপা চকুপানী ৰাখি বিদায় লৈছিলোঁ। তেওঁৰ এখনি হাত বিছনাত একতীয়াকৈ পৰি ওলমি আছিল, মই ধৰি তুলি থলোঁ। * * মোৰ যে মনত সুখ নাই মই এইটো কাকো জানিবলৈ নিদিওঁ, অইন কি বউকো নিদিওঁ। বোৱে কৈছিল মই আজিকালি নপঢ়োনেমেলোঁ। সেইটো নহয়। মোৰ নামটো লেখিবলৈ ভাল পাওঁ, মোৰ নাম মইনা আৰু তেওঁৰ নাম চন্দ্ৰ!"

"এইটো আঙঠি চন্দ্ৰৰ। আজি ৰাতি তেওঁৰ বিয়া হব। মানুহবোৰে এতিয়া



ভাত খাইছে। ১২ বাজিছে। মই তেওঁক হোমৰ আগত থিয়হৈ থকা দেখিছোঁ। চন্দ্ৰৰ ঘৈণীয়েক—নিশ্চয় অতি সুন্দৰী হব! তেওঁ বিয়া কৰালে যেতিয়া মোক আৰু ভাল পাব। বোৱে কৈছে তেওঁবিলাক দুইয়ো একে লগে থাকিব নোৱাৰে। কেনে শোক লগা কথা! ঈশ্বৰে যেন তেনে নকৰক! এই ক্ষুদ্ৰ জীৱৰ মিনতি তেওঁ শুশুনিব নে?"

"মই চন্দ্ৰক লগ পাইছিলোঁ। চন্দ্ৰই মোক এতিয়া ঘিণ কৰে।"

"মই জীয়াই থাকিব নোৱাৰোঁ। চন্দ্ৰই মোক ঘিণ কৰে। মই এতিয়াহে বুজিছোঁ চন্দ্ৰই মোৰ হাতত ধৰি 'তোমাক আৰু নেদেখোঁ' বুলি বিদায় লোৱাৰ অৰ্থ। তেওঁ যেতিয়াই মোক হাতত ধৰি বিদায় দিছিল তেতিয়াই মই যদি মৰি গলোঁ হেঁতেন। তেওঁ মোক এই দৰে বিদায় লব নালাগিছিল।"

"মোৰ আৰু পৰিত্ৰাণ নাই। চন্দ্ৰই কৈছিল মই মৰাই ভাল। তেওঁ যি কৰিব মই তাক কৰিবলৈ কিয় ভয় কৰিম? মোৰ স্বামীয়ে মোক ডোখৰ ডোখৰ কৈ কটাহেঁতেনো মই অতি সহজে সহ্য কৰিব পাৰিলোঁহেঁতেন। মোৰ স্বামী বৰ দয়ালু, মোক ৰং লগাবলৈ সদায় চেষ্টা কৰে। তেওঁ অলপতে অসুখী হব। মই ঈশ্বৰক গোটেই নিশাটো প্ৰাৰ্থনা কৰিছোঁ। কিন্তু মই যিমানেই তুতি মিনতি কৰিছোঁ মই তেওঁক নেদেখা হৈছোঁ যেন লাগিছে।

"এক বাজিবলৈ আৰু ১৫ মিনিট আছে। কাইলৈ এই সময়ত আৰু মই জীয়াই নাথাকো। চন্দ্ৰক আৰু চকুৰে নেদেখোঁ। কালি মই সমাজিকত দেখিছোঁ চন্দ্ৰই মইয়ে একে লগে বহি কথা পাতি আছোঁ। আমি দুইও সৰু লৰা ছোৱালী; কিন্তু মই ভাবিছিলোঁ আমাৰ বিয়া হল। মই যে তেওঁৰ আঙঠি পিন্ধিছোঁ তাক তেওঁক দেখুৱালোঁ। তেওঁ কলে 'মইনা তুমি যদি মোৰ এই আঙঠিটো সদায় পিন্ধা তুমি মোৰ ঘৈণীৰ নিচিনা হবা।' তেতিয়া মই চন্দ্ৰক চিৰকাল আঙঠিটো পিন্ধি থাকিম বুলি অঙ্গীকাৰ কৰিলোঁ। * * বোৰ একো দোষ নাই। চন্দ্ৰই আৰু মই এইবোৰ কথা যেনেকৈ ভাবোঁ সেই দৰেতো বোৱে নাভাবে। চন্দ্ৰ ভীৰু নহয়, মইও নহওঁ। তেওঁ ভীৰু মানুহক ঘিণ কৰে। * * মই এইমাত্ৰ যেন শুনিলোঁ 'মইনি আঁহা, মোৰ ওচৰলৈ আঁহা' বুলি চন্দ্ৰই মতা। নিশ্চয় চন্দ্ৰই মোলৈ বাট চাই আছে। মই যাওঁ কলৈ কব নোৱাৰোঁ। মই আৰু একো ভাবিব নোৱাৰোঁ। মোক জ্বাৰে ধৰিছে।"

"চন্দ্ৰ এটি সৰু লৰা বুলি মোৰ মনত পৰিছে। সৰু লৰা আৰু ডাঙৰ লৰা। তেওঁৰ মাত কেনেকুৱা আছিল মোৰ ঠিক মনত নপৰে। তেওঁৰ হাঁহি কোৱা 'মইনী' 'চেনেহী' এনেকুৱা দুটা চাইটা কথাহে মোৰ বেছকৈ মনত পৰে। আমি দুইয়ো এদিন ধানখেৰৰ দমৰ ওপৰত বাগৰি-জুগৰি বৰ হাঁহিছিলোঁ। চন্দ্ৰৰ এজন বন্ধু আছিল ; তেওঁ পদ্য লেখিছিল সেইদেখি তেওঁৰ বৰ গপ হৈছিল। মোক যদি চন্দ্ৰৰ বয়নীয়া এজন লৰাৰ লগত বিয়াদিলেহেতেন মই ইয়াতকৈ কিবা বেছি সুখী হলোঁহেতেন জানো? মই বুজিছোঁ মোৰ মৃত্যু অনিবাৰ্য্য। ঈশ্বৰে মোলৈ নাচায়। এতিয়া ২ বাজি গৈছে। কাউৰিবোৰে সেহাই সেহাই কা কা কৈ মাতিছে। বাহ্নত বৰ চেঁচা হব পায়। বিদায় চন্দ্ৰ !!"

* * *

সুনন্দৰ বৌৱেক—"বোপাটি ঈশ্বৰৰ লগত হাতালি খেলি যি পালোঁ পালোঁ। আজি মই তোমালোকৰ ঘৰলৈ যাম। বোপাটি তুমিও যেন মোৰ লগত যোৱা। তোমাৰ ঘৰেৰে অমিল হৈ থকাটো ভাল নহয়। তুমি ঘৰলৈ নোযোৱাত তোমাৰ বৈণীয়াৰাৰ যে দুখ মই জানো। মোৰ অন্তৰৰে সৈতে ইচ্ছা আজি মই তোমালোক দুইকো মিলাই দিম।"

চন্দ্ৰ—"মই এজনক মাৰিলোঁ। মই এতিয়া কেনে অৱস্থাত আছোঁ তেওঁ দেখিছে। মই আপোনাৰ লগত ঘৰলৈ যাব নোৱাৰোঁ। যাৰে মোৰ মিল কৰাব খুজিছে তেওঁৰ মই উপযুক্ত নহওঁ। আত্মঘৃণাত সমুচিত পৰাচিত নহয় মানে মই কাৰেও আৰু মিল হোৱা আশা নকৰোঁ। মোৰ মূৰত মৃত্যু-অভিসম্পাত পৰিছে। আপুনি যদি আমাৰ ফালৈ যায় কব মই বিদেশলৈ ওলালোঁ। যেতিয়ালৈকে মই শাও গুচাব নোৱাৰো তেতিয়ালৈকে মই কাকো 'মোৰ' বুলি কাৰো ওপৰত মই দাবি কৰিবলৈ নাহোঁ। ঈশ্বৰে যেন আমাক সকলোকে সহায় কৰে।"

সুনন্দৰ বৌৱেকৰ চন্দ্ৰৰ এই কথাত উত্তৰ দিবলৈ শক্তি নোহোৱা হৈছিল। থাকিবলৈ ৰ বলৈকো মাত নুফুটিল। চন্দ্ৰ গুচি গল !!

শ্ৰীস্নেহ।

---



# বিদ্ৰোহত হিন্দুধৰ্ম্মৰ উন্নতি।

( ২ )

আমি আগৰ প্ৰবন্ধত কৈছোঁ যে যাগযজ্ঞ কৰ্ম্মকাণ্ডমূলক ব্ৰাহ্মণ্যধৰ্ম্ম আৰু ব্ৰাহ্মণৰ প্ৰাধান্যৰ প্ৰথম বিদ্ৰোহ অৰ্থাৎ প্ৰথম প্ৰতিবাদ উপনিষদ ৰচোঁতাসকলৰ দ্বাৰাই হয় ; আৰু প্ৰতিবাদকাৰী বিদ্ৰোহীসকলৰ চিন্তা আৰু ৰচনাৰে সৈতে বিদ্ৰোহীসকল ব্ৰাহ্মণ্যধৰ্ম্মৰ আৰু বেদৰ ভিতৰুৱা ( incorporated ) হৈ পৰে ; আৰু সেই কাৰ্য্যৰ ফলত হিন্দুধৰ্ম্মই আৰু বহল আৰু সজীৱ হৈ আধ্যাত্মিক ৰাজ্যত অতি ওখ আসন অধিকাৰ কৰে। উপনিষদ আৰু দৰ্শনৰ চিন্তা আৰু শিক্ষাৰ ফলত যেতিয়া হিন্দুৱে বুজিব পাৰিলে যে কৰ্ম্মকাণ্ডবিহিত যাগযজ্ঞ মুক্তিৰ উপায় নহয়, জ্ঞান হে মুক্তিৰ উপায়, তেতিয়া তেওঁলোকৰ মনত প্ৰশ্ন হল, এই জ্ঞান লাভ কৰিব পৰা যাব কেনেকৈ ? এই জিজ্ঞাসাৰ উত্তৰ তেওঁলোকে পালে :—একাগ্ৰভাৱে চিন্তা ( contemplation )। তেনেহলে চিন্তাৰ একাগ্ৰতা ৰক্ষা কৰিবৰ নিমিত্তে নিৰলা ঠাইৰ আৱশ্যক হল, যত বহি গভীৰ চিন্তা কৰিলে মন বিক্ষিপ্ত হব নোৱাৰে। এনে ঠাই পৰ্ব্বতৰ গহ্বৰ গহন অৰণ্য আদি নিৰ্জ্জন প্ৰদেশ। সেই দেখি এনেবোৰ ঠাইত একাগ্ৰভাৱে চিন্তাৰ ব্যৱস্থা হল। একাগ্ৰ চিন্তাৰ নামেই তপস্যা। প্ৰথমতে যি চিন্তা বা তপস্যা মুখ্যবস্তু জ্ঞান লাভ বা ঈশ্বৰতত্ব লাভৰ নিমিত্তে উপায় স্বৰূপে নিৰ্দ্ধাৰিত হৈছিল, কালক্ৰমত সেই তপস্যা বা উপায়েই মুখ্য ঠাই অধিকাৰ কৰিলে। আগেয়েও এনে হৈছিল,—অৰ্থাৎ বৈদিক কালত দেৱতাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ কৰা যজ্ঞ ( Sacrifice ) আৰু স্তোত্ৰই ( Prayer ) লাহে লাহে আচল উদ্দেশ্যৰ মুখ্য ঠাই অধিকাৰ কৰি বহিছিল। ফলত নানা উপায়েৰে শৰীৰক কষ্ট দিয়া আৰু ক্লেশ কৰা কঠোৰ তপস্যাৰ আড়ম্বৰে কালক্ৰমত জ্ঞানমাৰ্গ অধিকাৰ কৰিলে, আৰু তপস্যাৰ নানা প্ৰকাৰ বিধি-বিধান সৃষ্ট হল আৰু সেইবোৰ বিধি-বিধান দিওঁতাৰ আৱশ্যকতা উপস্থিত হল। এই নতুন ধৰ্ম্মকাৰ্য্যৰ বিধি দিওঁতা পুৰোহিত শ্ৰেণীৰ সকাম যেতিয়াই ওলাই পৰিল তেতিয়াই চিৰকাল বিধি-বিধান দি পুৰোহিতৰ কাম কৰোতা ব্ৰাহ্মণে টপ্ কৰে সেই আসন অধিকাৰ কৰি তেওঁলোকৰ পুৰণি ক্ষমতা হিন্দু সমাজত অক্ষুণ্ণ ৰাখিলে।

Official Brahmanism-অৰ বিৰুদ্ধে অৰ্থাৎ ব্ৰাহ্মণৰ এনে প্ৰাধান্যৰ

বিৰুদ্ধে দ্বিতীয়বাৰ বিদ্ৰোহ ঘোষণা, কপিলবাস্তুৰ শাক্যবংশৰ ক্ষত্ৰিয় ৰাজকুমাৰ গৌতম বুদ্ধৰ দ্বাৰাই হল। বাৰাণসী বা কাশীৰ উত্তৰ ফালে এশ মাইলমান দূৰত নেপালৰ সীমাৰ কাষত কপিলবাস্তু ৰাজ্য আছিল। খৃষ্ট জন্মৰ প্ৰায় ৫০০ বছৰৰ আগেয়ে কপিলবাস্তুৰ ৰজা শুদ্ধোদনৰ এটি পুত্ৰ জন্মে; তেওঁৰ নামেই গৌতম। ৰাজকোৱঁৰ সৰুৰেপৰা চিন্তাশীল আৰু বিষয়বিৰাগী আছিল। তেওঁ ক্ষত্ৰিয়ৰ সকলো বিদ্যা আৰু হিন্দু শাস্ত্ৰাদিত নিপুণ হৈয়ো সেইবোৰত অনুৰক্ত নহৈ সদায় চিন্তাশীল আৰু বিষয়-বিৰাগী স্বভাৱৰ হোৱা বাবে, তেওঁৰ সেই স্বভাৱ গুচাবলৈ বাপেকে তেওঁক সুন্দৰী ৰাজকন্যা এটী বিয়া কৰাই দিলে। কিন্তু গৌতমৰ চিন্তা-শীলতা আৰু বৈৰাগ্য গুচা দূৰৰ কথা, বাঢ়িলহে। গৌতমৰ এটি লৰা হল। লৰাটি হোৱা শুখবৰ অন্তঃপুৰৰপৰা তেওঁৰ ওচৰ পালত, সেই খবৰ শুনি তেওঁ আনন্দ নাপাই বৰং কলে—"আকৌ এই এডাল নতুন আৰু টান বান্ধোনৰ জৰী মই ছিঙ্গিব লগীয়াত পৰিলোঁ।" ৰাজকুমাৰ গৌতমৰ এই কথাৰ বিষয়ে শুনিলে, অনেক পিছৰ কালৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱলৈ আমাৰ মনত পৰে। "শঙ্কৰদেৱ গাংমৌত থাকোঁতেই তেওঁৰ বৰ পুতেক ৰমানন্দ ঠাকুৰৰ জন্ম হয়। যি সময়ত ৰমানন্দৰ জন্ম হয়, সেই সময়ত শঙ্কৰদেৱ ভকত ভূঞাঁসকলেৰে সৈতে সভা কৰি বহি আছিল; এনেতে তেওঁৰ বুঢ়ী দাসী চন্দৰীয়ে আহি তেওঁক খবৰ দিলেহি—"ডেকাগিৰি, তোমাৰ এটি পুত্ৰ জন্ম হৈছে।" এই খবৰ শুনি শঙ্কৰদেৱে আনন্দ প্ৰকাশ নকৰি, বিষাদিত মনেৰে, তলত দিয়া গীতটি গালে—

"পাৱে পৰি হৰি, কৰোঁহো কাতৰি, প্ৰাণ ৰাখবি মোৰ।
বিষয় বিষধৰ বিষে জৰজৰ জীৱন নৰহে আৰ॥
অথিৰ ধনজন জীৱন যৌবন অথিৰ এই সংসাৰ।
পুত্ৰ পৰিবাৰ, সবহি অসাৰ কৰবো কাহেৰি সাৰ॥
* * * *
কহতু শঙ্কৰ এ দুখ সাগৰ পাৰ কৰা হৃষিকেশ।
তুহু গতিমতি, দেহ শ্ৰীপতি তব পথ উপেদশ॥"

ইয়াৰ পিছত ৰাজকোৱঁৰ গৌতমে ৰাজ্য, ধন, সুন্দৰী ভাৰ্য্যা, প্ৰাণসম পুত্ৰ পৰিত্যাগ কৰি পৰম তত্ত্ব বিচাৰি বুদ্ধগয়াৰ গভীৰ অৰণ্যলৈ গৈ তপস্যাবাদী ব্ৰাহ্মণসকলৰ ব্যৱস্থা মতে কঠোৰ তপস্যা আৰম্ভ কৰিলে। এবছৰ নহয়, দুবছৰ



নহয়, দীঘল ছবছৰ তেওঁ শৰীৰক অশেষ ক্লেশ অশেষ যন্ত্ৰণা দি, Sincere ভাৱে তপস্যা কৰিলে। কৰি কি পালে? তেওঁ তেওঁৰ ঈপ্সিত বস্তু নে? উহ,—নেপালে! বৰং তেওঁ ভালকৈহে দেখিলে যে বৈদিক কালৰ যজ্ঞবহুল কৰ্ম্মকাণ্ডৰ ব্যৱস্থা মুক্তি আৰু তত্ত্বজ্ঞান লভিবৰ নিমিত্তে যেনে অসাৰ্থক, এই কঠোৰ তপস্যাৰ ব্যৱস্থাও তেনে অসাৰ্থক। গৌতমে ইয়াকে দেখি বিৰক্ত হৈ তপস্যা পৰিত্যাগ কৰি আহি বোধিদ্ৰুমৰ তলত বহি চিন্তা কৰিবলৈ লাগিল। চিন্তা কৰোঁতে কৰোঁতে হঠাৎ পৰম সত্যৰ পোহৰে তেওঁৰ মনত বিজুলীৰ চমক মৰাদি মাৰিলে। গৌতমৰ মনত এই সত্য প্ৰতিভাত হল:—জীৱনৰ উদ্দেশ্য, জীৱহিংসা কৰি পশুবলি দি, মন্ত্ৰ মাতি স্বৰ্গ প্ৰাপ্তিৰ কামনা কৰাটো নহয়; অথবা কঠোৰ যোগ অভ্যাস কৰি ক্লেশ-দায়ক তপস্যা কৰি অলৌকিক ক্ষমতা লাভ কৰাটোও নহয়। জীৱনৰ উদ্দেশ্য নিৰ্ব্বান লাভ। নিৰ্ব্বান মানে মনৰ পাপ বিনাশ, সুখৰ আসক্তিৰ বিনাশ, যিবোৰ বিনাশ নোহোৱা বাবে মানুহৰ ক্লেশকৰ পুনৰ্জন্ম হয়। এই নিৰ্ব্বান, শান্তভাৱে, পবিত্ৰ ভাৱে, পৰোপকাৰ আৰু সকলো জীৱৰ প্ৰতি কৰুণাৰ জীৱন যাপন কৰিলেহে লাভ কৰিব পাৰি। অহিংসাই পৰম ধৰ্ম্ম।—এই শিক্ষা এই ধৰ্ম্ম প্ৰচাৰ কৰিবৰ নিমিত্তে খৃষ্ট জন্মৰ প্ৰায় ৫০০ বছৰৰ আগেয়ে বুদ্ধদেৱে এচিয়াৰ চাৰিউফালে বৌদ্ধ ভিক্ষু ধৰ্ম্মপ্ৰচাৰক সকলক পঠিয়াইছিল। বুদ্ধই এই মহাধৰ্ম্ম প্ৰচাৰ কৰা কালত ভাৰতত পুৰণি যাগ-যজ্ঞপ্ৰধান কৰ্ম্মকাণ্ডৰ ধৰ্ম্ম, আৰু তাৰ পিছত তপস্যাপ্ৰধান ধৰ্ম্ম, এই দুই ব্ৰাহ্মণ্য ধৰ্ম্ম প্ৰচলিত আছিল। পিছৰ তপস্যাপ্ৰধান ধৰ্ম্মকো ব্ৰাহ্মণ্য ধৰ্ম্ম বুলিছোঁ এইবাবে যে, সেই বিদ্ৰোহৰ ধৰ্ম্মকো কৰ্ম্মকাণ্ডবাদী ব্ৰাহ্মণসকলে নিজৰ সীমাৰ ভিতৰত সুমাই লৈ তাৰো পুৰোহিত আৰু উপদেষ্টা হৈ নিজৰ সামাজিক প্ৰাধান্য অক্ষুণ্ণ ৰাখিছিল। আমি পিছত দেখিম, বুদ্ধৰ ধৰ্ম্মকো কালক্ৰমত যদিও ভাৰতৰ বাজ কৰি দিয়া হল, বুদ্ধদেৱক তেওঁলোকে ঈশ্বৰৰ দশ অৱতাৰৰ ভিতৰৰা এজন অৱতাৰ বুলি আৰু বুদ্ধৰ ঘাইভাগ শিক্ষাকে নিজৰ কৰি গ্ৰহণ কৰি ব্ৰাহ্মণ্য ধৰ্ম্ম বা হিন্দু-ধৰ্ম্মৰ পুষ্টি সাধন কৰিলে। এটা কথা এই থিনিতে কোৱা আৱশ্যক যে, বুদ্ধই যদিও বেদপথৰ (কৰ্ম্মকাণ্ডৰ) বিৰোধে শিক্ষা দিছিল, তথাপি বৈদিক দেৱতাসকলক একেবাৰেই দলিয়াই পেলোৱা নাছিল। তেওঁ কৈছিল যে জীৱনৰ মুখ্য উদ্দেশ্য নিৰ্ব্বান—দেৱতাসকলে দিব নোৱাৰে, কাৰণ দেৱতাসকলে নিজেই সেই নিৰ্ব্বাণ পোৱা নাই; নিজে নোপোৱা বস্তু তেওঁলোকে আনক কেনেকৈ দিব?

এতেকে দেৱতাসকলক সন্তুষ্ট কৰিবৰ আৰু স্বৰ্গ লাভ কৰিবলৈ যাগযজ্ঞ বলি দি তেওঁলোকৰ অনুগ্ৰহ ভিক্ষা কৰিবৰ একো সকাম নাই। বুদ্ধৰ এইটো শিক্ষাও কৰ্ম্মকাণ্ডমূলক বেদৰ প্ৰতিবাদকাৰী বিদ্ৰোহী উপনিষদ ৰচোতাসকলৰ নিচিনাই শিক্ষা। উপনিষদে বেদৰ বিৰুদ্ধে শিক্ষা দিও বৈদিক দেৱতাসকলক অলাগতীয়া ভাবি একালে কাষৰীয়া কৰি থৈ দিছিল; বুদ্ধদেৱেও তাকে কৰিলে। ভাৰতীয় বিদ্ৰোহৰ লক্ষণেই এনেকুৱা। আগেয়েও কৈছোঁ এতিয়াও আকৌ কওঁ,—ভাৰতীয় বিদ্ৰোহে পুৰণি ভেটি একেবাৰেই খানি-কুৰি নিৰ্ম্মূল কৰি তাৰ চিন-মোকাম নাইকিয়া নকৰে। পুৰণিৰ প্ৰতি অসন্মান প্ৰকাশ কৰা ভাৰতীয় ধৰ্ম্মশিক্ষকসকলৰ স্বভাৱ নহয়। ভাৰত-সন্তান বুদ্ধদেৱও সেই লক্ষণবিহীন নাছিল। কৰ্ম্মকাণ্ড আৰু ব্ৰাহ্মণ্যধৰ্ম্মৰ প্ৰতিবাদকাৰী গীতাকাৰৰ গাতো এই লক্ষণ জাজ্জ্বল্যমান দেখা যায়। গীতাই কৰ্ম্মকাণ্ডবাদী বেদত বিশ্বাস নকৰি তাক পুষ্পিত বাক্য বুলি কৈয়ো বেদৰ সন্মান সম্পূৰ্ণৰূপে ৰক্ষা কৰিবলৈ শিক্ষা দিছিল। বঙ্গৰ চৈতন্যদেৱ আৰু আসামৰ শঙ্কৰদেৱ মাধৱদেৱৰ ধৰ্ম্ম প্ৰচাৰতো এই লক্ষণ ফট্‌ফটীয়া। তেওঁলোকে তেওঁলোকৰ মুখ্য শিক্ষা আচুতীয়াকৈ ৰাখি বেদৰ কৰ্ম্মকাণ্ডৰ কথালৈ চকু নিদিছিল,—যেতিয়ালৈকে সেইবোৰে তেওঁলোকৰ মুখ্যবস্তু হৰিভক্তি নামধৰ্ম্মৰ বাটত কোনো বিঘিপথালি নকৰিছিল; কিন্তু সেই বস্তুৰ এচুলিমানো প্ৰতিবন্ধকতাচৰণ কৰা দেখিলে সেইবোৰৰ বিপক্ষে তেওঁলোকে হাতত খাণ্ডা তুলি লৈছিল। সমাজবন্ধনৰ আচাৰ ব্যৱহাৰ নিয়ম-কাৰোণত তেওঁলোকে টানকৈ হাত নিদিছিল, কাৰণ তেওঁলোকে দেখিছিল যে সেইবোৰ গৌণ বস্তুহে। য়ুৰোপীয় আৰু আৰবীয় আৰু ভাৰতীয় বিদ্ৰোহীৰ Revolutionaryৰ বিদ্ৰোহৰ পাৰ্থক্য এই খিনিতে। এই কাৰণৰ নিমিত্তেই বৌদ্ধধৰ্ম্ম ভাৰতৰপৰা অন্তৰ্হিত হলতো ভাৰতীয় বৌদ্ধ-সমাজ আকৌ বিনাকষ্টতে হিন্দু-সমাজলৈ পৰিবৰ্ত্তিত হব পাৰিছিল। আৰু একাষাৰ কথা এই খিনিতে কওঁ, যে খৃষ্টান আৰু মুছলমান ধৰ্ম্ম সনাতন আৰ্য্যধৰ্ম্মৰপৰা যেনেকৈ বিভিন্ন, আচলতে বৌদ্ধধৰ্ম্ম তেনে নহয়। নানা ঠাইত পৰ্ব্বতৰ শিলৰ গাত কটা আৰু স্তম্ভত কটা অশোকৰ অনুশাসন লিপিবোৰ আজিকালি যিবোৰ আবিষ্কৃত হৈছে, সেইবোৰৰপৰা স্পষ্টকৈ দেখা যায় যে বুদ্ধই বিশেষ একো নতুন ধৰ্ম্ম প্ৰচাৰ কৰা নাছিল; বৌদ্ধধৰ্ম্ম সনাতন বৈদিক ধৰ্ম্মৰে এটা ঠাল মাথোন। সাংখ্যদৰ্শনৰ চিন্তাই বুদ্ধৰ চিন্তাৰ গুৰি। বুদ্ধই দেখুৱা পথ, মুক্তি বা নিৰ্ব্বাণৰ এটি পথ মাথোন। সনাতন বৈদিক



ধৰ্ম্মৰে সৈতে বৌদ্ধধৰ্ম্মৰ পাৰ্থক্যতকৈ সাদৃশ্যই বেছি। বৌদ্ধধৰ্ম্ম আৰু জৈনধৰ্ম্মও হিন্দুধৰ্ম্মৰ শাখা। জৈন আৰু ভাৰতবৰ্ষীয় বৌদ্ধ,—হিন্দুৰ ভিতৰুৱা, তেওঁলোক অহিন্দু নহয়। বৌদ্ধধৰ্ম্ম ঘাইকৈ দুটা ডালত বিভক্ত—এটাৰ নাম মহাযান, আনটোৰ নাম হীনযান। ভাৰতবৰ্ষত, তাতাৰত মহাযান মত প্ৰচলিত আছিল, চীন আৰু জাপানত এতিয়াও আছে। মান আৰু লঙ্কা আদি দেশত হীনযান প্ৰচলিত। মহাযান বৌদ্ধমত আৰু আচাৰ বৈদিক আচাৰৰপৰা বিশেষৰূপে সুকীয়া নহয়। মাথোন এটি বিষয়ত পিছৰ কালৰ বৈদিক আচাৰৰপৰা বৌদ্ধাচাৰৰ প্ৰভেদ দেখা যায়,—সেইটি, ব্ৰাহ্মণৰ যাজকতা আৰু সন্ন্যাসত অকলশৰীয়া অধিকাৰ নমনা। বৌদ্ধধৰ্ম্মত ব্ৰাহ্মণৰ বাহিৰেও আন জাতিৰ মানুহেও বৌদ্ধ শ্ৰমণ বা ভিক্ষু হব পাৰিছিল। বুদ্ধই ব্ৰাহ্মণ যে শ্ৰেষ্ঠ সেইটো মানিছিল, কিন্তু স্পষ্টকৈ কৈছিল, যে অকল ব্ৰাহ্মণৰ লৰা হলেই যে তেওঁ ব্ৰাহ্মণৰ গুণসম্পন্ন নহলেও ব্ৰাহ্মণ হল এনে নহয়, আন জাতৰ মানুহো প্ৰকৃত ব্ৰাহ্মণৰ গুণসম্পন্ন হলে ব্ৰাহ্মণ হৈ সন্মান আৰু ধৰ্ম্মোপদেষ্টাৰ আসন লভিবৰ অধিকাৰী হয়। হিন্দুধৰ্ম্মত বা বৈদিকধৰ্ম্মত গুৰিতে বৰ্ণবিভাগৰ মূল মন্ত্ৰও এয়েইহে আছিল। তাৰে সৈতে বুদ্ধৰ এই বিধানৰ অমিল নাই। ভাৰতবৰ্ষত বৌদ্ধযুগৰ আগৰেপৰা বৰ্ণভেদ প্ৰচলিত আছিল। বেছকৈ বুজা যায় যে বুদ্ধদেৱ ধৰ্ম্ম-বিপ্লৱৰ পক্ষপাতী নাছিল; তেওঁ সামাজিক আচাৰ ব্যৱহাৰৰ পৰিবৰ্ত্তনৰ নিমিত্তে চেষ্টিত নাছিল; কেৱল জীৱই কেনেকৈ প্ৰকৃত জ্ঞান লাভ কৰি, সাংসাৰিক ক্লেশৰ হাত সাৰি, আৰু পুনৰ্জ্জন্ম—যাৰ নিমিত্তে সংসাৰলৈ আহি ক্লেশৰ হাতত পৰিব লাগে—সেই পুনৰ্জ্জন্ম কেনেকৈ এৰাব পাৰিব তালৈহে তেওঁ লক্ষ্য ৰাখিছিল। সেইদেখি বুদ্ধ জীয়াই থকা কালত বৌদ্ধধৰ্ম্মৰ দ্বাৰাই ভাৰতবৰ্ষত কোনো বিশেষ বিপ্লৱ নঘটিছিল। ভাৰতবৰ্ষ বৰ্ণভেদপ্ৰধান দেশ; চীন, জাপান, তাতাৰ, ব্ৰহ্ম বৰ্ণভেদ নথকা দেশ। যি দেশত যেনে আচাৰ-ব্যৱহাৰ তেনে আচাৰ ব্যৱহাৰ থাকিও বা ৰাখিও, সেই সেই দেশত বৌদ্ধধৰ্ম্ম প্ৰচাৰিত হৈছিল। জাপান, চীন, তাতাৰ, ব্ৰহ্ম, সিংহলৰ বৰ্ণাশ্ৰম নথকা বৌদ্ধধৰ্ম্ম দেখি মানুহৰ, বিশেষকৈ আজিকালিৰ পাশ্চাত্যসকলৰ ধাৰণা হৈছে, যে বৌদ্ধধৰ্ম্ম বৰ্ণাশ্ৰম জাতবিধ্বংসকাৰী ধৰ্ম্ম বুলি; আচলতে সি তেনে নহয়। ভাৰতত বৌদ্ধধৰ্ম্ম প্ৰচাৰিত হোৱা কালতো পুৰণি বৰ্ণভেদ প্ৰায় অক্ষুণ্ণ আছিল। সাংখ্যমতবাদী হলে যেনেকৈ হিন্দুৰ হিন্দুত্ব নগৈছিল, শাক্ত, শৈৱ, বৈষ্ণৱ পৰস্পৰ বিৰুদ্ধ মতাৱলম্বী হৈয়ো যেনেকৈ হিন্দুৰ

সীমাৰ ভিতৰত বৌদ্ধ আৰু জৈনও তেনে আছিল; জৈনসকল এতিয়াও তেনেকুৱাই হৈ আছে। পুৰণিকালত ব্ৰাহ্মণে বৌদ্ধধৰ্ম্ম অৱলম্বন কৰিও ব্ৰাহ্মণোচিত দ্বিজাতি সংস্কাৰবোৰ ত্যাগ নকৰিছিল। জৈন এতিয়াও ক্ষত্ৰিয় হলে ক্ষত্ৰিয়াচাৰ, আৰু বৈশ্য হলে বৈশ্যাচাৰৰ অনুগামী। তেওঁলোকে ব্ৰাহ্মণসকলক যথেষ্ট শ্ৰদ্ধা ভক্তি কৰে; এতিয়াও তেওঁলোকৰ ভিতৰত চতুৰ্বৰ্ণ বিভাগ বেছ আছে। বৈশ্যজৈনই বৈশ্যজৈনৰ ছোৱালী বিয়া কৰায়। খোৱা-লোৱাতো তেওঁলোকে বৰ্ণভেদ মানে। আগৰ ভাৰতৰ বৌদ্ধসকলো তেনে আছিল। তেওঁলোকেৰে সৈতে হিন্দুৰ সামাজিকতাৰ মিল আছিল।

বৌদ্ধসম্ৰাট অশোকৰ অনুশাসনবোৰ পঢ়িলে সুন্দৰকৈ দেখি যে ব্ৰাহ্মণসকলৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা ভক্তি অটুট আছিল। ব্ৰাহ্মণসকলৰ প্ৰতি ভক্তি প্ৰদৰ্শন কৰিবলৈ তেওঁ বাৰেবাৰে উপদেশ দিছে। ব্ৰাহ্মণ আৰু শ্ৰমণসকলক তেওঁ বৰ সম্মান কৰিছিল, দান কৰিছিল, আৰু সেইটো বৰ পবিত্ৰ কাৰ্য্য বুলি তেওঁ তেওঁৰ প্ৰজাবোৰক উপদেশ দি সেই উপদেশ শিলত লেখাই সকলোৰে দেখাকৈ থৈছিল। ধৰ্ম্ম লৈ য়ুৰোপত সময়ে সময়ে ৰক্তপাত, জুই দি মানুহ পোৰা ইত্যাদি যেনেবোৰ বীভৎস কাণ্ড হৈছিল, ভাৰতবৰ্ষত আৰু এচিয়াৰ পূৰ ডোখৰত তেনে কাণ্ড হোৱা শুনা নাযায়। নিজৰ ধৰ্ম্মবিশ্বাসলৈ লোকক আনিবলৈ চেষ্টা কৰা মানুহ মাত্ৰৰেই স্বভাৱ; কিন্তু তাৰ নিমিত্তে নৰহত্যা, ৰক্তপাত আদি বীভছ কাণ্ডই ভাৰতীয় মানুহৰ কোমল অন্তঃকৰণত কেতিয়াও ঠাই নাপায়। গীতাত ভগৱন্তৰ উক্তি :—

"যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহং।
মম বৰ্ত্মানুবৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্ব্বশঃ॥"

ভাৰতীয় হিন্দুৰ প্ৰাণৰ কথা। বাস্তবিকপক্ষত দেখা যায় যে ভাৰতবৰ্ষৰ সকলো মহাপুৰুষ প্ৰচাৰকৰ গাত একে লক্ষণ জাজ্বল্যমান। বলেৰে তেওঁলোকে লোকক নিজৰ ধৰ্ম্মমতলৈ কেতিয়াও আনিবলৈ চেষ্টা কৰা নাই; আৰু পুৰণি বেদৰ বিৰুদ্ধে যদিও তেওঁলোকে জলন্ত ভাষাৰে দৃঢ়ভাৱে মত প্ৰকাশ কৰিছে, আৰু বেদৰ গতাগত প্ৰসক্তিমূলক অনুষ্ঠান আৰু ব্যৱস্থাবোৰৰ প্ৰতিবাদ কৰিছে, তথাপি সেই পুথি বেদৰ ভেটি তেওঁলোকে কেতিয়াও উলজ্যা কৰি তাৰ প্ৰতি অসম্মান প্ৰদৰ্শন কৰা নাই, লোককো কৰিবলৈ শিক্ষা দিয়া নাই, বৰং নকৰিবলৈ হে কৈছে। হিন্দুৱে প্ৰাচীনক বৰ সম্মান কৰিব জানে আৰু কৰে। হিন্দুৱে বাপেক মাক, ককাক,



বুঢ়ীমাক অশিক্ষিত হলেও, বা বয়সৰ নিমিত্তে পিছত অকামিলা হলেও সেইসকল হিন্দু সন্তানৰ পক্ষে পৰম পবিত্ৰ, পৰম শ্ৰদ্ধা ভক্তিৰ পাত্ৰ; কাৰণ হিন্দু কৃতজ্ঞ জাতি; হিন্দুৱে যিডাল জখলাইদি বগাই গৈ মূধচ পায়গৈ, মূধচ পায়েই সেই ডাল গুৰিয়াই পেলিয়াই পেলোৱাটো পাপ আৰু অধৰ্ম্মৰ কাম—বুলি ভাবে। আদিৰ বেদৰ সহতে হিন্দু বৰ হৈছে, এতিয়া হিন্দুৱে উপনিষদ দৰ্শন বিজ্ঞানৰ কলচী পালেও,—যদিও বেদৰ কোনো কোনো শিক্ষা কোনো কোনো বিধান পিছৰ আৰু উন্নত কালত তেওঁলোকৰ উপযোগী নোহোৱা হল, তথাপি পিতৃপুৰুষৰ স্মৃতিৰ নিচিনাকৈ সেই শ্ৰুতি-স্মৃতি তেওঁলোকৰ পূজাৰ্হ। হিন্দুৱে চকুৰে নেদেখা পিতৃসকলৰ অৰ্থেও সদায় তৰ্পণ কৰে, সদায় পানী এচলু দিয়ে; আৰু ভাবে যে সেই পৰলোকগামী পিতৃলোকবাসী পিতৃসকলৰপৰা তেওঁ বিচ্ছিন্ন নহয়, পিতৃসকলে তেওঁৰ মঙ্গলৰ কামনা সদায় কৰিব লাগিছে। আমাৰ শঙ্কৰদেৱে মাধৱদেৱেও সেইদেখি, যদিও তেওঁলোকৰ ধৰ্ম্ম শিক্ষাত কলিকালৰ নিমিত্তে বেদৰ অসাৰ্থকতা আৰু অলাগতিয়ালতা বাৰেবাৰে দৃঢ়ভাৱে কৈ, এক মাথোন নামধৰ্ম্মত শৰণ লবলৈ কৈছে, তথাপি বেদক উলঙ্ঘা কৰি বেদবিহিত সামাজিক বিধি-বিধান নামানি সামাজিক বিপ্লৱ ঘটাবলৈ ব্যৱস্থা দিয়া নাই। তেওঁলোকে জানিছিল যে নামধৰ্ম্মই হে কলিত আচল বস্তু, বেদৰ ক্ৰিয়াকলাপ নহয়। কিন্তু সেই বুলি প্ৰকৃতপক্ষে ভকত হৈ নামত দৃঢ় বিশ্বাস জন্মাৰ আগৰে পৰা বেদৰ বিধানৰ বান্ধোনৰ ভিতৰত নাথাকি মানুহক চলিব দিলে, তাৰ "ততো নষ্ট ততো ভ্ৰষ্ট" হব বুলি তেওঁলোকে জানিছিল। সমাজ এটা নহয় এটা বান্ধোনৰ ভিতৰত থাকিব লাগিবই। সেইদেখি এক-শৰণীয়া ভকতীয়া বান্ধোনেৰে বান্ধ খোৱাৰ আগেয়েই তেওঁলোকে আগৰটো বান্ধোন শোলোকাবৰ উপদেশ নিদিছিল। গীতাৰ ভগৱানৰো এই শিক্ষাই। এইবাবেই আমাৰ ঘোষাত এইবোৰ পদ আছে :—

"মাধৱে বোলন্ত শ্ৰুতি স্মৃতি মোৰ আজ্ঞাবাণী জানা নিষ্ঠ,
যিতো জনে আৰু উলঙ্ঘিয়া প্ৰবৰ্ত্তয়।
ভৈল সিতো মোৰ আজ্ঞাছেদী, মোৰ দ্বেষ কৰিলেক আতি,
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিতো নোহয়॥"

আকৌ ঘোষাই এই কথাৰ তাৎপৰ্য্য ভালকৈ ভাঙি দি কৈছে,—

"তাৱত কৃষ্ণৰ ভক্ত নৰে, ভক্তি অবিৰোধী কৰ্ম্ম কৰে,
কৃষ্ণৰ সেৱাত ৰতি যেৱে নোপজয়।

যেৱে ভৈল কুষ্ণ কথাৰত নিত্য নৈমিত্তিক আদি যত,
কথাৰ বিৰোধী জানিয়া সবে ত্যজয় ॥”

হিন্দুধৰ্ম্মত অধিকাৰী অনধিকাৰীৰ ভেদ প্ৰধান কথা। “শবদ নসধা” ছাত্ৰলৈ তেওঁলোকে মুগ্ধবোধ, পাণিনি, কাদম্বৰীৰ ব্যৱস্থা নিদিয়ে, অৰ্থাৎ “ক বুলিব নোৱাৰাক ৰত্নাৱলী পঢ়িবলৈ বহিব নিদিয়ে।” বাস্তৱিকপক্ষত ভাবি চালে এইটো অতি সমীচীন ব্যৱস্থা।

হিন্দু-সমাজৰ কটকটীয়া বান্ধ, আৰু কাৰো গাৰপৰা সেই বান্ধ ছিগিলেই একেবাৰেই সি কটা-ছিগা হৈ আঁতৰি পৰা বিধান ভাৰতবৰ্ষত প্ৰবলৰূপে প্ৰচলিত হল বৌদ্ধধৰ্ম্মৰ তিৰোভাবৰ পিছৰপৰা হে। ব্ৰাহ্মণসকলে তেতিয়াৰেপৰাহে হিন্দু-সমাজ কটকটীয়াকৈ বান্ধি ললে; আৰু ফলত হিন্দু-সমাজ যদিও consolidated অৰ্থাৎ গোট মাৰি শকত হল, তথাপি আন ফালে সি সংকীৰ্ণ অনুদাৰ আৰু stunted পম্পা-লগা নহৈ নাথাকিল। কিন্তু ঈশ্বৰৰ এনে অভিপ্ৰায় কেতিয়াও নহয়, যে তেওঁ মানুহক মানুহে প্ৰস্তুত কৰা artificial অৰ্থাৎ অস্বাভাবিক বন্ধোনেৰে সদায় বান্ধ খাই অধোগতি প্ৰাপ্ত হবলৈ দিব। সেই পৰমপুৰুষ মুক্ত আত্মাই তেওঁৰ অংশ শ্ৰেষ্ঠ জীৱ মনুষ্যক তাৰপৰা ৰক্ষা কৰিবই কৰিব। সেইদেখি ধৰ্ম্মৰ অৰ্থাৎ ধৃ=মানুহক ধৰি থকা বন্ধোনৰ গ্লানি দেখি, তেওঁ সময়ে সময়ে তেওঁৰ অংশ মহাপুৰুষসকলক মনুষ্যসমাজলৈ পঠিয়াই থাকি তেওঁলোকৰ দ্বাৰাই এই বান্ধ ঢিলা-শোলোকা কৰাই দি মানুহক বাঢ়িবলৈ দি উন্নতিৰ বাটত আগ বঢ়াই তেওঁৰ ফালে লৈ যায়। এইবাবেই তেওঁ ৰাম আৰু কৃষ্ণৰূপে ডাঙৰ অৱতাৰ, আৰু শঙ্কৰ, চৈতন্য, ৰামানন্দ, কবীৰ, হৰিব্যাস আদি মহাত্মা মহাপুৰুষসকলত আংশিক অৱতাৰ।

শৰীৰক ক্লেশ দি কৰা তপস্যাৰ বিৰুদ্ধে বুদ্ধই তীব্ৰ প্ৰতিবাদ কৰিছিল। সাংসাৰিকতাৰ বিৰুদ্ধে একালে যেনেকুৱা তেওঁ শিক্ষা দিছিল, আনফালে কঠোৰ ক্লেশকৰ তপস্যাৰ বিৰুদ্ধেও তেওঁ তেনেকুৱা শিক্ষা দিছিল। মধ্যপথেই তেওঁৰ অনুমোদিত পথ। তেওঁ কৈছিল—“উলঙ্গ হৈ মূৰত জটা বান্ধি, মাটিত শুই, গাত ছাই সানি, অথবা লৰচৰ নকৰাকৈ নিস্তব্ধভাৱে থাকিলেই মানুহ পবিত্ৰ মুক্ত নহয়, যদি তেওঁ মনৰ ভিতৰত কাম ক্ৰোধ লোভ মোহ আদি দমন কৰিব নোৱাৰে। হে মূৰ্খ! তোৰ মূৰত জটা, গাত ছাগলীৰ ছালে কি উপকাৰ দিব, যদি তোৰ অন্তৰ পাপৰ দ্বাৰাই ক'লা হৈ থাকে?



আগেয়ে উল্লেখ কৰিছোঁ যে বৌদ্ধধৰ্ম্মৰ আন এটি বিদ্ৰোহ জন্মগত জাতিভেদৰ বিপক্ষে, আৰু মাথোন বামুণৰ পেটত জন্ম হোৱা বাবেই বামুণ হৈ ধৰ্ম্ম আৰু ঈশ্বৰতত্বৰ একমাত্ৰ উপদেষ্টাৰ অধিকাৰ পাবৰ দাবি কৰা ব্ৰাহ্মণৰ প্ৰাধান্যৰ বিৰুদ্ধে। তেওঁৰ প্ৰচাৰিত ধৰ্ম্মত অকল মাথোন ব্ৰাহ্মণেহে পুৰোহিতালি কৰিব পায় এই কথালৈ ঠাই নাই। বাস্তৱিকতে যি ধৰ্ম্মই Brotherhood of man অৰ্থাৎ সকলো মানুহৰ ভিতৰত ভ্ৰাতৃভাৱ প্ৰচাৰ কৰে, সেই ধৰ্ম্মত এই দুটা বিৰোধী বস্তুলৈ ঠাই কত? ইহুদীৰ ধৰ্ম্ম আৰু ব্ৰাহ্মণৰ ধৰ্ম্মৰ নিচিনাকৈ বৌদ্ধধৰ্ম্ম কোনো বিশেষ জাতে এটাৰ ধৰ্ম্ম নহয়, বৌদ্ধধৰ্ম্ম গোটেই বসুন্ধৰাৰ মানুহৰ ধৰ্ম্ম। মচলেম আৰু খৃষ্টীয় ধৰ্ম্মৰ নিচিনাকৈ বৰ সৰু সকলোৰে ইয়াত সমান অধিকাৰ। জন্মগত স্বত্ব এই ধৰ্ম্মৰ চনন্দ-পত্ৰ নহয়, চৰিত্ৰ আৰু শিক্ষাহে। বুদ্ধই কৈছিল—“কোনো এজন ব্ৰাহ্মণৰ সন্তান, সেই দেখি তেওঁ ব্ৰাহ্মণ, এই কথা মই স্বীকাৰ নকৰোঁ; তেওঁ ভূপতি হব পাৰে, ধনী মানী হব পাৰে, কিন্তু ব্ৰাহ্মণ নহয়। যাৰ একো নাই, সম্পত্তিলৈ স্পৃহা বা আকাঙ্ক্ষা নাই, তেওঁক হে মই ব্ৰাহ্মণ বোলোঁ। যি ৰিপুৰ বশ নহয়, যাৰ ক্ৰোধ নাই, যি ধৰ্ম্ম আৰু পুণ্য কাৰ্য্য কৰে, যি বাসনাবিবৰ্জ্জিত ইন্দ্ৰিয়জিৎ, তেওঁক হে মই ব্ৰাহ্মণ বোলোঁ।” ব্ৰাহ্মণ্যধৰ্ম্মৰ জাঁতৰ জাতেৰে পিহ খোৱা ভাৰতবৰ্ষত এনে উদাৰ শিক্ষা প্ৰচাৰ কৰি সকলোকে আকোঁৱাল মাৰি সানৰি লোৱাৰ নিমিত্তেই বুদ্ধৰ ধৰ্ম্মই অচিৰতে ইমান প্ৰভাৱ বিস্তাৰ কৰিছিল।

বুদ্ধই সৰ্ব্বসাধাৰণে বুজা আৰু কথা কোৱা পালীভাষা অৰ্থাৎ জাতীয় ভাষাৰে তেওঁৰ ধৰ্ম্মপ্ৰচাৰ কৰিছিল। পালীভাষা মানে পল্লীৰ ভাষা। বাস্তৱিকতে যি ধৰ্ম্মই ডাঙৰ, সৰু, ওখ জাতৰ, নীচজাতৰ, সকলো মানুহক জ্ঞান আৰু ধৰ্ম্মবিষয়ত সমান অধিকাৰ দিছিল, সেই ধৰ্ম্মৰ, যে সৰ্ব্বসাধাৰণে কোৱা আৰু বুজা জীৱন্ত ভাষাত প্ৰচাৰ হোৱাটো যুক্তিযুক্ত তাত কোনো সন্দেহ নাই। ভাৰতবৰ্ষত এয়ে প্ৰথম সৰ্ব্বসাধাৰণৰ ভাষাৰে ধৰ্ম্মপ্ৰচাৰ আৰু ধৰ্ম্মশিক্ষা হৈছিল। ব্ৰাহ্মণ পুৰোহিত পণ্ডিত সকলে ধৰ্ম্মতত্ব আৰু জ্ঞানৰ সকলো শিক্ষা বৈদিক দেৱভাষা সংস্কৃতৰ পেৰাৰ ভিতৰত সুমাই থৈ সেইবোৰ আৰু মৰগ কৰিছিল, বেদ, উপনিষদ, সাংখ্য, বেদান্তৰ গভীৰ তত্ববোৰ আচুতীয়াকৈ ৰাখিছিল, আৰু লগে লগে বৈদিক সংস্কৃত ভাষাকো নিভাঁজ কৰি ৰাখি তাৰ পবিত্ৰতা ৰাখিব পাৰিছিল নিশ্চয়, কিন্তু তেনে কাৰ্য্যৰ দ্বাৰাই সকলো মানুহৰ brithright জন্মগত স্বত্ব জ্ঞানৰপৰা সৰ্ব্বসাধাৰণক বঞ্চিত

কৰা যে হৈছিল সেইটোও নিশ্চয়। এই অনুদাৰ ৰীতিৰ ফলত এমুঠি ব্ৰাহ্মণ পণ্ডিতৰ প্ৰাধান্য ৰক্ষা হলেও যে বিশাল হিন্দুজাতিৰ অধোগতি সাধিত হৈছিল, তাৰ কোনো ভুল নাই। বুদ্ধই এই অনুদাৰ নীতিৰ মূৰত কুঠাৰ মাৰি তেওঁৰ উন্নত ধৰ্ম্মশিক্ষা দি ভাৰতৰ সকলো মানুহৰে সৰ্ব্বতোভাবে উন্নতি সাধন কৰিলে। বুদ্ধদেৱৰ এই ওখ আহি তেওঁৰ পিছৰ মহাপুৰুষ উদাৰ ধৰ্ম্মপ্ৰচাৰকসকলে লৈ ভাৰতৰ সকলো মানুহৰে অশেষ কল্যাণ সাধন কৰিছিল। আমাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে, পশ্চিমৰ ৰামানন্দ কবীৰ তুলসীদাস আদিয়ে সেইবাৰে সৰ্ব্বসাধাৰণৰ ভাষাত ধৰ্ম্মশিক্ষা দি ধৰ্ম্ম আৰু ধৰ্ম্মগ্ৰন্থ ৰচনা কৰি প্ৰচাৰ কৰিছিল। এইবাবেই আমাৰ কৃপালু শঙ্কৰদেৱে দুৰ্ব্বোধ্য সংস্কৃত গ্ৰন্থৰ সাৰ শিক্ষাবোৰ শুৱলা অসমীয়া ভাষালৈ ভাঙি, সেই ভাষাত গীত-মাত, পদ.নাট আদি কৰি সেই মহাৰত্নবোৰ সকলোৰে আকৰ্ষণীয় আৰু সুপ্ৰাপ্য কৰি দিছিল। এইবাবেই মহাপুৰুষ মাধবদেৱে ঘোষাত, দেৱতাসকলে (বিশেষকৈ ভূদেৱতা ব্ৰাহ্মণ পণ্ডিত সকলে) কপট কৰি গুপুত কৰি থোৱা হৰিনাম ধৰ্ম্মকে প্ৰমুখ্য কৰি হিন্দু-ধৰ্ম্মৰ তত্ত্ববোৰ শঙ্কৰে বাহিৰ কৰি দি দেৱতাসকলৰ গৰ্ব্বচূৰ কৰি সকলোকে বিলাই দিয়া বুলি কৈছে।—

"পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেৰা, অতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি, মুদ ভাঙ্গি সমস্তকে দিল॥
হৰিনাম প্ৰেমৰস অমৃত নিগ্নিক বান্ধি গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙ্গি দিলা, সুখে পান কৰা সৰ্ব্বজনে।
হৰিনাম গুপ্ত ভৈল, মনুষ্যত পূজা বৈল, বুলি ৰঙ্গ কৰে দেৱ সৰ্ব্ব।
হেন হৰিনাম ধৰ্ম্ম শঙ্কৰে বিদিত কৰি, চূৰ কৈলা দেৱতাৰ গৰ্ব্ব॥"
"হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলে বহে ব্ৰহ্মাণ্ডক ভেদি॥
হৰি ভক্তি দান দিয়া জগতক তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই নাহি নাহি আন বন্ধু॥
হৰি ভকতিৰ পাতিলন্ত হাট শঙ্কৰে জগত জুৰি।
ৰামনাম ৰত্ন বিকায়া জগতে চলয় বৈকুণ্ঠ পুৰী॥
পৰম কৃপালু শ্ৰীমন্ত শঙ্কৰে লোকক কৰিলা দয়া।
হৰিৰ নিৰ্ম্মল ভকতি প্ৰকাশ কৰিলা শাস্ত্ৰক চায়া॥"



বুদ্ধদেৱৰ সংস্কৃতভাষাৰ বিদ্ৰোহিতাত পালীকে আদি কৰি ভাৰতৰ সজীৱ জাতীয় ভাষা আৰু জাতীয় সাহিত্যৰ জন্ম আৰু উন্নতি হল। শঙ্কৰদেৱ, ৰামানন্দ, তুলসীদাস, কবীৰ আদিৰ তেনে বিদ্ৰোহিতাত জীৱন্ত জলন্ত অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যৰ, জীৱন্ত জলন্ত হিন্দীভাষা আৰু হিন্দী সাহিত্যৰ জন্ম উন্নতি আৰু বৃদ্ধি হল।

বৌদ্ধধৰ্ম্মই শীঘ্ৰে বিস্তাৰ লাভ কৰাৰ আৰু এটা কাৰণ,—তাৰ সুসংগঠন আৰু চমৎকাৰ প্ৰচাৰৰ প্ৰণালী। দলে দলে বৌদ্ধ ভিক্ষুক বুদ্ধদেৱে চাৰিউফালে পঠিয়াই দিছিল,—সকলোৰে বুজা চলিত দেশীয় ভাষাৰে তেওঁৰ প্ৰকাশিত ধৰ্ম্মৰ কথা সকলোকে কবলৈ। ভিক্ষুসকলৰ দ্বাৰাই বৌদ্ধধৰ্ম্মৰ এনে প্ৰচাৰৰ প্ৰণালীয়েই হে খৃষ্টান মিচনেৰি-সকলৰ দ্বাৰাই খৃষ্টধৰ্ম্ম প্ৰচাৰৰ আহি। দয়ালু বুদ্ধদেৱে তেওঁৰ ধৰ্ম্ম মুকলি হাতেৰে সকলোকে দান কৰিছিল। কিন্তু নিজে মাথোন ধৰ্ম্মধনেৰে ধনী হৈ থাকিব খোজা ব্ৰাহ্মণসকলে তেওঁলোকৰ বৈদিক ব্ৰাহ্মণ্যধৰ্ম্ম লোকক এচিকটা-আধ-চিকটাকৈ দিওঁ-নিদিওঁকৈ কিৰ্পিণালি কৰি দিছিল। এই বাবেই সেই কালত ব্ৰাহ্মণ্যধৰ্ম্ম পিছ পৰি বৌদ্ধধৰ্ম্মই আগবাঢ়ি বৰকৈ বিস্তাৰ লাভ কৰিছিল। আৰু এটা ডাঙৰ কাৰণ বৌদ্ধধৰ্ম্মৰ সপক্ষে আছিল,—Personality of the great founder অৰ্থাৎ তেওঁৰ ধৰ্ম্মক ধৰোঁতাসকলৰ আগত সেই ধৰ্ম্ম সংস্থাপন কৰোঁতা বুদ্ধদেৱৰ মনোমুগ্ধকাৰী ব্যক্তিত্ব। ব্ৰাহ্মণ্য ধৰ্ম্মত যদিও ইন্দ্ৰ চন্দ্ৰ বায়ু বৰুণকে আদি কৰি তেত্ৰিশ কোটি দেৱতাৰ কল্পনা আছিল, অথবা এক নিৰাকাৰ নিৰ্ব্বিকাৰ পৰম ব্ৰহ্মৰ কথা বা ধাৰণা আছিল, তথাপি সৰ্ব্বসাধাৰণ ভক্তই সেইবোৰ তেওঁলোকৰ দৈনিক জীৱনত সততে ধৰিব চুব নোৱৰা দেৱতা বা ঈশ্বৰ। কিন্তু উচ্চ আদৰ্শৰ আৰু পুণ্যতনু ঈশ্বৰাংশ সম্ভূত পবিত্ৰ চৰিত্ৰৰ বুদ্ধদেৱক মানুহে পূজা সেৱা আৰু ভক্তি কৰি তেওঁৰ চৰণত মনৰ কথা জনাবলৈ আগতে পাইছিল। দাৰ্শনিক পণ্ডিতসকলে যিহকে কওঁক, এইটো সত্য কিন্তু গোটেই পৃথিৱীতে দেখা যায় যে যি ধৰ্ম্মত Personal element অৰ্থাৎ ধৰিব চুব পৰা আৰু আদৰ্শ লব পৰা ব্যক্তিত্ব থাকিব সেই ধৰ্ম্ম শীঘ্ৰে লোকৰঞ্জক হৈ পৰে, আৰু সেই ধৰ্ম্মই মানুহৰ মনত বিশেষ শান্তি দিব পাৰে। নৰৰূপী ঈশ্বৰ অৱতাৰ ৰাম-কৃষ্ণমূলক বৈষ্ণৱধৰ্ম্ম এইবাবেই ইমান popular লোকৰঞ্জক, ইমান শান্তি-সুখপ্ৰদ। গুৰিত নৰৰূপী ঈশুখৃষ্ট আৰু মেৰী থকা খৃষ্টান ধৰ্ম্ম আৰু মহম্মদ থকা মছলেম ধৰ্ম্ম এইবাবেই মানুহৰ ইমান চিত্তাকৰ্ষক।

বৌদ্ধধৰ্ম্ম বিস্তাৰৰ আৰু এটা কাৰণ, সি State Religion অৰ্থাৎ ৰজাৰ ধৰ্ম্ম হোৱা বাবে। ৰাজচক্ৰবৰ্ত্তী অশোক আৰু কনিষ্কৰ ধৰ্ম্মই তেওঁলোকৰ প্ৰজাৰ মাজত প্ৰভাৱ বিস্তাৰ কৰাটো অতি স্বাভাৱিক। সম্ৰাট কন্‌ষ্টেণ্টাইনকে (Constantine) আদি কৰি ৰজাসকলৰ ধৰ্ম্ম "খৃষ্টিয়ানিটি", আৰু খালিফাসকলৰ ধৰ্ম্ম "মহম্মদেনিজম্" এই কাৰণতে পৃথিৱীত ইমান প্ৰবল হল। ভাৰতবৰ্ষত এহেজাৰৰো ওপৰ বছৰ প্ৰভাৱ বিস্তাৰ কৰি থকা এনে বৌদ্ধধৰ্ম্মৰ পতন হল কেতিয়া ?—যেতিয়া সি আগৰ ওখ আদৰ্শৰপৰা স্খলিত হৈ তাত পুৰোহিত আৰু ধৰ্ম্মযাজকৰ সম্পূৰ্ণ প্ৰাধান্য স্থাপিত হল; যেতিয়া ডাঙৰ ডাঙৰ বিহাৰবোৰ স্থাপিত হৈ সেইবোৰ নিষ্কৰ্ম্মা ভিক্ষু ভিক্ষুণীৰ ঠাই হল, আৰু তাত শ্ৰমণ পণ্ডিত পুৰোহিত অধিকাৰ গোঁসাইৰ অখণ্ড প্ৰতাপ পৰিস্থাপিত হল; আৰু যেতিয়া বুদ্ধই প্ৰচাৰ কৰা আদৰ্শৰপৰা বৌদ্ধসকল খহি পৰি বুদ্ধদেৱৰে মূৰ্ত্তিপূজাত লাগি দুৰ্ঘোৰ প্ৰতিমাপূজক হৈ পৰিল, আৰু যেতিয়া বৌদ্ধসকল নীতি আৰু চৰিত্ৰত হীন হৈ পৰিল। বৌদ্ধধৰ্ম্মৰ এনে অধঃপতিত আৰু মৃত অৱস্থাতহে শঙ্কৰচাৰ্য্যৰ খড়্গাঘাতে সি ভাৰতৰপৰা অন্তৰ্হিত হৈছিল। কিন্তু যদিও বৌদ্ধধৰ্ম্ম ভাৰতৰপৰা দেশাত গল, তথাপি প্ৰকৃতপক্ষে তাৰ শিক্ষা, তাৰ প্ৰভাৱ ভাৰতত চিৰকাললৈকে নিশ্চয় থাকিল, আৰু তাৰ শিক্ষা তাৰ আদৰ্শৰ সজুলিৰে নতুন হিন্দুধৰ্ম্মই ভাৰতত জন্মগ্ৰহণ কৰিলে। দুখৰ বিষয়, আমাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ উদাৰ বৈষ্ণৱধৰ্ম্মৰ গাতো, বৌদ্ধধৰ্ম্মৰ পতনৰ সেই কাৰণবোৰে যে আজিকালি দেখা দিয়া নাই, এনেকৈ কব নোৱাৰি; এই অমূল্য উদাৰ ধৰ্ম্মৰো বিহাৰ বা সত্ৰবোৰত তাৰ অধিকাংশ অধিকাৰ-সকলৰ আৰু ভকতসকলৰ গাত তেনে কেৰোণ, তেনে ৰোগ। মহাপুৰুষৰ নিৰ্ম্মল নামধৰ্ম্ম, ভক্তিধৰ্ম্মৰ গৰাকী বুলি যি সকল স্বীকৃত, তেওঁলোকৰ সৰহভাগৰ গাত বৈষয়িক লোকৰ, ৰজা জমীদাৰ ধনীলোকৰ সম্পূৰ্ণ লক্ষণ, ভিক্ষু বা ভকতৰ বা বৈষ্ণৱৰ লক্ষণৰ আকাল। সেই ভকত আৰু ভকতৰ প্ৰতিপালক মহন্তসকলৰ চিন্তা নামধৰ্ম্ম আৰু জীৱৰ পৰকাল নহয়, ইহকালৰ ধন-বস্তু হাতী ঘোঁৰা আৰু ক্ষমতাহে। কি উদ্দেশ্যেৰে বুদ্ধই ভিক্ষুসকলৰ নিমিত্তে বিহাৰবোৰ স্থাপন কৰিছিল, কি উদ্দেশ্যেৰে শঙ্কৰদেৱে আৰু মাইকৈ মাধৱদেৱে বিষয়-বিৰাগী ভকতসকলৰ নিমিত্তে সত্ৰবোৰ স্থাপনা কৰিছিল, তাৰ এতিয়া শেহ ফল কি হল, কি হব লাগিছে, হে বুদ্ধদেৱ! হে শঙ্কৰদেৱ! হে মাধৱদেৱ! হে দামোদৰদেৱ! হে বংশীগোপালদেৱ! তোমালোকে বৈকুণ্ঠৰপৰা এবাৰ তললৈ দৃষ্টিপাত কৰি পঠিওঁ! দেখিবা তোমা-লোকৰ সনাতন ধৰ্ম্মৰ কি গ্লানি! ধৰ্ম্মক গ্লানিৰপৰা ৰক্ষা কৰিবৰ নিমিত্তে এই যুগত আকৌ তোমালোকে অৱতাৰ ধৰিব লাগিব নিশ্চয়; কাৰণ ঈশ্বৰ দয়ালু, তেওঁ তোমালোকক পুনৰ পঠিয়াই সন্তানসকলক ৰক্ষা কৰিবই। আমি কাতৰ কণ্ঠেৰে মাতিছোঁ, প্ৰভুসকল আহক!



---

## ৰজাঘৰীয়া পুৰণি চিঠি।

(৩)

স্বৰ্গদেও কমলেশ্বৰ সিংহৰ দিনত কছাৰীৰ ৰজা কৃষ্ণচন্দ্ৰনাৰায়ণে ওৰলৈ আমাৰ বৰবৰুৱাই তলত দিয়া চিঠি লিখিছিল। এই চিঠিখন শিতুনীয়াল কটকী ফেদেলা আৰু কটকীবড়া লখিৰাম এই দুইৰ হাতত পঠোৱা হৈছিল। তেতিয়া খাচপুৰ কছাৰীৰ ৰাজধানী আছিল।

"স্বস্তি শ্ৰীমৎ পুৰন্দৰাদি দিবিশবৃন্দ বন্দিত নগেন্দ্ৰনন্দিনীচৰণাৰবিন্দ মকৰন্দা-মোদানন্দিতস্বান্তৰোনম্ৰহেড়ম্বেশ্বৰ শ্ৰীশ্ৰীকৃষ্ণচন্দ্ৰ নৃপবৰেষু।"

"লিপিৰিয়ং বিৰাজতে তৰাং শিৱমস্মাকং ভৱস্তৱাং মন্যামহে।"

"বিশেষ সমাচাৰ এহি। আমাৰ দেশ বিভ্ৰাতকালে শত্ৰু পৰাভৱত থাকি দেশস্থ প্ৰাণী সকল ভাগি গৈয়া বড়মুৰা, এবং ভগনীয়া প্ৰজা ও মায়ামৰীয়া আপনে দেশতে সোমাই আছিল; সম্প্ৰতি ৮৮ৰ কৃপাত সেই শত্ৰু দমন কৰিয়া দেশ পাইছি এবং আপনে দেশত ভাগি গৈ সোমাই থকা জন সকল পূৰ্ব্ব ধৰ্ম্ম কবুল চায়া শীঘ্ৰে আমাৰ কটকী ও বড়া লখিৰাম, ইহাৰ সঙ্গেতে ছাড়ি দিতে হয়তেতো পূৰ্ব্ব পিতাপুত্ৰ ধৰ্ম্ম ৰক্ষা হয়। সকল ধৰ্ম্মো ৰক্ষা পায়। যদিচ্যাত সেই বড়মুৰা, এবং ভগনীয়া ও মোআমৰীয়া ছাড়ি দেইনা, তবে যিহবে তাহা আপনে চক্ষে দেখিবেন। আৰ পত্ৰ চিহ্ন দিতেছি পহুছিবেন। হাতীদাতৰ ভাৰেৰে সোণৰ মলমাকৰা কটাৰী ২খান, ৰূপৰ মলমাকৰা ২ খান, পিতলুৱা ৪ খান, মহৰ শিঙৰ ভাৰেৰে উকা ২০খান, বঙ্গাপাটৰ ধুতি ৪ খান, ইতি শক ১৭১৭ মাস আঘ্ৰণ তেৰিখ ৫।"

(৪)

কছাৰীৰ ৰজা কৃষ্ণচন্দ্ৰই, বৰবৰুৱালৈ ওপৰত লিখা চিঠিৰ উত্তৰ দি আমাৰ কটকী ফেদেলাৰ লগত কছাৰী ৰজাৰ-কটকী নাগৰ কা আৰু কেলা এই দুইক পঠালে।

"স্বস্তি শ্রীমদ্বৃন্দাবনবাসস্থানাধিষ্ঠিত শ্রীশ্রীমদ্ৰাধাগোবিন্দামলচৰণাৰবিন্দয়োঃ গলন্মকৰন্দনিস্পন্দমানপানানন্দিত মত্তনধুব্ৰতাংমানস শ্রীযুক্ত ভদ্ৰকান্ত বৰবৰুৱা ৰাজ-ধৰ্ম্মানুশালী নিয়মসুব্ৰত সচিববৰেষু।"

"ভবন্তদ্রোন্নতি ৺দ্বাৰা সমনিসংভাবয়ানত্র ক্ষেমমাত্তেতৰাং।"

"বিশেষঃ। যথন গাৰ শত্ৰু মধ্য হৈতে শ্রীৰুদ্ৰ সিংহ ৺এ ৰাজা তাম্ৰধ্বজক উদ্ধাৰ কৰিয়া শ্রীশ্রীবিশ্বনাথ ক্ষেত্ৰে দক্ষিণ উৰুতে শ্রীশিবসিংহ মহাৰাজক ও ৰাজা তাম্ৰধ্বজক বাম উৰুতে বৈশায়া পিতা পুত্ৰ সম্বন্ধ সত্য ধৰ্ম্ম কৰিয়াছিল তদ্বধ্যোতয় দেশ অভেদান্নবৎ চিৰ প্ৰীতিপূৰ্ব্বক মতে গঙ্গা স্ৰোত চলি গৈছেন; তদনুৰূপ ভাব ভাবনাস্তৰ্বৰণেতে আছে কিন্তু দেশ কাল শূন্যতাৰূপে নাচলেন অতএব পূৰ্ব্ব ব্যৱহাৰাদি বিপৰ্য্যয় কিঞ্চিৎ হৈয়া থাকিবে। তত্ৰাপি মনাস্তস্কৰণীয় পত্ৰিদ্বাৰা ৰেস্থ হৈয়া কালাকালঙ্গন কৰিয়া প্ৰসাদ হৈতে হই; অতএব মম ধৰ্ম্মপুৰ দেশীয় কিয়ত লোক শ্রীমদাঙ্ক হৈয়া মনাজ্ঞা প্ৰবল্ল কৰেন; যাতু পিতাপুত্ৰ সমস্নোভয় দেশৈক হৈল। ভদ্ৰাভদ্ৰ জ্ঞাপন কৰিতে মমাভিমান চিত্তে নাই; মদীয় পত্ৰি প্ৰেৰণা কৰিতেছি; আপনে ৺ক জ্ঞাপন কৰিয়া মদীয় কিয়ত্ নৰকীট শ্রীমদাঙ্কজ্ঞান পূৰ্ণ ছৰ কৰিয়া দিবেক; বিজ্ঞোত্তমেষু। শক ১৭১৭; মাস ফাল্গুন, তেৰিখ ১০।"

শ্রীহেমচন্দ্ৰ গোস্বামী।

---

# গদ্য কবিতা।*

## এপাহী গোলাপ।

চত মাহৰ শেহ পথ … …। বসন্তৰ জেউতিয়ে এতিয়াও ধৰাৰপৰা মেলানি মগা নাই।

বেলি মাৰ যাওঁ যাওঁ হৈছে। অলপ আগতে এজাক ডাঙৰ বৰষুণ হৈ গ'ল, ঘৰৰ আগত থকা ফুলনিখনে বৰষুণত গাধুই চিক্‌মিকাব লাগিছে আৰু তিতি থকা গছ লতাবিলাক মাৰ যোৱা সুৰুযৰ শেষৰ কিৰণত জিলিকি পৰিছে।

তেওঁ অকলৈ অকলৈ চৰাৰ বুলনীত গালে মুখে হাত দি ফুলনিৰ ফালে চাই বেজাৰ মনেৰে বহি আছে। তেওঁৰ মুখত বিষাদৰ ৰেখা আৰু দেখিলেই বোধ হয় যেন কিবা এটা আন্তৰিক বেদনাৰ প্ৰতীকাৰ কৰিব নোৱাৰি নীৰৱে নিমাতে সহিব

* Tourgeneর ছাঁ লৈ লিখা।



লাগিছে, কিন্তু অন্তৰ দেই পুৰি গৈছে। তেওঁৰ আউলীবাউলী হৈ থকা চুলি-খিনিয়ে অকলৈ আপোন মনে বতাহৰ লগত ধেমালি কৰিছে।

অলপ পৰৰ পাছতে তেওঁ উঠি ফুলনিৰ ফালে বাট ল'লে আৰু লাহে লাহে চকুৰ আঁতৰ হ'ল।

এঘণ্টামান সময় পাৰ হৈ গ'ল … …। তেওঁ এতিয়াও উভতি অহা নাই। মইও লাহেকৈ বাহিৰলৈ আহি তেওঁ যোৱা বাটেদি যাবলৈ ধৰিলোঁ।

মোৰ চাৰিওফালে আন্ধাৰ … … সন্ধ্যা লাগি গ'ল … … কিন্তু ফুলনিলৈ যোৱা মাজ বাটৰ দাঁতিতে কিবা এটা ৰঙা যুৰণীয়া বস্তু তেতিয়াও দেখা পোৱা গৈছিল। তললৈ চালত দেখিলোঁ যে ই এপাহি নতুনকৈ ফুলা গোলাপফুল। ঠিক এই ফুলপাহিকে মই এঘণ্টামানৰ আগেয়ে তেওঁৰ বুকুত দেখিছিলোঁ।

সেই বোকাত পৰি থকা ফুলপাহিক মই তুলি আনি ঘৰলৈ আহি তেওঁ বহি থকা ঠাইডোখৰৰ আগতে তাক থৈ দিলোঁ।

তেওঁ উভতি আহিল …… এখুজি দুখুজি কৰি আগৰ বহা ঠাইডোখৰত আকৌ বহিলহি।

তেওঁৰ মুখখন আগতকৈ বহুত শেতা হ'ল আৰু দুধাৰে চকুলো বই গৈছে।

ওচৰত থকা গোলাপফুলপা হিলৈ তেওঁৰ চকু পৰিল … … তাক তুলি ললে আৰু তাৰ বোকা লগা পাতকেইটালৈ চাই মোৰ ফালে একেথিৰে চাবলৈ ধৰিলে আৰু আগতকৈ দুগুণ বেগেৰে চকুলো বৰলৈ ধৰিলে।

মই সুধিলোঁ "তুমি কান্দিছা কিয় ?

তেওঁ কলে "চোঁৱাচোন, গোলাপপাহিৰ কেনে অৱস্থা হ'ল !" সমিধানস্বৰূপে মই গহীন ভাৱেৰে মাত লগালোঁ—"তোমাৰ চকুৰ পানীয়ে তাৰ বোকা ধুই দিব।"

তেওঁ মাত লগালে "চকুৰ পানীয়ে নোধোৱে, মাথোন পোৰেহে।" এই বুলি কাষৰ জুহালত জ্বলি থকা জুইৰ মাজত সেই ফুলপাহি পেলাই দিলে। "জুইয়ে চকুৰ পানীতকৈও ভালকৈ পোৰে।" এই বুলি তেওঁ অকলৈ অকলৈ হাঁহিবলৈ ধৰিলে অথচ দুধাৰে চকুলো বৈয়ে আছে।

মই বুজিলো যে তেওঁৰো অন্তৰত একুৰা জুই জ্বলি আছে।

## ভিক্ষা।

এখন ডাঙৰ নগৰৰ ৰাজবাটেদি এজন বুঢ়া বেমাৰী মানুহ অকলৈ অকলৈ গৈ আছিল। বাটত যাওঁতে তেওঁৰ গোটেই গাটো কঁপি কঁপি গৈছিল। ভৰি

দুখনে তেওঁৰ দুৰ্ব্বল শৰীৰৰ ভাৰটো কথমপি হে সহিব পাৰিছে আৰু কোনোমতে চুচৰি-বাগৰি তেওঁ লাহে লাহে বাট বুলিছে। তেওঁৰ গাত ফটা কাপোৰ, মুখখন শেতা আৰু [illegible]।

বাটৰ কাষত থকা এডোখৰ শিলৰ ওপৰতে তেওঁ গালে মূৰে হাত দি বহিল গৈ। দুখ [illegible] চিন্তাই তেওঁক বেৰি ধৰিলে ... ... তেওঁৰ শুকান হাৰ-ছাল লগা আঙুলিকেইটাৰ মাজেদি বাগৰি বাগৰি চকুলো মাটিত পৰিবলৈ ধৰিলে।

হায়! তেওঁৰ মনত পৰিছে।

তেওঁৰ সেই অতীতৰ সুখ সম্পদৰ কথা মনত পৰিছে। তেওঁ সেই সময়ত কেনে সুখী সবল আৰু ধনী আছিল। ... ... কেনে অকাতৰে দুই হাতেৰে দুখীয়াক দান কৰিছিল। ... ... কেনেকৈ অইনৰ সুখৰ কাৰণে নিজৰ ধন সম্পত্তি, অইন কি বহুমূলীয়া স্বাস্থ্য ও হেৰাল। আজি তেওঁ বাটৰ মগনীয়াৰ ... ... খাবলৈ খুদ-কণা এটিও নাই। তেওঁৰ সুখৰ সময়ৰ বন্ধুসকল এতিয়া কত?

এয়ে সংসাৰৰ নিয়ম, দুদিনীয়া ধনসম্পত্তি, দুদিনীয়া সুখ সকলো পানীৰ মাজত উঠা বুৰবুৰণিৰদৰে খন্তেকতে নাই যায়। যাক তুমি আজি বুকুৰ বান্ধ বুলি হিয়া লোকোলাই দিছা কাইলে তোমাৰ দুৰৱস্থাত তেওঁৱেই তোমাৰ প্ৰধান শত্ৰু হব। হায়! দুদিনীয়া বন্ধুবান্ধৱ, তোমালোকে বসন্তৰ কুলিৰ দৰে দেখা দি বাদিলা কেনি আঁতৰি গোলা? তেওঁক এতিয়া সকলোৱে এৰিলে ... ... শেহত কি তেওঁ ঘৰে ঘৰে মাগি খাব লাগিব? বেজাৰত তেওঁৰ ধাৰাসাৰে চকুলো ব'বলৈ ধৰিলে।

হঠাৎ কোনোবাই যেন তেওঁক নামকাঢ়ি মাতিলে। ...... তেওঁ মূৰ তুলি চালে আৰু দেখিলে এজন অচিনাকী মানুহ তেওঁৰ সন্মুখত থিয় হৈ আছে।

তেওঁৰ স্থিৰ সৌম্য মূৰ্ত্তি প্ৰশান্তবদন আৰু উজ্জ্বল মৰমিয়াল চকু। তেওঁ শান্ত আৰু মধুৰ স্বৰেৰে মাত লগালে "তুমি অইনৰ উপকাৰৰ নিমিত্তে তোমাৰ সকলো ধনসম্পত্তি বিলাই দিলা আৰু সেই কাৰণে নিশ্চয় তুমি এতিয়া শোক কৰা নাই।"

বুঢ়াজনে এটি দীঘল হুমুনিয়াহ কাঢ়ি মাত লগালে "হয়, মই তাৰ কাৰণে শোক কৰা নাই, কিন্তু মই যে এতিয়া খাবলৈ নেপাই মৰিবলৈ ধৰিছোঁ।"

আকৌ সেই অচিনাকী মনুহজনে কলে "তোমাৰ সুখৰ সময়ত কোনো দুখীয়া বা মগনীয়াই যদি তোমাৰ ওচৰত হাত নেপাতিলহেঁতেন তেন্তে তুমি পৰোপকাৰৰ এই মহৎ সুযোগটি নেপালেঁহেতেন আৰু তোমাৰ মনৰ সৎ ইচ্ছাটিও কামত লগাব নোৱাৰিলাহেঁতেন।



বুঢ়া মানুহটিয়ে একো নেমাতি তলমূৰ কৰি ভাবিবলৈ ধৰিলে।

অচিনাকী মানুহজনে তেতিয়া আকৌ কবলৈ ধৰিলে "যোৱা তেন্তে তুমিও তোমাৰ মিছা লাজ আৰু বেজাৰ কাতি কৰি থৈ অইনৰ ওচৰত হাত পাতি অইনকো পৰোপকাৰৰ এটি সুযোগ দিয়াঁ গৈ।"

বুঢ়া মানুহজনে আচৰিত হৈ মূৰ তুলি চালে ... ... কিন্তু অচিনাকী মানুহজন আৰু তাত নাই। দূৰৈত এজন মানুহ সেই ফালে আগবাঢ়ি আহিব লাগিছে।

বুঢ়া মানুহজনে তেওঁৰ ওচৰলৈ গৈ হাত পাতিলে কিন্তু বাটৰুৱাজনে গোঙোৰা-মুৱা হৈ একো নিদি আন ফালে গুচি গ'ল।

তাৰ পাছত আৰু আন এজন মানুহ সেইফালে আহিল ... ... তেওঁ বুঢ়া জনক দুটামান পইচা দি গ'ল।

বুঢ়াজনে তেতিয়া তাৰে অলপ খোৱা বস্ত কিনি আনিলে, আৰু মাগি পোৱা পইচাৰে কিনা সেই বস্তখিনি তেওঁৰ মুখত অমৃত যেন লাগিল।

তেওঁৰ মনত আৰু এতিয়া লাজ নাই ... ... শান্তি আৰু আনন্দ আশীৰ্ব্বাদ স্বৰূপে সৰগৰপৰা নামি আহিল ... ... কি এক নতুন স্বৰ্গীয় ভাবেৰে তেওঁৰ মন পৰিপূৰ্ণ হ'ল। কি সুখ! কি শান্তি! কি অনিৰ্ব্বচনীয় আনন্দ!

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

---

# শুধৰণী।

COOCH BEHAR,
25-5-16.

DEAR SIR,

The Banhi for Joistho is to hand. On page 350 I find that the Sloka ends with the word " শ্ৰীগুৰুপূৰ্ব্বো ধ্বজঃ. " I donot know whether this is a misprint. The correct reading appears to be " শ্ৰীপূৰ্ব্বোগুৰুধ্বজঃ " ; this word is found in a compilation named the State of Cooch Behar. While I visited Kamakhya in November last, Srijut Bishnu Prosad Sarma

Barodaloi gave the same rendering of the word. Srijut Hem Chandra Goswami. E.A.C. knows me very well and I had the honor of pointing out the fact to him at Gauhati and a Pandit who was on a visit to Srijut Goswami supported me. I am not a Sanscrit Scholar but still I think that পূৰ্ব্বো after গুৰু conveys no meaning, the name being গুৰুধ্বজঃ।

Yours faithfully,
SATIS CHANDRA MUSTAFI.
Treasury Officer.

# এখন চিঠিৰ এডোখৰ।

বহুমানাস্পদেষু;—

* * *

অধ্যাত্মাৰ আধিভৌতিক অধ্যৱসায় সম্মিলিত জ্ঞানৰ যে আসামত এদিন বৰ প্ৰবল সোঁত চলিছিল, তাৰ কাৰণৰ কিছুদূৰ সহায় মহাৰাজ নৰনাৰায়ণৰ। এতিয়াৰপৰাও যদি তেনে সোঁত আগলৈ চলে, আশা কৰোঁ, ই ভৱদীয় কাৰ্য্যানুগ্ৰহৰ কৃপা দৃষ্টিৰপৰা। এই অধম ক্ষুদ্ৰাত্মাই জানিবলৈ পাই সুখী হৈছোঁ যে বহুমানাস্পদে অনেক শিক্ষিত ভদ্ৰলোকক এই বিষয়ে উৎসাহিত কৰিছে আৰু ভালে খিনি বাট কাৰ্য্যক্ষেত্ৰত আগো বাঢ়িছে। এই বাবে বহুমানাস্পদৰ ওচৰত এই অধমৰ গোহাৰি এই যে বহুমানাস্পদৰ অন্তৰত যেন শঙ্কৰদেৱৰ নামটো স্বপ্নতো থাকে; কিয়নো, জ্ঞান-সোপানাৰূঢ় ব্যক্তিৰ পক্ষে শঙ্কৰ-বিদ্বেষী হৈ (শঙ্কৰৰ মতে নচলি) শঙ্কৰক বুজিবলৈ যিমান উজু আৰু তাৰ ফল যিমান প্ৰবলতাপূৰ্ণ, জন্মৰেপৰা মহাপুৰুষীয়া ধৰ্ম্মৰ সাধাৰণ ভাবে নিৰবচ্ছিন্ন সময় পালিত ব্যক্তিৰ পক্ষে শঙ্কৰক বুজা সিমান উজু নহয়, গতিকে তাৰ ফল সিমান প্ৰবলতাপূৰ্ণ নহয়। অৰ্থাৎ পক্ষপাতিত্ব আৰু বৈপৰীত্যই একেলগে যিমান ফল দিব বা দিয়াব পাৰে অকল পক্ষপাতিত্ব কিম্বা বৈপৰীত্যই অকলৈ সিমান ফল দিব বা দিয়াব নোৱাৰে। মই যিমান দূৰ বুজিব পাৰিছোঁ, বহুমানাস্পদে দুইৰো পৰিস্ফুটৰ সামঞ্জস্য ৰাখি যথাস্থান আৰু যথাসময়ত নিজক উদ্ভাসিত কৰি আন আন লোককো উদ্ভাসিত কৰিবলৈ আগ বাঢ়িছে। এইদেখি মই বহুমানাস্পদক মোৰ আপোন দদা বা পিতা যেন (যদি বয়সৰ অনুমানত মোৰ বুজা ভুল নহয়) ভাবিবলৈ বাধ্য হৈছোঁ।



শঙ্কৰক বুজিবলৈ, মই বোধ কৰোঁ, মোৰ কেইবা জন্মও লাগিব,—সৰ্ব্বশাস্ত্ৰে বিশাৰদ এজন বৰ ডাঙৰ দাৰ্শনিক ভক্ত পণ্ডিত হোৱা আৱশ্যক, নহলে সাগৰত কাঠীৰে জোখাৰ নিচিনা হব। ইয়াকে বুজিয়েই নে কি এজন পুণ্যবাণ পুৰুষে "শঙ্কৰত পৰ, গুৰু শ্ৰেষ্ঠতৰ, সুবুজিবা আন কৰি। যিটো নৰ ভাৱে, তাহাঙ্ক চিনাৱে, যানি তাঙ্ক অংশ কৰি॥" এই কথাষাৰ লিখি থৈ গৈছে। বাস্তৱিকতে ধৰ্ম্মপ্ৰচাৰকসকলক পৰস্পৰৰ লগত তুলনা কৰি চালে (এই সময়ত মই অকল মহাপুৰুষীয়া হৈয়েই কোৱা নাই)—যদিও এনে কাৰ্য্য এই ক্ষুদ্ৰাত্মাৰ পক্ষে অনুচিত—উক্ত কথাষাৰ সৰ্ব্বতোভাবে যুক্তিপূৰ্ণ আৰু সত্য। গতিকে শঙ্কৰদেৱ মানৱ জীৱনতে পূৰ্ণ।

এই মহাপুৰুষ শঙ্কৰ গুৰু (মোৰ জন্মে জন্মে, যদি জন্মৰ শেষ নপৰে—যেন শঙ্কৰদেৱানুপ্ৰাণিত মহাপুৰুষীয়া হৈ জন্ম ধৰোঁ) অসমাকাশত কি প্ৰদীপ্ত সূৰ্য্য উদিত হৈ দিগন্তব্যাপি নিজৰ প্ৰতিভা-কিৰণ বিস্তাৰ কৰি অসমবাসীৰ নিমিত্তে জ্ঞান-ৰাজ্যলৈ অহা অন্ধকাৰ একেবাৰেই অনন্ত কাললৈ বিদূৰিত কৰি গৈছে, ইয়াক ভাবিলে মনত ওলায় "জয় গুৰু শঙ্কৰ, সৰ্ব্ব গুণাকৰ, যাকেৰি নাহি উপাম।" আৰু ইয়াৰ লগতে মনত হয় "চাহিনা অনেক ধন, বৰ না অধিক ক্ষণ, যেথা হ'তে আসিয়াছি সেথা যাব ভাসি।" এই কাৰণে অন্তৰে একেবাৰেই পৰিস্কাৰ ভাৱত কৈ দিয়ে "তোহাৰি চৰণক ৰেণু শত কোটি বাৰেক কৰোঁহো প্ৰণাম"। কিন্তু হায় এই নৰাধমৰ হৃদয়-ৰাজ্যত অনেক অনাৱস্থা অন্ধকাৰ সেৱী পাপ কংসাসুৰে প্ৰবল প্ৰতাপেৰে আধিপত্য স্থাপন কৰি শাসন কৰিছে, যাৰ দাসত্ব সতকাই এৰাব নোৱাৰোঁ। কিয়নো নুবুজোঁ " A worm has eaten up your rose-bud, get what comfort you can ; this is the last spring-day, no leaf will be green again for you. What life be without Arithmetic but a scene of horrors' আৰু নাই প্ৰাণত Longing after immortality ! এই বাবেই জীৱনত বাল-তৰুণ বৃদ্ধত পৰি পুনঃ পুনঃ "বালস্তাবৎ ক্ৰীড়াসক্তঃ, তৰুণস্তাবৎ তৰুণীৰতঃ, বৃদ্ধস্তাবৎ চিন্তামগ্নঃ" হৈ ফল পাম "অজানন্ দাহাৰ্ত্তিং বিশতি শলভো দীপদাহনম্"ৰ দৰে।

এই শঙ্কৰ প্ৰকৃতপক্ষে শম্ কৰ আৰু নিৰপেক্ষভাবে শম্ কৰ। এনে পুৰুষ অৱশ্যই ঈশ্বৰাৱতাৰৰপৰা অন্যলৈ যাব নোৱাৰে।

এই শঙ্কৰক, যি শঙ্কৰত পাৰ্থিব আৰু স্বৰ্গীয় সকলো গুণ পূৰ্ণ মাত্ৰাত আৰু পূৰ্ণ সংখ্যাত বিৰাজমান আছিল, পূজা কৰিবৰ নিমিত্তে শিকিবলৈ অকল আসাম কেলেই

গোটেই জগতকে যে আৰু কিমান দিন লাগে বা লাগিব পাৰে তাক বুজা এই অধমৰ পক্ষে বৰ কঠিন। এই :ভাবতেই, বোধ কৰোঁ পূৰ্ব্বগ ভক্ত পণ্ডিতসকলে শঙ্কৰদেৱক শ্ৰীশঙ্কৰ আৰু জগদ্গুৰু বুলি গৈছে। এই ঠাইত এইটো বুজাই দিয়া নাই সে এই অধমে মহাপুৰুষীয়া বাবেই এনেবিলাক কথা ওপৰে ওপৰে কৈ পেলাইছোঁ।

শঙ্কৰক ভালকৈ উপযুক্তভাৱে পূজা কৰিবলৈ, মোৰ বিশ্বাস, ঈশ্বৰৰ বিশেষ কৃপা পোৱা বা "নানি তাৰ অংশ কৰি "কথাযাবে বুজোৱাজনক আৱশ্যক কৰে।

শ্ৰীমন্মেলেছ।

---

# লৰ্ড কিচেনৰ।

বৃটিচ্ সাম্ৰাজ্যৰ যুদ্ধ বিষয়ত কৰ্ণধাৰ এই বীৰপুৰুষ আৰু ইহজগতত নাই! সিদিনা তেওঁ যুদ্ধৰ বিষয়ে পৰামৰ্শ কৰিবলৈ ৰুচিয়ালৈ যি জাহাজত যাত্ৰা কৰি গৈছিল, জাহাজে সৈতে বুৰি তেওঁ সমুদ্ৰৰ গৰ্ভলৈ গল। আগৰ জঙ্গীলাট কিচেনৰক ভাৰতৰ মানুহে বৰ ভাল পায়, বৰ সম্মান কৰে; তেৰোঁ ভাৰতবাসীক ভাল পোৱাৰ চিন অনেক আছে। তেওঁক আমি ৰাজপ্ৰতিনিধিৰূপে আকৌ পাবলৈ বৰ আশা কৰিছিলোঁ, তেওঁৰো তেনে হৈ ভাৰতলৈ আকৌ আহিবৰ মন আছিল হেনো। হন জৰ্ম্মান অসুৰক নিমিত্ত কৰি কালে তেওঁক অকালত গ্ৰাস কৰিলে। কি শোকৰ কথা! ঈশ্বৰৰ ইচ্ছা।

---